মেই 2009 ■ Rs.20/-

চান্দমামা

ছামাৰ স্পেচিয়েল

পুৰস্কাৰৰ বৰষুণ!

11
চিক্কিম দিৱস
খোজ দিওঁ ভূস্বৰ্গত

26
পৌৰাণিক যুৰ নায়ক
ভৰত

ছামাৰ স্পেচিয়েল প্ৰতিযোগিতাত ভাগ লৈ পাঁচটা লেপটপ জয় কৰা!

PARLE
POPPINS
Ram and Shyam
ঘুম ঘুম ঘুম... পপিন্স!
ইনফাৰ্ণোৰ সৈতে যুঁজ
ৰাম আৰু শ্যাম ঘৰত থকাৰ সময়াত বাহিৰত চিঞৰ-বাখৰ কিছুমান শুনা পালে।
দুয়োৱে দৌৰ মাৰি খিৰিকীৰ কাষলৈ গৈ বাহিৰলৈ চালে।
গোটেই চহৰখনতে জুই লগাৰ দৰে লাগিছে।
সেইটো ইনফাৰ্ণো। চোৱাঁ সি জুইৰ পিণ্ড কিছুমান বনাই য'তে-ত'তে দলিয়াইছে আৰু জুই লগাই গোটেইখন ধ্বংস কৰিছে।
আৰকি ফায়াৰ ইঞ্জিনবো এতিয়া আহিব নোৱাৰে, আৰু ঠাইতো জুই নুমাবলগীয়া হোৱাৰ বাবে।
দুয়োটাই বুজি পালে যে এতিয়া চহৰখন সিহঁতেই ৰক্ষা কৰিব লাগিব।
হাইড্ৰোই সিহঁতক উপহাৰ দিয়া ওৱাটাৰ পিষ্টল দুয়োটাই উলিয়াই ললে।
ইনফাৰ্ণোলৈ পিষ্টল টোঁৱাই সিহঁতে পানী মৰাত ইনফাৰ্ণো ততালিকে ধোঁৱা হৈ উৰি যাব ধৰিলে।
জুই নুমাই গ'ল আৰু ইনফাৰ্ণো পৰাস্ত হৈ পৰিল।
চহৰখনলৈ পুনৰ শান্তি ঘূৰি আহিল, ল'ৰাহঁত তোমালোকলৈ আৰু পপিন্সলৈ ধন্যবাদ!
POPPINS
PARLE POPPINS
GOLI RAINBOW WALI

This Summer, avail the Coolest Combo Pack!



Buy Chandamama's Collector's Edition+Ramayana for Rs ~~898~~ 673* Only!

Chandamama's Ramayana is the first fully Illustrated Ramayana which comes in a single book.

Chandamama Collector's Edition features the best of Chandamama published over the last 60 years.



I want the Coolest Combo Pack:

Name .... Subscriber No ....

Address ....

City .... State .... Pin ....

Telephone .... Mobile .... Email ....

Enclosed Cheque/DD for Rupees (in words) ....

Cheque/DD no .... Favouring Chandamama India Ltd

on .... bank. *(Send At-Par cheques or add Rs 60 for non-Chennai cheques)*

Please mail the order form to :

Chandamama India Limited, No. 2/513 (Old 3/396), Sundeep Avenue East, 2nd Main Road, Chinna Neelangarai, Chennai – 600 041. Phone: (044) 43992828

Email: chandamama@chandamama.com Web: www.chandamama.com

Both these titles are available only in English at all leading bookshops.

To place an order go to www.chandamama.com

*For purchase outside India, the Coolest Combo Pack is available at ~~$100~~ $80

চান্দমামা বৰ্ষ ৩৩ মেই ২০০৯ সংখ্যা-৫

এই সংখ্যাত আছে

★ পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা ...০৬
★ হেৰাই পোৱা ধন ...০৭
★ চিক্কিম দিৱস ...১১
★ ক্ষিপ্ৰ সূত্ৰ ...১২
★ পাতাল দুৰ্গ-৮ ...১৩
★ সংবাদ বিচিত্ৰা ...২৫
★ পৌৰাণিক যুৱ নায়ক-১২ ...২৬
★ জানো আহাঁ নানা কথা ...৩০
★ মেন অব্ দ্য মিছমেট্‌চ্ছ ...৩১
★ চান্দমামাৰ ক্ৰিকেট ক্ৰিষ্টেল বল ...৩২
★ চিত্ৰকথা সম্পূৰ্ণ কৰা ...৩৭
★ চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৪ ...৩৯
★ জাতক কথা ...৪৫
★ সুসজ্জিত হাতী ...৫৭
★ আৰ্য-২ ...৬১
★ ফটো নামকৰণ প্ৰতিযোগিতা ...৬৬
★ চান্দমামাৰ ঘৰৰ টুৱেন্টি ২০ ক্ৰিকেট ...৬৮
★ ইউৰেকা ...৭০
★ ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান ...৭১
★ ক্ৰীড়া ...৭৪

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

বিশেষ আকৰ্ষণ

নিৰংকুশ শাসক (বেতাল কাহিনী) ...১৯



দূৰত থকা তাপৰ উৎস (বীৰবলৰ কাহিনী-২১) ...৪০

মহক্‌সকলৰ ওপৰত চলা বিৰাট আক্ৰমণ (থলুৱা আমেৰিকানৰ লোককাহিনী) ...৪৮

ৰামায়ণ (যুদ্ধ কাণ্ড-৫) ... ৫১

Goswami
10-5-2009
9954215194

বাঢ়ি অহা গৰম

গ্ৰীষ্মকাল আহিল আৰু গোটেই দেশখন প্ৰখৰ ৰ'দত উতলিব লাগিছে। স্কুলবোৰ বন্ধ হোৱাৰ লগে লগে দেশৰ নগৰ মহানগৰত কাঠফুলাৰ দৰে বাঢ়ি আহিব শিবিৰ আৰু কৰ্ম কেন্দ্ৰবোৰ, ইয়াৰে প্ৰতিটোৱে শিশুসকলক শিকাব পাঠ্যক্ৰমৰ অংশ নোহোৱা জীৱন দক্ষতা।

অৱশ্যে আমি প্ৰায়েই মন নকৰা শিশুক লগা এটা দক্ষতা হৈছে পঢ়াৰ সামৰ্থ্য, কিতাপৰ গভীৰলৈ সোমাই যোৱাৰ মানসিকতা। গ্ৰীষ্মৰ মাহবোৰেই শিশুক পঢ়াৰ আনন্দ লাভ কৰিবলৈ শিকোৱাৰ ভাল সময় হ'ব পাৰে—ভাৰতৰ পৌৰাণিক কাহিনী, আমাৰ সংস্কৃতিৰ কাহিনী, আৰ কে নাৰায়ণ, ৰাস্কিন বণ্ড,মুন্সী প্ৰেমচান্দ আদি আধুনিক ভাৰতৰ লেখকৰ কাহিনী, নতুন ভাৰতীয় লেখকৰ কাহিনী, শ্বেক্সপীয়েৰ, চ'চ্চাৰ, ৱাইল্ড আদি পুৰণি লেখকৰ কাহিনী মুঠতে এই তালিকাৰ অন্ত নাই।

আজিৰ শিশুৰে সম্ভৱ তেওঁলোকৰ মাক-দেউতাকে শৈশৱত যিমান কথা জানিছিল তাতকৈ বেছি জানে। একমাত্ৰ পাৰ্থক্যটো হৈছে আজিৰ কিশোৰ মনবোৰৰ ক্ষেত্ৰত বিষয়বস্তুৰ গভীৰতালৈ সোমোৱাৰ অভিলাষ আগতকৈ কমি আহিছে। ইমানবোৰ কথা যিহেতু জানিবলৈ আৰু শিকিবলৈ আছে, গতিকে আজিৰ শিশুসকলৰ মাজত কথাবোৰ ওপৰে ওপৰে জনাৰ প্ৰৱণতা বাঢ়িছে। পঢ়া, চিন্তা কৰা, মনটোক অন্বেষণৰ বাবে সাজু কৰা, বাধাহীন আৰু সীমাহীন কল্পনাৰ বাবে মনটোক এৰি দিয়া এইবোৰেই হ'ল নিজৰ সত্ত্বাক বুজি পোৱাৰ অব্যৰ্থ উপায়। নিজকে বণ্ডৰ কাহিনীবোৰৰ ৰাস্তি বুলি কল্পনা কৰাচোন আৰু নিজৰ জীৱনত সেই কাহিনীবোৰ প্ৰয়োগ কৰা...বা আৰু কে নাৰায়ণৰ কাহিনীবোৰৰ এলবাৰ্ট মিছন স্কুলৰ কিশোৰ নায়কৰ শৈশৱৰ ঘটনাবোৰৰ কথা কল্পনা কৰাচোন।

পঢ়াই মনটোক শান্ত কৰি তোলাত সহায় কৰে আৰু শৈক্ষিক জীৱনৰ মাত্ৰাধিক ব্যস্ততাৰপৰা এটা সুন্দৰ আহৰি দিয়ে। ই প্ৰথম হোৱাৰ প্ৰতিযোগিতাত ননমাকৈ কাৰোবাক কিবা এটা কৰাৰ সুবিধা দিয়ে। শ্বেক্সপীয়েৰ বা প্ৰেমচান্দক লৈ তুমি কৰা কল্পনাই আনৰ কল্পনাৰ লগত প্ৰতিযোগিতাত নমাৰ প্ৰয়োজন নাই। সেইটো কেৱল তোমাৰ কল্পনা।

গতিকে গ্ৰীষ্মৰ বন্ধত তোমাৰ প্ৰাপ্য ভ্ৰমণৰ সময়ত তুমি লগতে তোমাৰ বন্ধু হিচাপে এখন কিতাপ লৈ যাবলৈ নাপাহৰিবা!

সম্পাদক : এল. সুব্ৰহ্মণ্যন

Founded by B. Nagi Reddi and Chakrapani

Chairman : B. Viswanatha Reddi (Viswam)
Editor & Publisher : L. Subramanyan
Associate Editor : Sowmya Rajendran
Senior Artists: K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh
Artist : Jayapandian
Asst. Editor-Copy & Pre-Production : R. Sudha
Creative Writer : R. Vaasugi
Layout Designers : M. Nagaraj, B. Thirumal

CIRCULATION TEAM :
Chennai : **T N Ravi Shankar**, *National Sales Manager*, Mobile +91 99620 70014
email : ravishankar.tn@chandamama.com
Fazal Khan, *Manager-Circulation & Institutional Sales - South*, Mobile +91 99625 67860
email : fazal.khan@chandamama.com
Mumbai : **Rajendra K Jadhav**, *Asst. Manager - Circulation*, Mobile +91 9320565048
CHANDAMAMA INDIA LTD.,
B-3, Lunic Industry, Opp. State Bank of India, Near Police Station Cross Road, No.6, MIDC Andheri (East), Mumbai-400093
Phone +91 22 28312872 / 28311849
email : rajendra.jadhav@chandamama.com
New Delhi : **Sushil Sharma**, *Circulation Manager-North*, Mobile +91 99110 91022
CHANDAMAMA INDIA LTD.,
Goyal Business Centre, C-23/2 First floor, Connaught Place, New Delhi-110001
Bangalore : **P. Murali**, *Asst. Circulation Manager -Karnataka* , Mobile +91 94488 36952
CHANDAMAMA INDIA LTD., 18, 10th Cross, Mayura Street, Papanna Lay Out, Outer Ring Road, RMV 2nd Stage, Bangalore-560094,
Phone +91 80 6655 1000
email:murali.p@chandamama.com
Kolkata : **Ananth Prakash**, *Circulation Manager-East*, Mobile +91 98362 82202, 98351 82202
email : ananth.prakash@chandamama.com
Ahmedabad : **Kalpesh Raval**, *Sales Officer-Circulation* Mobile +91 98245 19946
email : kalpesh.raval@chandamama.com
Content Head - Online : **Sowmya Bharadwaj**
email : online@chandamama.com
Assistant Manager - Marketing : **Vidhi Kumar**
email : marketing@chandamama.com
Advertisement :
email : sales@chandamama.com
Subscription Queries: L Govindasamy
e-mail : govindaswamy.l@chandamama.com
Customer Cell : A B Sairam
Mobile: +91 9841983774
e-mail : sairam.ab@chandamama.com
Production Executive : Panchakshari R Math
Head Office : **CHANDAMAMA INDIA LTD.,**
2/513 (Old 3/396), Sundeep Avenue East, 2nd Main Road, Chinna Neelankarai, Chennai - 600 041 Phone +91 44 43992828, Fax +91 44 43992829
Email : chandamama@chandamama.com
Website : www.chandamama.com

পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা

মই এজন সফল চিকিৎসক। *চান্দমামা* মোৰ শৈশৱৰ সৰ্বশ্ৰেষ্ঠ পত্ৰিকা আছিল। ৩০ বছৰৰ পাছত সেইখন মই আকৌ পঢ়িবলৈ লৈছো। শুনিছিলো কিছু সময়ৰ বাবে এই পত্ৰিকাৰ প্ৰকাশ বন্ধ হৈ গৈছিল, সম্ভৱ মোৰ দৰে লোকৰ বাবেই। এনে ঘটনাৰ পুনৰাবৃত্তি নহওক তাৰ বাবে নিজৰ ফালৰপৰা প্ৰচেষ্টা চলাইছো। মই মোৰ পাঁচজন আত্মীয়ক এবছৰ এবছৰৰ বাবে ইয়াৰ সংস্কৰণ উপহাৰ স্বৰূপে দিছো। মোৰ বিশ্বাস এবছৰৰ পাছত তেওঁ-লোকে নিজেই চামন্দমামা ক্ৰয় কৰিবলৈ ল'ব।

- বৰুণ কাশ্যপ, ডিব্ৰুগড়

আপোনালোকে আৰ্য-২ আৰম্ভ কৰাৰ বাবে মই খুব সুখী। ইয়াৰ আগৰটো অৱতাৰ আৰ্যত আছিল সম্পূৰ্ণ উত্তেজনা আৰু দুঃসাহসেৰে ভৰা কাৰ্য। আৰ্য-২ ও সুন্দৰ ৰূপত আগবাঢ়িছে। চিত্ৰবোৰে পৰিস্থিতি সুন্দৰভাৱে দাঙি ধৰিব পাৰে। বহুদিন ধৰি চলিব বুলি আশা কৰো।

- জীৱনজ্যোতি মজুমদাৰ, শদিয়া

মহান লোকৰ জীৱনৰ শিক্ষনীয় দিশ শিতানটো কিয় বন্ধ কৰা হ'ল? এনে প্ৰবন্ধৰপৰা আমাৰ প্ৰমূল্যৰ জ্ঞান হয়। এনে প্ৰবন্ধ পুনৰ প্ৰকাশ কৰিবলৈ আহ্বান জনালো।

- সংগীতা, বঙাইগাঁও

মই *চান্দমামাৰ* পৰম ভক্ত। এইখন ইমানেই ভাল আলোচনী যে স্কুলৰপৰা ঘৰলৈ আহি হমৱৰ্ক আৰম্ভ কৰাৰ আগতে মই ইয়াৰ অন্ততঃ এটা কাহিনী নপঢ়াকৈ থাকিব নোৱাৰো। নতুনকৈ আৰম্ভ কৰা কেইটিমান শিতান মোৰ খুব ভাল লাগে।

- সমীৰ, কাকপথাৰ

ইয়াৰ বাহিৰেও পাঠকে feedback@chandamama.com এই ঠিকনাত ই-মেইলও কৰিব পাৰে বা MLANG <space> <Name, Age> <space> <ASS your feedback> লিখি 54646 লৈ SMS ও কৰিব পাৰে।



হেৰাই পোৱা ধন

চৰণ ৰংপুৰৰ বাসিন্দা আছিল। তেওঁ বৰ সৎ ব্যক্তি আছিল। দেউতাকৰপৰা পোৱা কাপোৰৰ ব্যৱসায় তেওঁ বৰ দক্ষতাৰে চলাইছিল আছিল। তেওঁৰ সম্পত্তিৰ অভাৱ নাছিল ঠিকেই, পিছে তেওঁ বৰ কৃপণ আছিল। কোনো পৰিস্থিতিতে তেওঁ কাকো সহায় নকৰিছিল। কাপোৰৰ দোকানখনৰ কাষতে তেওঁ অলপতে এখন গোলামলৰ দোকান খুলিছিল। প্ৰতি শুকুৰবাৰে তেওঁ গৌৰীসাগৰৰ হাটলৈ গৈছিল আৰু প্ৰয়োজনীয় বস্তুবোৰ ক্ৰয় কৰি আনিছিল।

এবাৰ হাটৰপৰা বয় বস্তু ক্ৰয় কৰি ঘৰলৈ আহি থাকোতে তেওঁ ধনেৰে ভৰা এটা সৰু মোনা পালে। ইফালে সিফালে ঘূৰি তেওঁ দেখা পালে সেই ঠাইত আন কোনো মানুহ নাই। ধনৰ মোনাটো তেওঁ সাৱধানে কাপোৰৰ মাজত লুকুৱাই ল'লে আৰু মোনাটো লৈ কি কৰা যায় তাকে ভাবিবলৈ ধৰিলে।

ঘৰ আহি পায়েই তেওঁ মোনাটো পত্নীক দি ক'লে, "মীনাক্ষী, এই ধনখিনি মই ব্যৱসায়ত খৰচ কৰিব নোখোজো। গাঁওবুঢ়াক দিলেও তেওঁ যে মোনাটো আচল গৰাকীৰ হাতত তুলি দিব তাতো সন্দেহ আছে।"

ইফালে তেওঁৰ পত্নীয়ে মোনাটোত থকা ধনখিনি গণিবলৈ আৰম্ভ কৰিলে। এহেজাৰ টকা আছিল। "আনৰ সম্পত্তি সাপৰ দৰে। এই ধন নিজৰ ওচৰত ৰখা অনুচিত। খবৰ কৰক ধনখিনি কাৰ আৰু তেওঁৰ হাতত গতাই দিয়ক।" মীনাক্ষীয়ে ক'লে।

"আমি যেতিয়া নাজানোৱেই ধনখিনি কাৰ, তেনে অৱস্থাত ধনখিনি দিম কাক? ভগৱানৰ দান পাত্ৰত ধনখিনি দি দিলেই অন্ততঃ পুণ্য আৰ্জিব পাৰিম।" চৰণে ক'লে। "ধনখিনি যেতিয়া আমাৰ নহয়, তেতিয়া আমি পুণ্য আৰ্জিম কেনেকৈ? তাতে, যি এই ধনখিনি হেৰুৱাইছে তেওঁ নিজেই ইয়াৰপৰা বঞ্চিত হ'ব।" মীনাক্ষীয়ে ক'লে।

"সেয়েহে মই ভাবি উলিয়াব পৰা নাই, ধনখিনি কি কৰা যায়? ধনখিনি লৈয়েই চিন্তা

ৰঘুনন্দন

ভাবনা কৰি থাকিলে মোৰ দোকান, বেপাৰ কোনে চম্ভালিব?" এইবুলি কৈ ধনৰ মোনাটো তেওঁ এটা কাঠৰ বাকচত থৈ বাকচটো তলা মাৰি দোকানলৈ বুলি ওলাই আহিল।

তেনেতে কাপোৰৰ টোপোলা মূৰত লৈ গাঁৱে গাঁৱে গৈ বেপাৰ কৰা ৰতন তালৈ আহিল। তেওঁ চৰণক ক'বলৈ ধৰিলে, "মোৰ কন্যাই সন্তান প্ৰসৱ কৰিবলৈ ওলাইছে। চহৰলৈ গৈ এখন ভাল হস্পিটেলত ভৰ্ত্তি কৰোৱাৰ সামৰ্থ্য মোৰ নাই। পিছে গাঁৱৰ ধাইয়ে কোৱা মতে প্ৰসৱৰ সময়ত কিবা অঘটন ঘটাৰ সম্ভাৱনা আছে। কিন্তু মোৰ হাতত ফুটাকড়ি এটাও নাই। পৰিস্থিতি বৰ বেয়া। আপুনি কৃপা কৰি দুশ টকা ধাৰলৈ দিয়ে যদি যথাশীঘ্ৰে পৰিশোধ কৰিম।" ৰতনে বৰ দুখেৰে কথাখিনি ক'লে।

চৰণ তৎক্ষণাৎ ভিতৰলৈ গ'ল। তেওঁ হেৰাই পোৱা ধনৰপৰা দুশ টকা উলিয়াই ৰতনৰ হাতত তুলি দি দোকানলৈ গ'ল।

দুদিনৰ পাছত চহৰৰপৰা ঘূৰি অহা ৰংগনাথে ক'লে, "মহাশয়, মোৰ কন্যাই এটা সুস্থ শিশু জন্ম দিছে। সঠিক সময়ত আপুনি কৰা সহায়ৰ বাবেই মাক পুতেকৰ প্ৰাণ ৰক্ষা পৰিল। আপোনাৰ এই উপকাৰ মই আজীৱন পাহৰিব নোৱাৰিম।"

চৰণে ৰতনলৈ তৃপ্তিৰ দৃষ্টিৰে চালে আৰু ক'লে, "মই দিয়া ধনেৰে তোমাৰ মংগল হ'ল বুলি শুনি মই বৰ আনন্দ পাইছো। সেয়েহে ধনখিনি মোক ঘূৰাই দিয়াৰ প্ৰয়োজন নাই। ধৰি লোৱা, তোমাৰ নাতি ল'ৰাক মই ধনখিনি উপহাৰ স্বৰূপে দিলো।"

ৰতন আচৰিত হ'ল। একো নোকোৱাকৈ কৃতজ্ঞতা জ্ঞাপন কৰি তেওঁ তাৰপৰা গুচি গ'ল। ৰাতি দোকানৰপৰা ঘূৰি আহি চৰণে পত্নীক ক'লে, "দেখিলানে, মই ধনখিনি দি যি সহায় কৰিলো, তাৰদ্বাৰা দুটি প্ৰাণ ৰক্ষা পৰিল। আমি ভাল নামো পালো। বাকীখিনি ধনো মই এনে কামতে লগাম।"

মীনাক্ষীয়ে একো নোকোৱাকৈ মূৰ দুপিয়ালে। আৰু দুটা সপ্তাহ পাৰ হৈ গ'ল। কাপোৰৰ দোকানত কাম কৰা শিৱ চাৰি দিন ধৰি কামলৈ অহা নাই। পঞ্চম দিনা শিৱ যেতিয়া দোকানলৈ আহিল তেতিয়া চৰণে দাঁত মুখ কৰচি ক'লে, "এই দিনবোৰত বেপাৰ খুব ভাল চলে আৰু ঠিক সময়তে তুমি নিৰুদ্দেশ হ'লা। যদি তুমি আগলৈ এনেকুৱা কৰা তেন্তে তোমাক মই কামৰপৰা উলিয়াই দিম আৰু আন কাৰোবাক কামত ৰাখিম।"

"ক্ষমা কৰিব মালিক। আধা একৰ মাটি

আছে। তাত ফচল লগোৱাৰ শক্তি মোৰ নাই। ফচল নহ'লে পৰিয়ালটো ভৰণ পোষণ দিম কেনেকৈ? প্ৰয়োজনীয় ধনখিনি গোটাবলৈ মই বহুত চেষ্টা কৰিলো, কিন্তু কোনেও দিবলৈ ৰাজী নহ'ল। সেইটো কামতে মই লাগি থাকিলো আৰু সেয়েহে কামলৈ আহিব নোৱাৰিলো।" শিৱই দুখেৰে ক'লে।

"এই কথাটো তুমি মোকো ক'ব পাৰিলাহেঁতেন। তাৰ বাবে ইফালে সিফালে যোৱাৰ কি প্ৰয়োজন আছে? মোক খোজাহেঁতেন ময়েই তোমাক দিলোহেঁতেন। তাৰবাবে দোকানলৈ নহাকৈ থাকি তুমি বৰ বেয়া কাম কৰিছা।" চৰণে ক'লে।

চৰণৰ মুখত এইখিনি কথা শুনি শিৱ আচৰিত হ'ল। চৰণৰ দৰে কৃপণ ব্যক্তিয়ে ধন দিয়াৰ কথা ক'ব সেইটো শিৱৰ সপোনৰো অগোচৰ আছিল। তেওঁ চুপচাপ মূৰ দোঁৱাই চৰণৰ কথা শুনিবলৈ ধৰিলে।

চৰণ ঘৰলৈ গ'ল আৰু সেই মোনাটোৰ পৰা পাঁচশ টকা উলিয়াই শিৱৰ হাতত তুলি দিলেহি। এইবাৰ শিৱৰ আশ্চৰ্যত মুখৰ মাত হৰিল।

"মালিক, মই একেটা কিস্তিতে ধনখিনি পৰিশোধ কৰিব নোৱাৰিম। প্ৰতি মাহে মোৰ দৰমহাৰপৰা অলপ অলপকৈ ধন আপুনি কাটি ৰাখিব," শিৱই ক'লে।

"এইখিনি ধন ঘূৰাই দিয়াৰ প্ৰয়োজন নাই।" চৰণে ক'লে। এইবাৰো শিৱৰ আশ্চৰ্যৰ সীমা নাছিল। তেওঁ প্ৰায় বাকৰুদ্ধ হৈ পৰিল। একো নোকোৱাকৈ তেওঁ তাৰপৰা গুচি গ'লগৈ।

দুমাহৰ পাছত শিৱই এদিন মালিক চৰণক ক'লে, "আপুনি দয়া কৰি খেতি কৰিবলৈ মোক দিয়া ধনখিনিৰে মই খুব ভাল ফচল পালো। মোৰ পৰিয়াল এতিয়া আৰু ভোকত থাকিব নালাগে।"



সেইদিনা আবেলি ঘৰলৈ ঘূৰি আহিয়েই চৰণে পত্নীক এই কথা কৈ ক'লে, "দেখিলানে, যিখিনি ধন হেৰাই পালো, সেয়া মই নিজৰ বাবে খৰচ নকৰিলো। অভাৱী লোকক দি সহায় কৰিলো। তাৰদ্বাৰা গোটেই চহৰতে মই ভাল নাম পালো আৰু মানুহে মোক পৰোপকাৰী বুলি ক'বলৈ লৈছে।"

"হেৰাই পোৱা ধনখিনি অভাৱী লোকক দি আপুনি বৰ ভাল কাম কৰিলে। আপোনাৰ যি সম্পত্তি আছে, সেইখিনিওতো আপুনি আনৰপৰাই পাইছে। ইমান সম্পত্তি থকা সত্ত্বেও আজিলৈকে আপুনি এনেকুৱা ভাল কাম কৰিব নোৱাৰিলে। আপুনি পৰোপকাৰ কৰি নাথাকিলে কিয়? দান নকৰিলে কিয়?" মীনাক্ষীয়ে সুধিলে।

পত্নীৰ প্ৰশ্ন শুনি চৰণ চিন্তাত পৰিল। তেওঁ সুধিলে, "মোৰ সম্পত্তি তুমি হেৰাই পোৱা ধনৰ লগত তুলনা কৰিছা নেকি?"

"অঁতো, আপোনাৰ সম্পত্তি আপুনি পাইছে পূৰ্বপুৰুষৰপৰা। সেইখিনি সম্পত্তি গোটাবলৈ আপুনি পৰিশ্ৰম কৰা নাই। বিনা পৰিশ্ৰমে পোৱা ধন আৰু হেৰাই পোৱা ধনৰ মাজত কি পাৰ্থক্য আছে? হেৰাই পোৱা ধনখিনি দান হিচাপে দি আপুনি এতিয়া বিমল আনন্দ অনুভৱ কৰিছে। পূৰ্বপুৰুষৰপৰা পোৱা সম্পত্তিৰপৰা আপুনি দান দিব পাৰিলে এতিয়াতকৈয়ো বেছি আনন্দ লাভ কৰিব পাৰিব।" মীনাক্ষীয়ে অনুচ্চ স্বৰত কথাখিনি ক'লে।

চৰণে অলপ সময় চিন্তা কৰি থাকিল, তাৰপাছত তেওঁ ক'লে, "হয় মীনাক্ষী, তুমি কোৱা কথা এশ শতাংশই সঁচা। যি দৰিদ্ৰ, নিঃসন্তান, তেওঁক সহায় কৰিব পৰাতেই আছে প্ৰকৃত আনন্দ। তাৰদ্বাৰা নামো হয়। এতিয়া মই এই সত্য বুজি পালো। ধনৰ মোনাটো হেৰাই পোৱাৰ পাছতে মোৰ জ্ঞানচক্ষু মেল খালে।

এতিয়াৰেপৰা মই যিমানখিনি কৰিব পাৰো, অভাৱী মানুহক সিমানখিনি সহায় কৰি যাম আৰু নিজৰ জীৱন সাৰ্থক কৰি তুলিম। এতিয়াৰেপৰা মই স্বাৰ্থ পৰিত্যাগ কৰিম, পৰামাৰ্থকে জীৱনৰ লক্ষ্য কৰি লম।" স্বামীৰ এই পৰিৱৰ্ত্তনত মীনাক্ষীয়ে বৰ আনন্দ পালে। তেওঁ ভগৱানক ধন্যবাদ দিলে আৰু মনতে ভাবিলে এতিয়া আৰু ঘৰখনত সুখৰ অভাৱ নহ'ব।



চিক্কিম দিৱস

খোজ দিওঁ ভূস্বৰ্গত



Courtesy: Wikipedia.org, under the terms of the GNU Free Documentation License

মেই মাহটোৰে সকলোৱে বাট চায় আশাৰে, বন্ধৰ সময়ত আনন্দৰ মাহ। প্ৰখৰ ৰ'দত ক্ৰিকেট খেলা, মিঠা আমৰ আৰু আইচ ক্ৰীমৰ সোৱাদ লোৱা, স্কুল বেগ স্পৰ্শ নকৰিলেও চলা, সপ্তাহৰ আজিনো কোনটো দিন নাজানিলেও চলা-- আহ কি যে মজা!

চিক্কিমৰ ৰাইজৰ বাবে বন্ধৰ দিনবোৰ উপভোগ কৰাৰ আন এটা বিশেষ কাৰণ আছে। ১৬ মেইৰ দিনটো এটা স্মৰণযোগ্য গুৰুত্বপূৰ্ণ দিন। ১৯৭৫ চনৰ এই দিনটোতে চিক্কিমত ৰাজতন্ত্ৰৰ অৱসান ঘটিছিল আৰু গণতন্ত্ৰৰ প্ৰভাতী কিৰণে ৰাজ্যখন পোহৰাই তুলিছিল। "চিক্কিম ৰাজ্যিক দিৱস" সেয়েহে এটা বিশেষ জাতীয় বন্ধৰ দিন।

শস্যশ্যামল পৰিৱেশ, পাহাৰৰ মনোমোহা দৃশ্য, অনুপম প্ৰাকৃতিক শোভা। মুঠতে অভাৱনীয় সৌন্দৰ্যৰ প্ৰতীক চিক্কিম হ'ল ভ্ৰমণকাৰীৰ বাবে ভূস্বৰ্গ স্বৰূপ। চিক্কিমবাসীৰ বাবে অলংঘ্য কাঞ্চনজংঘা কেৱল এটা পৰ্বতেই নহয়। ই হ'ল ৰাইজক সুৰক্ষা দি তেওঁলোকৰ শান্তি আৰু সমৃদ্ধি সুনিশ্চিত কৰা অভিভাৱকৰূপী উপাস্য দেৱতা। এনে অভাৱনীয় প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত অৱস্থিত এইখন ৰাজ্যৰ উৎসৱসমূহ প্ৰকৃতিকেন্দ্ৰিক আৰু প্ৰজ্ঞালাভকেন্দ্ৰিক হোৱা কথাটোত আচৰিত হ'বলগীয়া একো নাই।

গণতন্ত্ৰিক আকোৱালি লোৱাৰ পাছত ৪৩টা বসন্ত পাৰ হ'ল–এই সুদীৰ্ঘ সময়ছোৱাত, চিক্কিমৰ ৰাইজে ৰাজ্যখনক জীৱনৰ সকলো ক্ষেত্ৰতে বিকাশ আৰু সমৃদ্ধিৰ প্ৰতীক কৰি তোলাত চৰকাৰক সৰ্বান্তঃকৰণে সমৰ্থন দি আহিছে। মুখ্যমন্ত্ৰী পৱন চামলিঙৰ এই ঘোষণাতেই নিহিত হৈ আছে ৰাজ্যখনৰ প্ৰতি তেওঁৰ গভীৰ দায়বদ্ধতা, "ৰাইজক প্ৰতাৰণা কৰাতকৈ মই মৃত্যুকেই আকোৱালি লম।" চিক্কিমত বাস কৰা সকলোৱে নিশ্চয় এই কথাত সন্মতি দিব যে চিক্কিমৰ জীৱন হ'ল অনন্ত আনন্দৰ জীৱন। প্ৰকৃতিৰ লগত একাকাৰ হোৱাৰ বাসনা জাগিছে নেকি? তুমি যি বিচাৰা তাকেই পাবা চিক্কিমত। চিক্কিম দিৱসৰ শুভেচ্ছাৰে!

ক্ষিপ্ৰ সূত্ৰ

এই মাহৰ সমস্যাটো হ'ল:

মায়াই তাইৰ জেপৰধন ব্যৱহাৰ কৰি এটা অনাথগৃহত তাইৰ জন্মদিন পালন কৰিবলৈ সিদ্ধান্ত ল'লে। অনাথ গৃহটোত ৩২ জনী ছোৱালী আৰু ৩০টা ল'ৰা আছে। প্ৰতিটো শিশুৰ বাবে খোৱাৰ খৰচ হ'ব ৪০ টকা। পাৰ্টীত দিয়া টুপী এটাৰ মূল্য ১০ টকা। মায়াই প্ৰতিটো শিশুকে দিব খোজা কাঠৰ পেঞ্চিল হল্ডাৰ একোটাৰ মূল্য ১৮ টকাকৈ। মায়াৰ হাতত আছে ৩০০০ টকা। তাইৰ ককাকে তাইক কিমান পইচা দিব লাগিব? মায়া আৰু ককাকৰ বাবে হোৱা খৰচ বাদ দিয়া।

সবাতোকৈ ক্ষিপ্ৰ সূত্ৰটো দিয়া জনে পাব ৫০০ টকা।

তোমাৰ প্ৰৱিষ্টি পঠিওৱা এই ঠিকনাত:

সম্পাদক, চান্দমামা ইণ্ডিয়া লিমিটেড,

২/৫১৩, (পুৰণি ৩/৩৯৬), চানদীপ এভিনিউ ইষ্ট, চিন্না নীলাংকাৰাই, চেন্নাই-৬০০০৪১

বা তোমাৰ প্ৰৱিষ্টি contests@chandamama.com লৈ ই-মেইল কৰা।

টোকা: এই সমস্যাৰ ক্ষিপ্ৰ সূত্ৰটো প্ৰকাশ হ'ব জুলাই সংখ্যাত।

চান্দমামা সাধাৰণ জ্ঞান কুইজ-২ মাৰ্চ ২০০৯ উত্তৰ

১.ভাৰতীয় মান সময় (আই.এচ.টী) গ্ৰীনউইচ্চৰ সময়তকৈ (জি.এম.টী) চাৰে পাঁচ ঘণ্টা আগ। ২.'টিটিকাকা'সমুদ্ৰ পৃষ্ঠৰপৰা ১২,৫০০ ফুট ওপৰত তথা 'ডেড চী' সমুদ্ৰ পৃষ্ঠৰপৰা ১,২৯০ ফুট তলত। ৩. সুন্দৰবন গংগা আৰু ব্ৰহ্মপুত্ৰ। ৪. জুন ২১। ৫. কাইৰো–ইজিপ্তৰ ৰাজধানী। ৬. ১৭৭ টা খাল। ৭. খেত্ৰী, ৰাজস্থান। ৮. ত্ৰিপুৰা, বাংলাদেশ।

চান্দমামা সাধাৰণ জ্ঞান কুইজ-২ মাৰ্চ ২০০৯

চান্দমামাৰ অসমীয়া সংস্কৰণৰ কোনো পাঠকৰে প্ৰৱিষ্টিত আটাইবোৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ পোৱা নগ'ল। পাঠকসকলৰ জ্ঞাতাৰ্থে কুইজ-২ৰ উত্তৰসমূহ ওৰপত দিয়া হৈছে। চান্দমামাৰ কুইজ প্ৰতিযোগিতাত ভাগ লৈ থাকিবা এই আশাৰে।

পাতাল দুৰ্গ

8

(উগ্ৰসেনৰ প্ৰাসাদ আৰু কোষাগাৰ বিদ্ৰোহীসকলে লুট কৰিলে। তাৰপাছত তেওঁলোকে ৰজাক বিচাৰি বিচাৰি জংঘল অভিমুখে গ'ল। ধূমক আৰু সোমকে তেওঁলোকক শান্ত কৰি ঘূৰাই পঠিয়ালে। ধূমকৰ কঁকালত ওলমি থকা মন্ত্ৰদণ্ড হঠাতে বতাহত উৰিবলৈ ধৰিলে। সোমকে সেই মন্ত্ৰদণ্ড ধৰিবলৈ ওপৰলৈ জাঁপ মাৰিলে। তাৰ পাছত...)

ঘোঁৰাৰ ওপৰৰপৰা জাঁপ মাৰি সোমকে চকুৰ পচাৰতে মন্ত্ৰদণ্ডডাল ধৰি পেলালে। কিন্তু ইয়াৰ মাজতে ঘোঁৰাটো এফালে গ'ল আৰু তেওঁ তলত পৰি গ'ল। কিন্তু সোমকে নিজৰ মুঠিৰপৰা মন্ত্ৰদণ্ড এৰি নিদিলে।

ধূমকে ঘোঁৰাৰপৰা নামি ক'লে, “বাহ সোমু! ইয়াকেই কয় সতৰ্কতা। কঁকালৰ ৰছী যেতিয়া ছিঙি গ'ল তেতিয়া মই ভাবিব নোৱাৰিলো কি হ'ব? কালশ্বম্বৰৰ মন্ত্ৰদণ্ড সঁচাই মহিমামণ্ডিত।”

মন্ত্ৰদণ্ড খামোচ মাৰি ধৰি সোমক থিয় হ'ল। মন্ত্ৰদণ্ডই তেওঁৰ হাতৰ মুঠিৰপৰা ওলাবলৈ সাপৰ দৰে বাহিৰ ভিতৰ কৰিবলৈ ধৰিলে। মন্ত্ৰদণ্ডডালৰপৰা কেতবোৰ অস্পষ্ট ধ্বনি ওলাবলৈ ধৰিলে।

ধূমকে ক'লে, “সোমু এটা কথাই মোক খুন্দিয়াই আছে। মোৰ সন্দেহ হৈছে কালশ্বম্বৰে মন্ত্ৰদণ্ড পাবলৈ কিবা মন্ত্ৰ পঢ়ি আছে। সেয়েহে মন্ত্ৰদণ্ডই তেওঁৰ ওচৰলৈ যাবলৈ চেষ্টা কৰি আছে।”



“আমি যদি ই দেখুৱাই দিয়া ৰাস্তাইদি যাব পাৰো তেন্তে সেই দুষ্টহঁতক ধৰিব পাৰিম।” ধূমকক মন্ত্ৰদণ্ড দি সোমকে ক'লে।

“সেইটো কেনেকৈ সম্ভৱ? আমি কিবা ইয়াৰ লগত বতাহত উৰিব পাৰিমনে? এতিয়া ই পূব দিশে উৰিব খোজা নাছিল জানো? মই ঠিকেই কৈছোনে বাৰু?” ধূমকে সুধিলে।

সোমকে মূৰ দুপিয়ালে।

“আমি এই ৰহস্যৰ কথা কাকো নকম যে ইয়াৰ মহিমা আছে। ৰাজকুমাৰী কান্তিসেনাক বিচাৰি উলিওৱাৰ দায়িত্ব আমাৰ ওপৰতে পৰা নাই জানো? এই কামত এই মন্ত্ৰদণ্ডই আমাক সহায় কৰিব পাৰে।” ধূমকে ক'লে। তাৰপাছত দুয়ো ঘোঁৰাত উঠি গংগাধৰৰ ওচৰলৈ গ'ল।

“কোনো ৰক্তপাত নোহোৱাকৈ বিদ্ৰোহীহঁতক কদম্বনগৰলৈ ঘূৰাই পঠিওৱাৰ বাবে মই তোমালোক দুয়োকে অভিনন্দন জনাইছো। কিন্তু তোমালোকে তেওঁলোকক দিয়া প্ৰতিশ্ৰুতিৰ কথা শুনি মই আচৰিত হৈছো। ৰাজকুমাৰী কান্তিসেনাক ৰাক্ষসৰ কবলৰ পৰা তোমালোকে উদ্ধাৰ কৰিবা কেনেকৈ?” মন্ত্ৰী গংগাধৰে সুধিলে।

“তোমালোক দুয়োৰে সাহস প্ৰশংসনীয়। তোমালোকে যদি মোৰ কন্যাক লৈ আহিব পাৰা, তেন্তে মই তোমালোকক আধা ৰাজ্য দিম।” ৰজা উগ্ৰসেনে ক'লে।

“আপোনাৰ হাতত এতিয়া কোনো ৰাজ্য নাই, দ্বিতীয় কথা হ'ল, ৰাজ্য থাকিলেও মই আপোনাৰ আধাৰাজ্য ল'বলৈ মুঠেই ইচ্ছা কৰা নাই,” ধূমকে খঙেৰে ক'লে।

কদম্ব ৰজাৰ কোষাধিকাৰীয়ে চকু ৰঙা কৰি ধূমকৰ ফালে আগবাঢ়িব খোজোতেই গংগাধৰে তেওঁক বাধা দি ক'লে, “ইয়াকেই সম্ভৱ ক'ব পাৰি নাও বুৰিলেও টিঙৰপৰা ননমা।” তাৰপাছত তেওঁ সৈনিকসকলক ক'লে, “উগ্ৰসেন মহাৰাজ আৰু তেওঁৰ মানুহবোৰক আমাৰ নগৰলৈ নি তেওঁলোকক মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰা হওক।”

ৰজা উগ্ৰসেন, তেওঁৰ মন্ত্ৰী আৰু কোষাধিকাৰী সৈনিকসকলৰ লগত নলা পাৰ হ'ব খোজোতেই মন্ত্ৰী গংগাধৰে ধূমকক ক'লে, “মই তোমালোক দুয়োকে কুন্তল ৰজাৰ সৈনিকৰ পোছাক দিম। কেৱল সেয়াই নহয় তোমালোকক অধিকাৰ পত্ৰও দিম এইবুলি যে তোমালোক কুন্তল ৰজাৰ কামত ওলাইছা। প্ৰয়োজন হ'লে তোমালোকে যিকোনো ৰজাৰ সহায় ল'ব পাৰিবা।”

ধূমকে এই কথা শুনি কৃতজ্ঞতা জ্ঞাপন কৰিলে। সেনাপতিৰদ্বাৰা তালৈ অনা বস্ত্ৰ ধূমক

আৰু সোমক দুয়ো পিন্ধি ল'লে। মন্ত্রীৰপৰা বিদায় লৈ যাবলৈ ওলাই ধূমকে ক'লে, "প্রভু, আপোনাৰ পুত্র শশীকান্তৰ বিষয়ে কি ভবা যায়? তেওঁ জীয়াই আছে বুলিয়েই আমি ধৰিব লাগিব নহয় জানো?"

"তাত কোনো সন্দেহ নাই। মোৰ বিশ্বাস কালশ্মশ্রুৱে শশীকান্তক লগত লৈ গৈছে। তোমালোকে যদি ৰাক্ষসক বিচাৰি পোৱা তেন্তে গম পোৱা যাব কান্তিসেনা ক'ত আছে? এতিয়া মই উলিয়াব লাগিব তান্ত্রিক আছে ক'ত? এই কামৰ বাবে মই শশীকান্তৰ মিত্র ভদ্ৰকক কেইজনমান সৈনিক লগত দি পঠিয়াম।" গংগাধৰে ক'লে।

ধূমকে মন্ত্রীৰ এইখিনি কথা শুনি একো মন্তব্য নকৰিলে। গংগাধৰক নমস্কাৰ কৰি, সোমকক লগত লৈ তেওঁ পূব দিশ অভিমুখে অগ্রসৰ হ'ল। তেওঁৰ এই বিশ্বাস আছিল যে যদি এই কথা উলিয়াব পৰা যায় তান্ত্রিক ক'ত আছে, তেন্তে তেওঁৰপৰা কুম্ভীৰৰ নিবাস-স্থলৰ কথাও সহজেই জানিব পৰা হ'ব। দুয়োৰে মাজত ইতিপূর্বে বিনিময় হোৱা বাক্যৰপৰাই ধূমকে গম পাইছিল দুয়ো শত্রু।

পাহাৰী ৰাস্তাৰে ধূমক আৰু সোমক কিছু দূৰ গ'ল। দুপৰীয়া সময়ত দুয়ো এখন জংঘলত গৈ উপস্থিত হ'লগৈ। দুয়ো বৰ ভাগৰুৱা হৈ পৰিছিল। দুয়ো এফালে ঘূৰি চালে। তাত তেওঁলোকে এটা নলা দেখা পালে। দুয়ো বৰ ভোকাতুৰ আছিল। নলাৰ পাৰত বহি তেওঁলোকে লগত অনা খাদ্য খাই উঠি অলপ জিৰণি লোৱাৰ কথা ভাবিলে।

দুয়ো ঘোঁৰাৰপৰা নামিল। ঘোঁৰাদুটা গছত বান্ধি দিলে। যেতিয়া তেওঁলোক নলাৰ পাৰলৈ

গ'ল তেতিয়া তেওঁলোকে বালিত কিছুমান পদচিহ্ন দেখা পালে। তাৰ ভিতৰত এটা খোজাৰ চিহ্নত ধূমকৰ দৃষ্টি কেন্দ্রীভূত হ'ল। এইটো সাধাৰণ পদচিহ্ন নাছিল। সেইটো এনে এজন মানুহৰ পদচিহ্ন আছিল যি পিন্ধি আছিল এযোৰ খৰম।

ধূমকে আচৰিত হৈ সেই পদচিহ্ন চাবলৈ ধৰিলে। তেওঁ সোমকক মাতিলে আৰু আঙুলিৰে ইংগিত দি সেই পদচিহ্ন দেখুৱালে। সোমকেও চালে, দুয়ো ইজনে সিজনৰ ফালে চালে আৰু ভাবিবলৈ ধৰিলে, যোগী আৰু সাধুৱেহে সাধাৰণতে খৰম পিন্ধে, এই জংঘলত তেনে এজন মানুহৰনো কি কাম থাকিব পাৰে? তেন্তে এয়া কালশ্মশ্রুৰ পদচিহ্ন। ওচৰতে শশীকান্তৰ পদচিহ্ন।

"সোমু, এয়া কালশ্মশ্রুৰ পদচিহ্ন, তাত কোনো সন্দেহ নাই।" ধূমতে ক'লে।

তেতিয়া সোমকে অন্যমনস্কভাৱে কিবা চিন্তা কৰি আছিল। তেওঁ বুজি পোৱা নাছিল ধূমকেনো এই কথাটো কিয় ইমান মনোযোগ দিছে, আমিতো ৰাজকুমাৰীকহে বিচাৰিব লাগে, প্ৰথমতে আমি তেওঁৰ খবৰ কৰিব লাগিব। শেষত তেওঁ কপালৰ বলিৰেখা কোঁচাই ক'লে, "ধূমু, আমি ভুল ৰাস্তাত আহিলো। ৰাজকুমাৰীক ৰাক্ষসে উঠাই লৈ যোৱা নাই জানো? আমিতো তেওঁক বিচাৰিহে আহিছিলো। এই তান্ত্ৰিকক বিচাৰি আমি সময় নষ্ট কৰিব লাগে কিয়? আমাৰ বুদ্ধি ভ্ৰষ্ট হ'ল নেকি?

ধূমকে জানিছিল যে সোমকে এনে কিবা এটাই ভাবি আছে, ধূমকে ক'লে যে কি কাম আৰু কেনেকৈ কামটো কৰিব লাগিব সেই কথা তেওঁ জানে। ইয়াৰ পাছত ধূমকে নিজৰ পৰিকল্পনাৰ কথা ক'লে। আমাৰ ওচৰত এনেকুৱা কোনো উপায় নাই যাৰদ্বাৰা আমি জানিব পাৰো ৰাক্ষস কোন ফালে গৈছে। যিহেতু আমাৰ হাতত মন্ত্ৰদণ্ড আছে আৰু সেই মন্ত্ৰদণ্ড পূব দিশত উৰিবলৈ চেষ্টা কৰিছিল, সেয়েহে কালশ্মশ্ৰুৰক কৰায়ত্ব কৰা সহজ হ'ব আৰু তেওঁৰ পৰাই আমি কুম্ভীৰৰ অৱস্থানৰ বিষয়ে জানিব পাৰিম।"

"অঁ, তুমি ঠিকেই কৈছা।" সোমকে মূৰ দুপিয়ালে। কিন্তু এইটো ৰাস্তা তেওঁৰ জটিল আৰু দীঘল যেন লাগিল। ধূমক নলাৰ ওচৰলৈ গ'ল। তেওঁ পানী খালে। পানীত নামি তেওঁ সিটো পাৰলৈ গ'ল। আঁঠুলৈকে পানী আছিল। নলাৰ পাৰতো ধূমকে পদচিহ্ন দেখা পালে। তেওঁ সোমকক নলা পাৰ হৈ আহিবলৈ ক'লে।

সোমকৰ হাতত আন উপায় নাছিল, তেওঁ নলাটো পাৰ হ'বলৈ আগবাঢ়িল। সোনকালেই তেওঁ ধূমকৰ ওচৰ পালেগৈ। সোমক ওচৰ পোৱাৰ লগে লগে তেওঁ সোমকক সেই চিহ্নবোৰ দেখুৱাই ক'লে, "তান্ত্ৰিক এই নলা পাৰ হৈ যোৱা বৰ বেছি সময় হোৱা নাই। এইবোৰ চিহ্ন এতিয়াও সতেজ হৈ আছে। মোৰ বিশ্বাস তেওঁ বহুদূৰ যোৱা নাই। আমি যদি ভোজনৰ বাবে নৰৈ আগবাঢ়ি যাওঁ তেন্তে সম্ভৱ তেওঁক লগ ধৰিব পাৰিম।"

"তেন্তে বলা তাকেই কৰো। ঘোঁৰা দুটা লৈ আহোঁগৈ," সোমকে এইবুলি কৈ ঘূৰিছেহে তেন্তে ওচৰৰ গছবোৰৰপৰা কোনোবাই হাতচাপৰি বজোৱা শুনা গ'ল। ধূমক আৰু সোমকে তৰোৱাল উলিয়াই সেই গছবোৰৰ ওচৰলৈ গ'ল কিন্তু তাত কোনো নাছিল। তেওঁলোকে চাৰিওফালে সতৰ্কতাৰে চালে কিন্তু তাত তেওঁ কাকো দেখা নাপালে। তেওঁলোকে আচৰিত হৈ পিছ হুহকিব খোজোতেই আন

এটা দিশৰপৰা হাতচাপৰি আৰু সুহুৰিৰ শব্দ শুনা গ'ল। ধূমক আৰু সোমকে এইবাৰ নিজকে চম্ভালি লাহে লাহে সেইফালে গ'ল। সেইফালে তেওঁলোক কিছু দূৰ যোৱাৰ পাছত তেওঁলোকৰ সোঁহাতে থকা গছৰ পাছৰপৰা হাতচাপৰিৰ শব্দ শুনা গ'ল। দুয়ো ভয় খালে আৰু চিন্তাত পৰিল। তেওঁলোকে বিপদৰ গোন্ধ পালে।

"সোমু, আমাক কোনোবাই ঘেৰি লৈ মাৰিব খুজিছে। আমি নলাৰ ওচৰলৈ গুচি যোৱাই উচিত হ'ব। তাত কোনেও আমাক আমাৰ অগোচৰে আক্ৰমণ কৰিব নোৱাৰে।" ধূমকে ক'লে, "তুমি ঠিকেই কৈছা, আমি তেনে কৰাই উচিত।" দুয়ো ঘূৰি লৈ যেতিয়া নলাৰ ফালে পলাবলৈ ধৰিলে তেতিয়া সুহুৰি আৰু হাতচাপৰিৰে গোটেই জংঘল কঁপি উঠিল। তৎক্ষণাৎ চাৰি পাঁচটামান জংঘলী গছৰ ডালৰপৰা তেওঁলোকৰ ওপৰত জঁপিয়াই পৰিল আৰু কিছুমান জংঘলীয়ে ডাঙৰকৈ চিঞৰি তেওঁলোকক ঘেৰি ধৰিলে। এই সকলোবোৰ ইমাত অকস্মাতে আৰু ক্ষিপ্ৰ গতিত ঘটি গ'ল যে দুয়ো কি হৈছে একো বুজিব নোৱাৰিলে।

ধূমক আৰু সোমকে ইজনে সিজনৰ ফালে চোৱাৰো সময় নাছিল। দুয়ো একেলগে "জয় কালেৰম্মা," বুলি চিঞৰি জংঘলীহঁতৰ ওপৰত জঁপিয়াই পৰিল। বিজুলী গতিত তেওঁলোকে তৰোৱাল ঘূৰাবলৈ ধৰিলে। সেই সময়ত দুয়ো নিজৰ প্ৰাণৰ আশংকাত চকু কাণ মুদি তৰোৱাল ঘূৰাইছিল। সেই সময়ত তেওঁলোকৰ হাতত আন কোনো বিকল্প নাছিল। যিকোনো প্ৰকাৰে তেওঁলোকে নিজৰ প্ৰাণ বচাব লাগে। ধূমক আৰু সোমকক এনেকৈ তৰোৱাল চলোৱা দেখি যিকেইটা জংঘলীয়ে তেওঁলোকক ধৰিবলৈ আহিছিল, সিহঁত দূৰৰ গছবোৰৰ ফালে ঢপলিয়াবলৈ ধৰিলে। জংঘলীহঁতেও বৰ ভয় খাইছিল। এইদৰেই তিনি মিনিট সময় পাৰ হৈ গ'ল। কিন্তু কিমান

সময়লৈ? গাত বল যিমানে নাথাকক কিয়, তৰোৱাল চলোৱাত যিমানে নিপুণ নহওক কিয় যেতিয়া জংঘলীহঁত কুকুৰনেচীয়া বাঘৰ গোটৰ দৰে আহিবলৈ ধৰিলে তেতিয়া ধূমক আৰু সোমকৰ পক্ষে সিহঁতৰ মুখামুখি হোৱাটো জটিল হৈ পৰিল। লাহে লাহে ভাগৰত সিহঁত অৱশ হৈ পৰিল। তেওঁলোকৰ সাহস আৰু আত্মবিশ্বাস কমি আহিল, জংঘলীহঁতে মাৰি পঠিওৱা যাঠীয়ে আহি তেওঁলোকৰ শৰীৰত আঘাত কৰিলেহি আৰু তেওঁলোকৰ ঘাঁবোৰৰপৰা তেজ ওলাবলৈ ধৰিলে। শেষত তেওঁলোকে তৰোৱাল চলাব নোৱৰা হ'ল। জংঘলীহঁতে গোট বান্ধি আহি দুয়োকে কৰায়ত্ব কৰিলে।

জংঘলীসকল আনন্দত উত্‌ৰাৱল হৈছিল। সোমক আৰু ধূমকক জংঘলীসকলে এনেকৈ ধৰি লৈ ঘেৰি ল'লে আৰু নিজৰ লগতে লৈ গ'ল। সিহঁতৰ বহুতো সংগীক এই দুয়োজনে মাটিত বগৰাইছিল। তাৰে কিছুমান মৰিছিল আৰু কিছুমান বেয়াকৈ আহত হৈছিল। কিছুমান মাটিত পৰি ছটফটাই আছিল। কিন্তু বাকী জংঘলীহঁত এই আনন্দত আছিল যে সিহঁতে ধূমক আৰু সোমকক ধৰি পেলাইছে। সেয়েহে সিহঁতে দুয়োকে ঘেৰি লৈ নাচিবলৈ ধৰিলে। দূৰত কোনোবাই হাতচাপৰি বজোৱাৰ ধ্বনি শুনা গ'ল। নাচি থকা হঁতৰ মাজৰে কিছুমানে সেই ধ্বনি শুনি সেইফালে মুখ কৰি চিঞৰিবলৈ ধৰিলে। "নিৰুপো নিৰুপো।" কিছু সময়ৰ পাছত তাত এজন আজানুলম্বিত জংঘলীয়ে চিঞৰিবলৈ ধৰিলে। তেওঁ চকু ৰঙা কৰি, দাঁত কামুচি, ধূমক আৰু সোমকক মাৰিবলৈ যাঠী ওপৰলৈ কৰি আগফালে জাঁপ মাৰিলে। দেখাত তেওঁ অতি ভয়ানক আছিল। তেওঁৰ ক্ৰূৰ আৰু ভয়ানক মুখখন দেখি দুয়োৰে হৃদয় কঁপি উঠিল।

নিজৰ মৃত্যু সন্নিকট বুলি ভাবি ধূমক আৰু সোমকে বুকু ডাঠ কৰি চকু মুদি দিলে। বুকুত যাঠীৰ আঘাতৰ আশংকাত অপেক্ষা কৰি থকা দুয়ো বৰ আচৰিত হ'ল কিয়নো বহুত সময় প্ৰতীক্ষা কৰাৰ পাছতো জংঘলীহঁতে তেওঁলোকৰ ওপৰত যাঠী নিক্ষেপ নকৰিলে। ভয়ে ভয়ে দুয়ো চকু মেলিলে আৰু এইবাৰ তেওঁলোক আৰু আচৰিত হ'ল যে জংঘলীহঁতৰ চৰ্দাৰে ওপৰলৈ উঠোৱা যাঠী একেবাৰতে তললৈ কৰি তেওঁলোকক কৈছে, "মহাশয়, আমাৰ দোষ মাফ কৰি দিয়ক।" এইবুলি কৈ চৰ্দাৰে ধূমক আৰু সোমকক সাষ্টাংগে প্ৰণিপাত কৰিলে। ***(আগলৈ)***



নিৰংকুশ শাসক

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল, গছৰপৰা শটো নমাই কান্ধত তুলি ল'লে আৰু যথাৰীতি শ্মশান অভিমুখে আগবাঢ়িল। তেতিয়া শৱ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, কোন দুষ্টক কঠোৰ দণ্ড দিবলৈ তুমি এই মাজনিশা ওলাই আহিলা! কিন্তু যেতিয়া দণ্ড দিয়াৰ সময় আহিব তেতিয়া তুমি এই সিদ্ধান্ততে অটল হৈ থাকিবা নে নিজৰ সিদ্ধান্তৰপৰা পিছলি যাবা? যিজনে তোমাৰ অধিকাৰ হস্তগত কৰিছে আৰু অসংযত সিদ্ধান্ত শুনাই তোমাক আৰু তোমাৰ শাসনক হেয় প্ৰতিপন্ন কৰিলে, সেই দুষ্টক দণ্ড দিবলৈকে তুমি ওলাই আহিলা নেকি? মই এজন শাসকৰ কথা জানো, যি সেই দুষ্টক চিনি পালে, কিন্তু দণ্ড নিদিয়াকৈ তেওঁ পিছ হুহকি আহিল। এনেবোৰ কথাত তুমি যাতে সাৱধান হৈ

বেতাল কাহিনী

থাকা, তাৰ বাবে মই তোমাক এনে এজন ৰজাৰ কাহিনীকে শুনাব খুজিছো।" এইবুলি বেতালে নিজৰ কাহিনী আৰম্ভ কৰিলে।

বজ্ৰগিৰিৰ ৰজা ৰাজশেখৰ নিৰংকুশ ৰজা আছিল। প্ৰজাৰ ক্ষেত্ৰত তেওঁ প্ৰজন্মৰপৰা চলি অহা কঠোৰ নিয়মবোৰ প্ৰয়োগ কৰিছিল আৰু আনবোৰ বিষয়ত খুব সাৱধানতা অৱলম্বন কৰিছিল। ইমান সাৱধানতা সত্ত্বেও তেওঁৰ ৰাজ্যত সৰু সুৰা অপৰাধ সংঘটিত হৈ থাকিছিল।

নগৰৰ কাষতে থকা ৰামগিৰি পৰ্বতৰ ইপাৰে গুণকা নামৰ এখন গাঁৱৰ পাঁচজন যুৱকে প্ৰতি দিনে ছাগলী চৰাবলৈ জংঘললৈ গৈছিল। তাত তেওঁলোকে ছাগলীবোৰ এৰি দিছিল আৰু এজোপা গছৰ তলত বহি আড্ডা দিছিল। তেওঁলোকৰ মাজৰে এজন যুৱকে খুব ভাল লোকগীত গাইছিল। আন এজন বাঁহী বজোৱাত পাকৈত আছিল।

তৃতীয়জনে খুহুতীয়া কথা কৈ সকলোকে আনন্দ দিছিল। চতুৰ্থজন বনৌষধি প্ৰস্তুত কৰাত অদ্বিতীয় আছিল। পঞ্চম যুৱক সুদৰ্শনে যাকে তাকে অনুকৰণ কৰিব পাৰিছিল। গাঁও-বুঢ়াৰপৰা আৰম্ভ কৰি ৰজালৈকে তেওঁ তেওঁ-লোকৰ মাত কথা আৰু ভাব ভঙ্গী নকল কৰিব পাৰিছিল। লগৰ সকলক অনুকৰণ কৰি দেখুৱাই তেওঁ সময়ে সময়ে সেইসকলক বিমল আনন্দ দিছিল।

এদিন এটা ছাগলী এটা টিলালৈ যোৱাৰ পাছত নিৰুদ্দেশ হ'ল। সেই যুৱক ছাগলীটো বিচাৰি ওলাল। ছাগলীটো টিলাৰ ওপৰত দুটা প্ৰকাণ্ড শিলৰ মাজত লাগি ধৰিছিল আৰু যুৱকে ছাগলীটো বাহিৰ উলিয়াব পৰা নাছিল। তেওঁ চিঞৰি থাকিল, কিন্তু তেওঁক সহায় কৰিবলৈ কোনো নাহিল। বন্ধুসকল শেষত তালৈ আহিল আৰু তেওঁক বাহিৰলৈ উলিয়াই ছাগলীটোকো বচালে।

সেই সময়ত তেওঁলোকে সেই শিলাখণ্ডৰ তলত এটা সুৰংগপথ দেখা পালে। তেওঁলোক সেই পথত নামিল আৰু আগবাঢ়ি গ'ল। বিপদৰ সময়ত ৰাজ পৰিয়ালৰ লোক বাহিৰলৈ ওলাই আহিব পৰাকৈ বনোৱা সেইটো এটা ৰহস্য পথ আছিল।

ৰজা শয়ন কক্ষত নাছিল, কিন্তু তাত ৰজাৰ প্ৰতিচ্ছবি দেখি পাঁচ বন্ধু আচৰিত হ'ল। সেই ছবি দেখি তেওঁলোকৰ এনে লাগিল যেন সুদৰ্শনকহে ৰজাৰ বেশভূষা পিন্ধাই দিয়া হৈছে।

নিশব্দে তেওঁলোক সেই পথেদি বাহিৰ ওলাল, কিন্তু পাঁচো বন্ধুৱে সেই ৰহস্যৰ কথা আন কাকো নক'লে। তেওঁলোকে নিজৰ ভিতৰতে কথাটো লৈ আলোচনা কৰিবলৈ

ধৰিলে। তেতিয়া সুদৰ্শনে নিজৰ মনৰ কথা লগৰ কেইজনক জানিবলৈ দি ক'লে, "এদিনৰ বাবে হ'লেও মই ৰজা হ'ব খোজো।" তেওঁৰ কথা শুনি বন্ধুসকল হতবাক হ'ল। তথাপি সুদৰ্শনৰ সময়বোধ, বুদ্ধিমত্তাৰ ওপৰত তেওঁ-লোকৰ সম্পূৰ্ণ বিশ্বাস আছিল। সেয়েহে তেওঁ-লোকে সুদৰ্শনৰ কথা মানি ল'লে।

ইয়াৰ পাছত, এদিন মাজনিশা সেই ৰহস্য পথেদি তেওঁলোক ৰজাৰ শয়ন কক্ষ পালেগৈ। ৰজা সেই সময়ত শুই আছিল, তেওঁ ৰজাৰ নাকত এবিধ বিশেষ বনৌষধি ৰাখিলে যাতে ৰজা উঠিব নোৱাৰে। তেওঁলোকে ৰজাক ওচৰৰ এটা কোঠালৈ নি তাতে শুৱাই দিলে। তাৰ-পাছত সুদৰ্শনে ৰজাৰ কাপোৰ পিন্ধি ল'লে, তেওঁ আ-অলংকাৰেৰে নিজকে চম্ভালিলে আৰু ৰজাৰ পালেঙত বাগৰ দিলে। বাকী চাৰিজন বন্ধু তাৰপৰা গুচি গ'ল।

মহাৰাজৰ বেশত সুদৰ্শন পুৱা ৰাজসভালৈ গ'ল আৰু ৰাজসিংহাসনত বহিল। অনুকৰণ কৰাত তেওঁ পাকৈত আছিল। সেয়েহে তেওঁৰ ওপৰত কাৰো সন্দেহ নহ'ল। অলপ সময়ৰ পাছতে সৈনিকে ধনী বেপাৰী কূৰ্মৰতাৰ তথা তেওঁৰ ঘৰত চুৰ কৰি ধৰা পৰা শংকৰক ৰাজসভালৈ লৈ আহিল।

ৰজাই শংকৰক সুধিলে, "তুমি চুৰি কৰিছিলা নেকি?"

"হয় প্ৰভু," শংকৰে নিজৰ অপৰাধ স্বীকাৰ কৰি ক'লে।

"তুমি জানানে, চুৰি কৰাৰ অপৰাধৰ বাবে কি দণ্ড দিয়া হয়?" ৰজাই সুধিলে।

"চুৰিৰ ধৰণ অনুসাৰে কাৰাদণ্ডৰপৰা আৰম্ভ কৰি হাত কাটি দিয়ালৈকে দণ্ড দিয়া হ'ব

পাৰে?" শংকৰে ক'লে।

"এইবোৰ কথা জানিও তুমি চুৰি কৰিলা?" ৰজাই সুধিলে।

"এসপ্তাহ ধৰি মই কোনো কাম পোৱা নাই। সন্তান আৰু পত্নীৰ ক্ষুধা মই সহ্য কৰিব নোৱাৰিলো, সেয়েহে মই চুৰি কৰিবলৈ সিদ্ধান্ত ল'লো।" শংকৰে ক'লে।

"এওঁ কেৱল চুৰ কৰাই নহয়, লগতে তাৰ কাৰণ ব্যাখ্যা কৰি নিজকে ৰক্ষা কৰিবও খুজিছে, সেয়েহে তেওঁক কঠোৰ দণ্ড বিহা উচিত," কূৰ্মৰতাৰে ৰজাক মিনতি কৰিলে।

"ভোকৰ পীড়া আন আটাইবোৰ পীড়াতকৈ বেছি কষ্টদায়ক। শংকৰে ইয়াক সহ্য কৰিব নোৱাৰিলে আৰু সেয়েহে তেওঁ তোমাৰ ঘৰত সোমাই চুৰি কৰিলে। তোমাৰ তাৰপৰা শংকৰে চুৰি কৰিলে মুঠেই এশ সোণৰ মুদ্ৰা।" তাৰপাছত তেওঁ সৈনিকসকলক হুকুম দিলে,

"কূৰ্মাৱতাৰক বান্ধি লৈ খুব পিটা।"

তাৰপাছত কূৰ্মাৱতাৰক ৰজাই ক'লে, "মোৰ দৃষ্টিত তুমিয়েই অপৰাধী। শংকৰক দুশ সোণৰ মুদ্ৰা দিয়া।" ৰজাই তেওঁৰ সিদ্ধান্ত শুনাই দিলে।

মন্ত্ৰীয়ে কিবা ক'ব খুজিছিল, ৰজাই হাত দাঙি তেওঁক বাধা দিলে, "এইটো মোৰ অন্তিম সিদ্ধান্ত। তাক পালন কৰাটোৱেই আপোনাৰ দায়িত্ব।"

ইয়াৰ পাছত সদানন্দ নামৰ এজন সুদখোৰ মহাজন আৰু লৱ নামৰ এজন দুখীয়া কৃষকক সৈনিকে ৰাজসভালৈ আনিলে। লৱই সদানন্দৰপৰা এশ সোণৰ মুদ্ৰা ধাৰলৈ লৈছিল। সেইখিন ধন এতিয়া সুদসহিতে তিনিশ সোণৰ মুদ্ৰা হ'লগৈ। ম্যাদ সম্পূৰ্ণ হোৱাৰ পাছতো লৱই ধনখিনি ঘূৰাই দিয়া নাই। সদানন্দৰ অভিযোগ সেইটোৱেই।

গোটেই কথাখিনি জানি লৈ ৰজাই ক'লে, "লৱই গোটেই ধনখিনি ঘূৰাই দিয়া নাই, তাৰ এটা কাৰণ আছে। দিনে-ৰাতিয়ে তেওঁ মজদুৰী কৰে তথাপি তেওঁৰ অৱস্থা দেখিয়ে দয়া ওপজে। পেট ভৰাই খোৱা আৰু পৰিয়ালক ভালকৈ খুওৱাৰ শকতি তেওঁৰ নাই। কিন্তু সুদৰ বেপাৰ কৰি তুমি বহুত ধন উপাৰ্জন কৰিলা। ইয়াৰ বাবে তুমি একো পৰিশ্ৰম কৰা নাই। পৰিশ্ৰম কৰা মানুহক লুটি খোৱা বিদ্যা তুমি খুব ভালকৈ জানা। তৎক্ষণাৎ লৱৰ ঋণপত্ৰ ফালি পেলোৱা নহ'লে তোমাক কাৰাগাৰত নিক্ষেপ কৰিম।" ৰজাই সদানন্দক ক'লে।

ইয়াৰ পাছত সৈনিকে বাসৱ নামৰ এজন বৈদ্য আৰু মংগা নামৰ এগৰাকী বিধৱাক ৰাজসভালৈ লৈ আহিল।

পতিক চিকিৎসা কৰি তেওঁক সুস্থ কৰি তোলাৰ আশ্বাস দি বাসৱে মংগাৰপৰা পাঁচশ সোণৰ মুদ্ৰা লৈছিল। তেওঁৰ চিকিৎসাই ফল নিদিলে আৰু মংগাৰ স্বামীৰ মৃত্যু হ'ল। তথাপি বাসৱে জোৰ দি ধৰি থাকিল যে যিখিনি ধন দিম বুলি আশ্বাস দিছিল সেইখিনি ধন মংগাই তেওঁক আদায় দিয়া উচিত। ৰাজসভাত এইখিনি কথাকে কৈ তেওঁ মংগাৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিলে।

"চিকিৎসা প্ৰদান কৰাৰ আশ্বাস দি তুমি মংগাৰপৰা আগতেই ধন আদায় কৰিলা। তুমি তেওঁৰ স্বামীক যথাযথ চিকিৎসা দিব নোৱাৰিলা, তথাপি ধন আদায় কৰিবলৈ তুমি জোৰ দিলা। ইয়াতকৈ ডাঙৰ অন্যায় আৰু কি হ'ব পাৰে?" ৰজাই গম্ভীৰ স্বৰেৰে ক'লে।

"প্ৰভু, মই দৰিদ্ৰ লোকক ধন নোলোৱাকৈ চিকিৎসা কৰোঁ। ঔষধ প্ৰস্তুত কৰিবলৈকে মই

ধনী মানুহৰপৰা ধন লোৱাটো উচিত নহয় জানো?" বৈদ্য বাসৱে ক'লে।

"তোমাৰ কথাত সত্যতা নাই। তেওঁৰ স্বামীক চিকিৎসা প্ৰদান কৰিম বুলি কৈ তুমি মংগাৰপৰা লোৱা পাঁচশ সোণৰ মুদ্ৰা ঘূৰাই দিয়া। অন্যথা তুমি কাৰাবাস খাটিব লাগিব।" ৰজাই তেওঁৰ সিদ্ধান্ত শুনাই দিলে।

সেইদিনাৰ কাৰ্যসূচীৰ অন্ত পৰিল। অন্তেষ-পুৰলৈ ঘূৰি যোৱা সুদৰ্শনে এই কথাত খুব আনন্দিত হ'ল যে অন্ততঃ তেওঁৰ ইচ্ছা পূৰণ হ'ল। তেওঁ ৰজাৰ পোছাক সলাই সুৰংগ পথেদি ওলাই গ'ল আৰু নিজৰ বন্ধুসকলক লগ ধৰিলেগৈ।

পিছদিনা পুৱাই ৰজা ৰাজশেখৰে চকু মেলিলে। তেওঁ বুজি নাপালে তেওঁৰ হ'ল কি? গোটেই দিনটো তেওঁ শুই থাকিল কিয়? মন্ত্ৰীক লগ ধৰি উঠি তেওঁ গম পালে যে কোনোবাই তেওঁৰ নকল কৰি-সিংহাসনত অধিষ্ঠিত হৈ ন্যায় প্ৰদানো কৰি গ'ল। তেওঁ ক্ৰোধান্বিত হৈ উঠিল।

তেওঁ সিদ্ধান্ত ল'লে যে সেই দুষ্টক কৰায়ত্ব কৰিহে এৰিম আৰু তাৰপাছত তাক শিৰচ্ছেদ কৰিম। মন্ত্ৰীক তেওঁ পৰামৰ্শ দিলে যে তেতিয়া-লৈকে যেন কথাটো কাকো কোৱা নহয়।

পিছদিনা পুৱাই ৰজা আৰু মন্ত্ৰীয়ে নকল ৰজাক চিনি লৈ কৰায়ত্ব কৰাৰ উদ্দেশ্যে ছদ্মবেশত ওলাই আহিল। মাজবাটতে গাঁৱৰ মুখিয়ালে এই বিষয়টো লৈ আনৰ লগত আলোচনা কৰি আছিল যে ৰজাই কিমান প্ৰশংসনীয় সিদ্ধান্ত ল'লে। ৰজাৰ এই বিৰাট পৰিৱৰ্ত্তনত সকলোৱে সন্তুষ্টি প্ৰকাশ কৰিলে। তেওঁলোকে বাটতে স্ত্ৰীৰ এটা গোট দেখা



পালে যিসকলে গ্ৰামদেৱীক প্ৰাৰ্থনা কৰি আছিল যে ৰজা যেন কুশলে থাকে আৰু তেওঁৰ স্বভাৱো এনেকুৱা হৈয়েই থাকে যেন।

দুদিনৰ পাছত তেওঁলোকে জংঘলত সেই পাঁচজন বন্ধুক দেখা পালে, যি নিজৰ মাজতে কথা পাতি আছিল। তাৰে ভিতৰত ৰজাৰ নিচিনা সাইলাখ একে এজন যুৱকে ৰজাৰ দৰে বহি নিজৰ সিদ্ধান্ত শুনাই আছিল। এতিয়া ৰজাই গম পালে কোনে নকল ৰজাৰ অভিনয় কৰিছিল। ৰজাই মনোযোগেৰে সেই যুৱকলৈ চাই থাকি এটা সময়ত মিচিকিয়াই হাঁহিলে। তেওঁ অনুভৱ কৰিলে এনে ব্যক্তিক দণ্ড প্ৰদান নকৰি অভিনন্দন জনোৱাহে উচিত। নিশব্দে ৰজা সেই ঠাইৰপৰা আঁতৰি আহিল।

বেতালে এই কাহিনী কৈ উঠি ক'লে, "ৰাজন, ছাগলী চৰোৱা অনামী এজন যুৱক ৰজাৰ শয়নকক্ষত প্ৰৱেশ কৰিলে, তেওঁৰ

বেশ ধাৰণ কৰিলে, তেওঁৰ সিংহাসনত বহি ন্যায় প্ৰদান কৰিলে, ই দণ্ডনীয় অপৰাধ নহয়নে?

ৰজাই সেই অপৰাধীক কঠোৰ শাস্তি দিয়া উচিত আছিল। এই আটাইবোৰ ঘটনা ঘটাৰ পাছতো, ৰজাই সেই যুৱকক স্বচক্ষে দেখাৰ পাছতো তেওঁক দণ্ড নিদিয়াটো ৰজাৰ দুৰ্বলতা নহয়নে? মোৰ মতেতো তেওঁ ৰজা হোৱাৰেই যোগ্য নহয়। ৰজাৰ এই আকস্মিক পৰিৱৰ্তনৰ কাৰণ কি হ'ব পাৰে? মোৰ এইবোৰ সন্দেহৰ সমিধান তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব।"

বিক্ৰমাদিত্যই ক'লে, "সুদৰ্শনৰ এইটো ডাঙৰ ইচ্ছা আছিল এদিনৰ কাৰণে হ'লেও ৰজা হোৱাৰ। এই সুযোগ তেওঁ হঠাতে পালে আৰু পৰিণামৰ কথা ভাবি ভয় নাখাই তেওঁ ন্যায় প্ৰদান কৰিলে। এইটো নিসন্দেহে তেওঁৰ দুঃসাহস বুলিয়েই ক'ব লাগিব। কিন্তু ৰাজ্য অধিকাৰ কৰাৰ ইচ্ছা তেওঁৰ সমূলি নাছিল। তেওঁ এদিন ৰজা হৈ যি সিদ্ধান্ত ল'লে, সেয়া একেবাৰে শুদ্ধ আছিল, ন্যায়পূৰ্বক আছিল। সেই সিদ্ধান্তসমূহ কোনো কাৰণতে ধৰ্মবিৰুদ্ধ নাছিল। তেওঁ যি সিদ্ধান্ত ল'লে, প্ৰজাৰ হিতৰ কথা মনত ৰাখিয়েই সেই কাম কৰিলে। প্ৰজাক অশান্তি দিয়াটো তেওঁৰ উদ্দেশ্য নাছিল। আমি এই কথা ক'ব নোৱাৰো যে পৰম্পৰা মতে লোৱা আটাইবোৰ সিদ্ধান্ত ধৰ্মসম্মত হয়, সেইবোৰ কাৰ্যকৰী কৰিবই লাগিব। এইবোৰ নিয়ম কাৰ্যকৰী কৰিলেই অপৰাধ কম হৈ যাব বুলিও ক'ব নোৱাৰি। সময় অনুসাৰে শাসনৰ নিয়মৰ পৰিৱৰ্তন অনাটো ৰজাৰ কৰ্ত্তব্য। ছদ্মবেশত অপৰাধী ধৰিবলৈ যাওঁতে ৰজাই এই সত্য উপলব্ধি কৰিলে।

তেতিয়াহে তেওঁ বুজি পালে ৰাজ্যত কিয় অপৰাধ কম হোৱা নাই। প্ৰজাৰ কথাই তেওঁৰ জ্ঞানচক্ষু মেল খোৱাই দিলে। সুদৰ্শনৰ তথাকথিত অপৰাধে ৰজাক ৰাজ্যশাসনৰ নীতি সলনি কৰিবলৈ বাধ্য কৰিলে। তেওঁ লগতে গম পালে সুদৰ্শনৰ কোনো ষড়যন্ত্ৰৰ অভিপ্ৰায় নাছিল। সেয়েহে তেওঁ সুদৰ্শনক ক্ষমা কৰি দিলে। ৰাজশেখৰ কেৱল নিৰংকুশ ৰজাই নাছিল, তেওঁ প্ৰজাহিতৈষীও আছিল।"

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটো লৈ অদৃশ্য হৈ গ'ল আৰু পুনৰ সেই গছজোপাত ওলমি থাকিলগৈ।

(ৰশ্মিৰ ৰচনাৰ আলম লৈ)

জলকুঁৱৰীৰ ৰূপত

নাদ্য়া ভেচি সাধাৰণ দুটা ভৰি লৈয়েই জন্ম হৈছিল, কিন্তু ১৬ বছৰ বয়সত ঠিকমতে বিকশিত নোহোৱাৰ বাবে তেওঁৰ ভৰিদুখন কাটি পেলাবলগীয়া হৈছিল। তেওঁৰ বয়স যেতিয়া ৫০ ৰ ঘৰত আছিল, এবাৰ এটা ল'ৰাই তেওঁৰ নকল ভৰিদুখনলৈ চাইছিল অনুসন্ধিৎসাৰে আৰু ল'ৰাটোৱে তেওঁক এই বিষয়ে সুধিছিল। ধেমালিতে নাদ্য়াই ল'ৰাটোক ক'লে তেওঁ এগৰাকী জলকুঁৱৰী। সৰু ল'ৰাটো ইমান আচৰিত হ'ল যে সি দৌৰি গ'ল দেউতাকক কথাটো ক'বলৈ।

এই ঘটনাৰ পাছত তেওঁৰ মনত এটা বুদ্ধি খেলালে আৰু নাদ্য়াই অস্কাৰ বিজয়ী ৱেটা ৱৰ্কশ্বপলৈ এখন চিঠি লিখি তেওঁৰ বাবে এডাল নেজ তৈয়াৰ কৰিবলৈ অনুৰোধ কৰিলে। তেওঁলোক সন্মত হ'ল তেওঁৰ বাবে এক কৃত্ৰিম নেজ তৈয়াৰ কৰিলে।

নাদ্য়া এই নেজ লৈ ইমানেই সুখী হ'ল যে তেওঁ ভাবিছে যে এই নেজডাল ব্যৱহাৰ কৰিয়েই তেওঁ ট্ৰায়াথলনত সাঁতোৰ অংশৰ প্ৰশিক্ষণ সম্পূৰ্ণ কৰিব পাৰিব।

গোলকীয় উষ্ণতা প্ৰতিহত কৰিবলৈ দাপোণ

আৰিজোনা বিশ্ববিদ্যালয়ৰ জ্যোতিৰ্বিদ ড. ৰ'জাৰ এঞ্জেলে বিশ্বাস কৰে যে তেওঁ গোলকীয় উষ্ণতা সমস্যাটো সমাধান কৰিব পাৰিছে।

তেওঁৰ মতে, এটা অপবৰ্তন পেটাৰ্ণ থকা লাখ লাখ দাপোণ ০.৬ মাইল দীঘল বেৰেল বিশিষ্ট এটা বিশাল বন্দুকেৰে পৃথিৱীৰপৰা ১০ লাখ মাইল ওপৰলৈ মাৰি পঠিয়াব লাগিব। এই বন্দুকৰ পেকিঙ ক্ষমতা সাধাৰণ বন্দুকতকৈ ১০০ গুণ বেছি হ'ব আৰু বন্দুকটোৰ ট্ৰিগাৰ টিপাৰ আগতে ইয়াক ৰাখিবলৈ কেইবামাইল জোৰা এটা বিশেষ এলেকা লাগিব। তেওঁ বিশ্বাস কৰে যে ই পৃথিৱীৰ বাবে এক কাৰ্যকৰী সৌৰপ্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব কিয়নো দাপোবোৰ সৌৰৰশ্মিৰ দিশ সলনি কৰি দিব।

ড. ৰ'জাৰে জানেএই প্ৰকল্পত বহুত বাধা আছে তাৰে ভিতৰত অন্যতম হ'ল ৩৫০ লাখ কোটি মাৰ্কিন ডলাৰৰ বিশাল ব্যয়, কিন্তু এদিন এই প্ৰকল্পৰ কাম আৰম্ভ কৰিব পৰা যাব বুলিয়েই তেওঁৰ বিশ্বাস।

ভৰত

পৌৰাণিক যুৰ নায়ক-১২

ধৰ্মপ্ৰভু সম্ৰাট ভৰতে ভাৰতত শাসন চলাইছিল, সেয়েহে এইখন দেশৰ নাম হ'ল ভৰত। কিন্তু আমাৰ ইতিহাসবোৰত ভৰত নামৰ বহুতো প্ৰসিদ্ধ ব্যক্তিৰ কথা পোৱা যায়। ইয়াৰে ভিতৰত তিনিজন খুব সুপ্ৰসিদ্ধ ব্যক্তিৰ বিষয়ে আমি ইয়াত আলোচনা কৰিম।

ঋষভ জয়ন্তিকলাৰ পুত্ৰ ভৰত মহান আৰু দয়ালু আছিল। তেওঁ অঞ্জনাম নামৰ এখন ৰাজ্যত দীৰ্ঘকাল শাসন চম্ভালিছিল। জীৱনৰ অন্তিম কালত ৰাজ্যভাৰ পুত্ৰৰ হাতত সমৰ্পণ কৰি তেওঁ বানপ্ৰস্থ লৈছিল।

এবাৰ তেওঁ নদীত স্নান কৰি থাকোতে দেখিলে, এজনী গাভিনী হৰিণীয়ে নদীৰ পানী খাই আছে। অকস্মাতে ক'লা-ক'লা ডাৱৰে আকাশ ঘেৰি ধৰিলে আৰু অন্ধকাৰ বাঢ়ি আহিল। ভয়ংকৰ মেঘৰ গৰ্জনত ভয় খাই হৰিণীয়ে তাতে এটি সন্তান প্ৰসৱ কৰি চিৰদিনৰ বাবে চকু মুদিলে।

বৃদ্ধ ভৰতৰ সেই হৰিণীৰ অনাথ সন্তানটিৰ প্ৰতি দয়া উপজিল। পোৱালিটো তেওঁ আশ্ৰমলৈ লৈ আহি লালন পালন কৰিবলৈ ল'লে। লাহে লাহে পোৱালিটিৰ প্ৰতি তেওঁৰ মমতা বাঢ়ি গ'ল। মৃত্যুৰ সময়তো তেওঁ অহাটো জনমত হৰিণী হৈ জন্ম ল'বলৈ ভগৱানক খাটিলে।

ইয়াৰ পাছতো তেওঁ ভৱবন্ধনৰ শিকলি ছিগি জন্ম মৃত্যুৰ চক্ৰৰ বাহিৰলৈ আহিব নোৱাৰিলে আৰু নতুন দুটা জন্ম ল'লে। জন্ম লৈ তেওঁ যি জ্ঞান প্ৰাপ্ত কৰিলে, সেয়া ভগৱানৰ কৃপাত নিজৰ আচৰণৰ অধীন কৰিলে আৰু শেষত তেওঁ জন্ম বন্ধনৰপৰা মুক্ত হ'ব পাৰিলে।

আদৰ্শপূৰ্ণ ভ্ৰাতৃত্বৰ উজ্জ্বল উদাহৰণ হৈ প্ৰজন্মৰ পাছত প্ৰজন্ম মানুহক উদ্ধুদ্ধ কৰা সম্ৰাট দশৰথৰ তৃতীয় পুত্ৰ ভৰতৰ কথা আমি সকলোৱেই জানো।

তেওঁৰ হস্তক্ষেপ নোহোৱাকৈ তেওঁৰ মাতৃ কৈকেয়ীয়ে তেওঁৰ স্বামী দশৰথৰপৰা তিনিটা বৰ বিচাৰিছিল। তাৰ বাবেই অগ্ৰজ ৰাম বনবাসত যাবলগীয়া হৈছিল। নিজৰ প্ৰিয় পিতৃৰ মৃত্যু দেখি ভৰত বিচলিত হ'ল। অগ্ৰজক বিচাৰি তেওঁ অৰণ্যলৈ গ'ল আৰু ৰামে তেওঁক সবিনয়ে অযোধ্যালৈ ঘূৰি গৈ সিংহাসনত বহি ৰাজ্যভাৰ চম্ভালিবলৈ ক'লে। অগ্ৰজ ৰাম পিতৃক দিয়া প্ৰতিশ্ৰুতিৰপৰা বিচলিত হোৱাৰ পক্ষপাতী নাছিল। তেতিয়া ভৰতে তেওঁৰ খৰমযোৰকে লগত লৈ আনি সিংহাসনত ৰাখি তেওঁৰ ৰাজ্যাভিষেক সম্পূৰ্ণ কৰিলে। ঘূৰি অহাৰ লগে লগে ভৰতে ৰাজ্যভাৰ গতাই দিলে।

ভৰত নামেৰে সুপ্ৰসিদ্ধ শিশু বীৰ কুমাৰ শকুন্তলা আৰু দুষ্যন্তৰ পুতেক আছিল। তেওঁৰ মাতৃ শকুন্তলাৰ জন্ম, পৰিণয় আদিও বিচিত্ৰতাৰে ভৰা আছিল।

ৰাজৰ্ষি বিশ্বামিত্ৰৰ কঠোৰ তপস্যা ভংগ কৰিবলৈ দেবেন্দ্ৰই মেনকা নামৰ অপ্সৰাক পঠিয়ালে। মেনকাই তেওঁৰ সৌন্দৰ্যৰে, নৃত্য-গীতেৰে বিশ্বামিত্ৰক মুগ্ধ কৰিলে। এটি কন্যা সন্তান জন্ম দি মেনকা ইন্দ্ৰলোকলৈ গ'লগৈ। তেতিয়াহে বিশ্বামিত্ৰই আচল ঘটনাটো কি বুজি পালে। তেওঁ কন্যা সন্তানটি তাতে এৰি তপস্যা কৰিবলৈ আন এক স্থানলৈ গুচি গ'ল।

শুকান পাতৰ মাজত পৰি থকা সন্তানটিৰ

চাৰিওফালে শকুন্ত পক্ষী জমা হ'ল আৰু সন্তানটিক পৰিচৰ্যা কৰিবলৈ ধৰিলে। কণ্ব মুনিয়ে এই দৃশ্য দেখি কন্যাক নিজৰ আশ্ৰমলৈ লৈ আহিল। শকুন্তলা নাম ৰাখি ঋষিয়ে নিজৰ কন্যাৰ দৰে তাইক তুলি তালি, ডাঙৰ দীঘল কৰিবলৈ ধৰিলে।

শকুন্তলাই যৌৱনত ভৰি দিলেহি। এদিন তেওঁ সখিয়েকসকলৰ লগত আশ্ৰমৰ গছবোৰত পানী দি থাকোতে চিকাৰ কৰিবলৈ অহা ৰজা দুষ্যন্তই তেওঁক দেখিলে। শকুন্তলাৰ প্ৰগাঢ় সৌন্দৰ্যত ৰজা মুগ্ধ হ'ল। ৰজাই ভাবিলে এয়া তেওঁৰ পূৰ্ব জন্মৰ সুফলৰ পৰিণাম। শকুন্তলাও দুষ্যন্তৰ প্ৰতি আকৰ্ষিত হ'ল। দুয়োৰে মাজত গন্ধৰ্ব বিবাহ সম্পন্ন হ'ল। দুষ্যন্তই শকুন্তলাক নিজৰ আঙুঠিটো উপহাৰ স্বৰূপে দিলে আৰু সোনকালেই ঘূৰি অহাৰ আশ্বাস দি নিজ ৰাজ্যলৈ ঘূৰি গ'ল।

শকুন্তলা এবাৰ দুষ্যন্তৰ কথা ভাবি অন্য-মনস্কা হৈ আছিল। তেতিয়াই তালৈ আহিল দুৰ্বাসা মুনি। কিন্তু ঋষি অহা কথাটোলৈ শকুন্তলাই মনেই নকৰিলে। এই কথাত ঋষি দুৰ্বাসা ক্ৰোধান্বিত হ'ল আৰু শকুন্তলাক অভিশাপ দি ক'লে, "যাৰ বিষয়ে চিন্তাত বিভোৰ হৈ তুমি মোক অপমান কৰিলা, সেইজনেই তোমাৰ কথা পাহৰি যাব।"

শকুন্তলাই এই শাপৰ কথা নুশুনিলে যদিও তেওঁৰ সখিয়েকসকলে মুনিৰ এই ভয়ানক অভিশাপৰ কথা শুনিলে। তেতিয়া তেওঁ-লোকে এই শাপমুক্তিৰ উপায় দিবলৈ ঋষি দুৰ্বাসাক কৰযোৰে মিনতি কৰিলে।

এইবোৰ ঘটনা ঘটি থাকোতেই কণ্বমুনি তীৰ্থযাত্ৰাত গৈ আছিল। তীৰ্থযাত্ৰাৰপৰা ঘূৰি অহাৰ পাছত যেতিয়া তেওঁ সকলো কথা গম পালে তেতিয়া তেওঁ অনুভৱ কৰিলে যে এই সকলোবোৰ বিধিৰ ইচ্ছা। এদিন গৰ্ভৱতী শকুন্তলাক তেওঁ ক'লে, "মোহাৰচ্ছন্ন হৈ তুমি অনুচিত কাম কৰিলা যদিও এটা কথা ভালেই হ'ল যে তুমি দুষ্যন্তৰ দৰে যোগ্য ৰজাৰ পত্নী হ'ব পাৰিবা।" মুনিয়ে শকুন্তলাক স্বামীগৃহলৈ পঠিওৱাৰ যো-জা কৰিলে।

শকুন্তলাক বিদায় দিয়াৰ সময়ত কণ্ব ঋষিয়ে ক'লে, "ডাঙৰক সন্মান কৰিবা, সন্তানক মৰমেৰে তুলি তালি ডাঙৰ দীঘল কৰিবা, এগৰাকী উত্তম গৃহিনী হৈ নিজৰ জীৱন সাৰ্থক কৰিবা।" শকুন্তলাক বিদায় দিয়াৰ সময়ত মুনিয়ে চকুৰ পানীৰে বাট নেদেখা হ'ল। তেওঁ শকুন্তলাৰ লগত কেইবাগৰাকী সখিয়েক আৰু তেওঁৰ কেইজনমান শিষ্যও পঠিয়ালে।

যেতিয়া শকুন্তলা ৰাজধানীলৈ গ'ল আৰু

দুষ্যন্তক দেখা কৰিবলৈ গ'ল তেতিয়া ৰজা দুষ্যন্তই তেওঁক চিনি পাবলৈ পোনে পোনে অস্বীকাৰ কৰিলে। শকুন্তলাই ৰজাক তেওঁ দিয়া আঙুঠিটো দেখুৱাব খুজিছিল কিন্তু নদীত কৰা যাত্ৰাৰ সময়ত তেওঁৰ আঙুলিৰপৰা ওলাই আঙুঠিটো পানীত পৰি গৈছিল। শকুন্তলাৰ অসহায় অৱস্থা দেখি মাক মেনকাই শকুন্তলাক অদিতি মাৰীচ প্ৰজাপতিৰ আশ্ৰমলৈ লৈ আহিল আৰু যথাযথ সুৰক্ষাৰ বৱস্থা কৰিলে। তাতেই শকুন্তলাই নিজৰ পুত্ৰক জন্ম দিলে।

নদীত পৰি যোৱা আঙুঠিটো এটা মাছে গিলি পেলাইছিল। শেষত মাছমৰীয়াৰদ্বাৰা সেই মাছটো দুষ্যন্তৰ ওচৰলৈ আহিল। আঙুঠিটো দেখাৰ লগে লগে দুষ্যন্তৰ শকুন্তলালৈ মনত পৰিল। সেই মুহূৰ্ত্ততে শকুন্তলাক লগ পাবলৈ ৰজা দুষ্যন্ত অস্থিৰ হৈ উঠিল।

কিছুদিনৰ পাছত যেতিয়া দেৱতা আৰু অসুৰৰ মাজত যুদ্ধ হ'ল তেতিয়া দুষ্যন্তই দেৱতাসকলক সহায় কৰিলে। যেতিয়া তেওঁ যুদ্ধৰপৰা ঘূৰি আহিছিল তেতিয়া তেওঁ মাৰীচ প্ৰজাপতিৰ আশ্ৰমৰ ওচৰত এটা বালক দেখিলে যি সিংহৰ সৈতে খেলি আছিল। ৰজা দুষ্যন্ত সেই বালকক দেখি মুগ্ধ হ'ল।

তেওঁ এটা কথা ভাবি আচৰিত হ'ল যে এনে পৰাক্ৰমী পুত্ৰক জন্ম দিয়া সেই ভাগ্যৱতী মাতৃ বাৰু কোন হ'ব পাৰে? তেনেতে শকুন্তলা বাহিৰলৈ আহিল। দুষ্যন্তই তেওঁক চিনি পালে আৰু মিচিকিয়া হাঁহি মাৰিলে। প্ৰথমে শকুন্তলাক চিনি নোপোৱাৰ কাৰণ যেতিয়া তেওঁ গম পালে তেতিয়া ৰজা দুষ্যন্তৰ খুব অনুতাপ হ'ল। ইফালে শকুন্তলাৰো ক্ৰোধ কমি আহিল। তেওঁ দুষ্যন্তক ক'লে যে সেই বালক তেওঁৰেই পুত্ৰ। এই কথা জানিব পাৰি দুষ্যন্ত আনন্দত উত্ৰাৱল হ'ল।

ইয়াৰ পাছত পুত্ৰ সহিতে দম্পতি, অদিতি মাৰীচৰ আশীৰ্বাদ লৈ ৰাজধানীলৈ গ'ল। তেওঁলোকে পুত্ৰৰ নাম ৰাখিলে ভৰত। বয়স হোৱাৰ লগে লগে ভৰতে সমস্ত বিদ্যা আয়ত্ব কৰিলে আৰু এদিন তেওঁৰ ৰাজ্যাভিষেক সম্পন্ন কৰা হ'ল।

প্ৰজাৰ হিতকেই ভৰতে জীৱনৰ লক্ষ্য কৰি লৈছিল আৰু প্ৰজাকেই তপস্যা বুলি ধৰি তেওঁ কল্যাণকামী শাসন চলাইছিল। সেয়েহে পুৰাণৰ বীৰকুমাৰ ৰূপেই নহয় বৰঞ ভাৰতবৰ্ষ, ভৰত খণ্ড নামেৰে আমাৰ দেশৰ নামকৰণ কৰি তেওঁৰ কীৰ্তি আৰু দীপ্তিকেই যুগমীয়া কৰি ৰখাৰ প্ৰয়াস কৰা হ'ল।

জানো আহাঁ নানা কথা

বিজ্ঞানৰ কত কথা

জেমচ প্ৰেচকট জুল

শক্তিৰ আটাইবোৰ ৰূপৰ জোখৰ এটা একক হৈছে 'জুল'। ৱাট আৰু ওমৰ দৰে এই শব্দটোৰো গুৰিতে আছে এগৰাকী মহান বিজ্ঞানী।

জেমচ প্ৰেচকট জুলৰ জন্ম হৈছিল ইংলণ্ডৰ মানচেষ্টাৰ ওচৰৰ ছালফৰ্ডত ১৮১৮ চনত। জুলে দেউতাকৰ পানীয়ৰ কাৰাখানা চোৱা চিতা কৰিছিল যদিও বিজ্ঞানৰ প্ৰতি তেওঁৰ গভীৰ ধাউতি আছিল।

সেই সময়ৰ প্ৰায়বোৰ বিজ্ঞানীৰ দৰে তেওঁও সমস্যাৰ সমুখীন হৈছিল। এক ডিগ্ৰী ফাৰেণহাইটৰ ১/২০০ লৈকে তেওঁ উষ্ণতা শুদ্ধভাৱে জুখিব পাৰে বুলি (সেই সময়ত ছেলচিয়াচতকৈ ফৰেণহাইট বেছি জনপ্ৰিয় আছিল) দাবী কৰিছিল যিটো কথা তেওঁৰ সমসাময়িক বিজ্ঞানীসকলে সম্ভৱ হ'ব পাৰে বুলি বিশ্বাস কৰা নাছিল।

তোমাৰ পৰিৱেশ

বৰ্ণময়স প্ৰাণী

লুকা ভাকু এটা পুৰণি ডনপ্ৰিয় খেল আৰু দেখা যায় যে কেৱল মানুহেই এই খেল নেখেলে। সৰু মাছবোৰে ডাঙৰ মাছৰপৰা গা বচাই ফুৰিবলৈ এই কৌশল ব্যৱহাৰ কৰে আৰু পলু আৰু পখিলাই চৰাই বা আন চিকাৰীৰপৰা লুকাই থাকিব জানে। কিছুমান প্ৰাণীৰ এনে বৰণ আছে যিটোৱে সিবিলাকক ইয়াৰ পৰিৱেশৰ লগত মিলি থকাত সহায় কৰে। কাৰ্ভ টুথেড জিঅ'মিটাৰৰ দৰে কিছুমান পখিলাৰ পাখিবোৰ গছৰ পাতৰ দৰে। ইয়াৰ ফলত পখিলাটো এজোপা গছত থাকোতে কোনেও গমেই নাপায়।

প্ৰতিৰক্ষা আৰু আক্ৰমণ এই দুয়োটা উদ্দেশ্যতে বৰণ সলনিৰ কৌশল ব্যৱহাৰ কৰা হয়। কোকলোঙাই ধৰা নপৰিবলৈ এই কৌশল ব্যৱহাৰ কৰে যদিও আফ্ৰিকাৰ সিংহবোৰে এই কৌশল ব্যৱহাৰ কৰে চিকাৰ ধৰিবলৈ। ঘাঁহৰ আৰত সিহঁত ইমান সুন্দৰভাৱে লুকাই পৰে যে অনেক নিৰীহ প্ৰাণী সহজেই সিংহৰ হাতোৰাৰ তললৈ আহে।

ছামাৰ স্পেচিয়েল

মেন অৱ দ্য মিছমেট্‌চ্

তুমি এই বিখ্যাত ক্ৰিকেটাৰকেইজনক চিনি পাইছানে? মুখৰ (৩৮ পৃষ্ঠাত) ফ্ৰেম, চকু, নাক, ওঁঠ আদি কাটি তেওঁলোকনো কোন উলিয়াবলৈ চেষ্টা কৰা। তাৰপাছত সেই অংগবোৰ মিহলাই লগ লগোৱা। তোমাৰ প্ৰৱিষ্টি এখন খালী কাগজত আঠা লগাই লোৱা আৰু তোমাৰ মেন অৱ দ্য মিছমেট্‌চ্ আমালৈ পঠিয়াই দিয়া। সবাতোকৈ সৃষ্টিশীল মুখখন গঢ় দিয়াজনে পাব ৫০০ টকাৰ পুৰস্কাৰ আৰু এটা ‘‘হনুমান ছনি প্লেষ্টেছন-২’’ টী শ্বাৰ্ট। তুমি **www.chandamama.com/cricket** অনলাইনতো এই খেল খেলিব পাৰা আৰু ৩১ মেই ২০০৯ৰ আগতে তোমাৰ প্ৰৱিষ্টিৰ এটা প্ৰিন্ট আউট আমালৈ পঠিয়াই দিয়া।

জমা দিয়াৰ ঠিকনা: চান্দমামা ইণ্ডিয়া লিমিটেড,
২/৫১৩ (পুৰণি ৩/৩৯৬), চানদীপ এভিনিউ ইষ্ট,
চেকেণ্ড মেইন ৰ’ড, চীন্না নীলাংগৰায়, চেন্নাই-৬০০ ০৪১



ছামাৰ স্পেচিয়েল

চান্দমামাৰ ক্ৰিকেট ক্ৰিষ্টেল বল

লাইভ! তাকো দক্ষিণ আফ্ৰিকাৰপৰা! চান্দমামাৰ সৈতে অনুভৱ কৰা আইপিএলৰ আনন্দ!

চান্দমামাৰ ক্ৰিকেট ক্ৰিষ্টেল বল প্ৰতিযোগিতাত* ভাগ লোৱা। ইয়াতকৈ আৰু ভাল সুযোগ কেতিয়াও নাহে। ৰাজস্থান ৰয়েল্‌ছ একাদশে তেওঁলোকৰ খিতাপ সফলতাৰে ৰক্ষা কৰিব পাৰিবনে?

তোমাৰ সপোনৰ দলটো গঢ়ি লোৱা আৰু তোমাৰ ভৱিষ্যদ্বাণী কৰা! **১৫ মেই ২০০৯ ৰ আগতে তোমাৰ তালিকা আমালৈ পঠিওৱা।** আটাইবোৰ খেল মনোযোগেৰে চোৱা আৰু কোন দলত থাকিব, কোন বাহিৰ ওলাব ঠিক কৰা! তোমাৰ যদি ভৱিষ্যদ্বাণী সঁচা হয় আৰু তোমাৰ সপোনৰ দলটো চান্দমামাৰ বিশেষজ্ঞৰ গোটে গঢ়ি তোলা দলটোৰ লগত মিলি যায়, তেন্তে তেনে ৫ জন ভাগ্যশালী বিজেতাই** পাব একোটাকৈ লেপটপ। তেন্তে তুমি বৈ থাকিবা কিয়? খেলিবলৈ আৰম্ভ কৰা!

ফাইনেলত ভাগ লোৱা দল দুটা হ'ব:

সবাতোকৈ বেছি ছিক্সাৰ মৰা খেলুৱৈজন হ'ব:

এইবাৰ কাক নিষিদ্ধ কৰা হ'ব?:

এইবাৰ কোনে কান্দিব?:

কোনজন বাউলাৰে সবাতোকৈ বেছি ৰাণ দিব?:

আইপিএল'০৯ৰ শ্ৰেষ্ঠ বাউলাৰ:

আইপিএল'০৯ৰ শ্ৰেষ্ঠ বেট্‌চমেন:

তোমাৰ সপোনৰ দলটোৰ নাম:

সদস্যসকল:

১. (কেপ্তেইন)
২. (উইকেট কীপাৰ)
৩. ____________
৪. ____________
৫. ____________

৬. ____________
৭. ____________
৮. ____________
৯. ____________
১০. ____________
১১. ____________

জমা দিয়াৰ ঠিকনা:
চান্দমামা ইণ্ডিয়া লিমিটেড,
২/৫১৩ (পুৰণি ৩/৩৯৬),
চানদীপ এভিনিউ ইষ্ট,
চেকেণ্ড মেইন ৰ'ড,
চীন্না নীলাংগৰায়, চেন্নাই-৬০০ ০৪১

তুমি চান্দমামা ক্ৰিকেট ক্ৰিষ্টেল বল প্ৰতিযোগিতা অনলাইনতো খেলিব পাৰা এই ঠিকনাত : **www.chandamama.com/cricket**

অনুগ্ৰহ কৰি মন কৰিবা ওপৰত দিয়া ৰূপত অহা প্ৰৱিষ্টি ডাকত আহিলেহে আমি গ্ৰহণ কৰিম। প্ৰৱিষ্টিবোৰ যদি আমি দিয়া ৰূপত নাথাকে, তেন্তে সেইবোৰ পোনে পোনে অগ্ৰাহ্য কৰা হ'ব। যদি আটাইবোৰ শুদ্ধ উত্তৰ থকা এটাও প্ৰৱিষ্টি নাথাকে, তেন্তে বিশেষ বঁটাটো দিয়া হ'ব শুদ্ধ উত্তৰবোৰৰ আটাইতকৈ বেছি ওচৰ চপা খেলুৱৈজনক।

* Terms and Conditions apply. Employees and family members/ relatives of emplbyees of Chandamama or other companies belonging to the parent company are not permitted to participate in the contest. Entries from such parties will not be entertained and will be disqualified.
** The prizes are offered across 13 editions of *Chandamama*.



SHEMAROO
Astute
ENTERTAINMENT
ASSOCIATION WITH ASTUTE MEDIA VISION
PANGAA GANG
DIRECTED BY PANKAJ SHARMA
IN THEATRES SUMMER 2009
SMITA MAROO & PANKAJ SHARMA
SHAMIR TANDON
www.pangaagang.com

বুব্বালু আম



নিয়মাৱলী:

- সোঁহাতে থকা আম আৰু নৱাবগৰীৰ মুদ্ৰাবোৰ কাটি লোৱা
- সেইবোৰ এটা গোটা বস্তুত আঠা লগাই দিয়া
- ডাই থ্ৰ' কৰা আৰু খেলিবলৈ আৰম্ভ কৰা
- তলত দিয়া ছাবিবোৰ চোৱা

কোন জিকিব বুব্বালু আম নৱাবগৰী ৰত্নৰ বাকচ ?

খেল চলিছে !

ছাবি

-দুটা ঘৰ ওপৰলৈ

- ৫টা ঘৰ বগোৱা

Board Game designed by Chandamama

নৰাবগৰী বৰ্ড গেইম

জুটী মন্তী

- দুটা ঘৰ তললৈ

- এটা পাল হেৰাব

- শেষৰ বৰ্গলৈ যোৱা

WWW.CHANDAMAMA.COM



USER POSTS

Post your jokes, riddles, and stories at the USER POST section on our site.

ARCHIVES

Fresh new look and easy to navigate.

Read all your favorite stories at our Archives section.

CRICKET FEVER

Fun Activities at www.chandamama.com

Design your team's T-shirt at FUNZONE

VIKRAM & VETAL

In which story of Vikram/Vetal did you disagree with King Vikram's response and why? sms CVV <your response> to 54646

চিত্ৰকথা সম্পূৰ্ণ কৰা

চিন্তা কৰা এই ৰঙীন কথোপকথনত তুমি কি যোগ দিব পাৰা। তুমি তোমাৰ প্ৰৱিষ্টি contests@chandamama.com এই ঠিকনাত ই-মেইল কৰি পঠিওৱা। সৰ্বশ্ৰেষ্ঠ প্ৰৱিষ্টিয়ে লাভ কৰিব নগদ ৫০০ টকাৰ পুৰস্কাৰ।

জমা দিয়াৰ ঠিকনা: চান্দমামা ইণ্ডিয়া লিমিটেড, ২/৫১৩ (পুৰণি ৩/৩৯৬), চানদীপ এভিনিউ ইষ্ট, চেকেণ্ড মেইন ৰ'ড, চীন্না নীলাংগৰায়, চেন্নাই-৬০০ ০৪১



চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৪

(১৬ বছৰৰ তলৰ শিশুৰ বাবে)

Co-sponsored by Infosys FOUNDATION, Bangalore

যি শুদ্ধ উত্তৰ দিয়ে, তেওঁলোকৰ মাজৰে এজনক দিয়া হ'ব *২৫০ টকা!

*যদি সৰ্বশুদ্ধ প্ৰৱিষ্টি এটাতকৈ অধিক হয় তেন্তে সফল প্ৰতিযোগীসকলৰ প্ৰত্যেককে দিয়া হ'ব ৫০ টকাকৈ।

তুমি কি কৰা উচিত:

১.এখন কাগজত উত্তৰবোৰ লিখা;

২.নিজৰ নাম, বয়স তথা পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা;

৩.লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৪ বুলি লিখা;

৪.তোমাৰ উত্তৰ ৩১ মেইৰ ভিতৰত আমাৰ হাতত পৰা উচিত।

৫. সঠিক উত্তৰ জুলাই ২০০৯ সংখ্যাত প্ৰকাশ কৰা হ'ব।

বিশ্ব ঘটনা / ব্যক্তি

১. চাগ্ৰেচত কোনে বিশ্বৰ প্ৰথম নৌ প্ৰতিষ্ঠান স্থাপন কৰিছিল?

২. পাডুৱাৰ এজন অস্ত্ৰোপচাৰৰ অধ্যাপক আধুনিক শৰীৰ বিজ্ঞানৰ জনক নামে জনাজাত। তেওঁ কোন আছিল?

৩. দুখন বিখ্যাত কবিতাপুথি ৰচনাৰ সময়ত তেওঁ আংশিকভাৱে দৃষ্টিহীন আছিল। তেওঁ কোন আছিল? তেওঁৰ সেই কবিতাপুথিদুখনৰ নাম কি?

৪. ইউৰোপত হাজাৰ হাজাৰ মানুহৰ প্ৰাণ লোৱা এটা মহামাৰী নিয়ন্ত্ৰণ কৰিব পৰা গৈছিল যেতিয়া লণ্ডনত এক অগ্নিকাণ্ড সংঘটিত গৈছিল, এই মহামাৰী কি আৰু কেতিয়া সংঘটিত হৈছিল?

৫. প্ৰিন্টিঙৰ উদ্ভাৱনৰ কৃতিত্ব কাৰ? এই নতুন প্ৰযুক্তি ব্যৱহাৰ কৰি ছপা কৰা প্ৰথম কিতাপখন কি আছিল?

বীৰবলৰ কাহিনী-২১

দূৰত থকা তাপৰ উৎস

শীতৰ এটা হাড়কপোৱা দুপৰীয়া। নদীৰ পাৰত খোজ কাঢ়িবলৈ বুলি আকবৰ ওলাই আহিছিল। লগত কেইজনমান সভাসদ। তাৰ ভিতৰত বীৰবলো আছে। ঢৌ খেলি থকা নদীৰ পানীলৈ চাই চাই সম্ৰাটে ক'লে, "পৰ্বতৰপৰা কঢ়িয়াই অনা শীত, বতাহে পানীলৈয়ো নিশ্চয় ঠেলি দিছে।"

"এনে হিমশীতল পানীত নামিবলৈ কোনে সাহস কৰিব?" এজন সভাসদে ক'লে।

"সঠিক পুৰস্কাৰৰ ব্যৱস্থা থাকিলে আমি এনে এজন মানুহ পাম যি এটা শীতৰ নিশা নদীৰ এবুকু দ পানীত কটাই দিব," বীৰবলে মন্তব্য কৰিলে।

"অসম্ভৱ। যিয়েই এই কাম কৰিবলৈ আহিব তেওঁৰ মৃত্যু অৱশ্যম্ভাবী," সম্ৰাটে যুক্তি দিলে।

"শ্বাহেনশ্বাহ, অসম্ভৱ কাম সেইটোহে যিটো কৰিবলৈ চেষ্টা কৰা হোৱা নাই," বীৰবলেও এৰি নিদিলে।

"তুমি ইমান নিশ্চিত হ'লা কেনেকৈ? সম্ৰাটে প্ৰত্যাহ্বান জনালে।

"এটা পুৰস্কাৰ ঘোষণা কৰক আৰু চাওক মই কোৱা কথা সঁচানে মিছা?" বীৰবলে বিনয়েৰে ক'লে।

পিছদিনা পুৱা, সমগ্ৰ ৰাজ্যতে ঢোলপিটি শুনাই দিয়া হ'ল যে যমুনাৰ এবুকু দ পানীত শীতৰ গোটেই নিশাটো কটাব পৰা মানুহজনক এশটা মোহৰ দিয়া হ'ব।

এজন ধুবীয়ে ঘোষণাটো শুনিলে। তেওঁক ধনৰ খুব প্ৰয়োজন হৈছিল। "এশটা মোহৰ! এইখিনি ধনে মোক ঋণমুক্ত কৰিব পাৰিব। আনকি গোটেইবোৰ খৰচৰ জোৱা মৰাৰ পাছতো মোৰ হাতত অলপ ধন থাকি যাব।" ধুবীয়ে তেওঁৰ পত্নীক ক'লে।

"আপুনি বৰফৰ দৰে গোট মাৰি মৃত্যুৰ মুখত পৰিব," পত্নীয়ে সাৱধান কৰি দিলে।

"নাই, তেনেকুৱা একো নহয়। শৈশৱত মই শীতৰ নিশা নদীত সাঁতুৰিছিলো।" মৰমতে ধুবীয়ে পত্নীৰ হাতৰ তলুৱাখন মোহাৰি দিলে, "এশ মোহৰৰ কথা ভাবাচোন!" তেওঁ হাঁহি মাৰি ক'লে।

পিছদিনা ধুবী ৰাজসভাত উপস্থিত হৈ ক'লেহি যে ৰাজঘোষণাৰ সঁহাৰিত তেওঁ

উপস্থিত হৈছেহি। এজন বিষয়াই তেওঁক সম্রাটৰ ওচৰলৈ লৈ গ'ল। ধুবীয়ে মূৰ দোঁৱাই ভূমি স্পৰ্শ কৰিলে। সম্রাটক শ্ৰদ্ধা নিবেদন কৰিলে আৰু অপেক্ষা কৰিলে। "শ্বাহেনশ্বাহ, মই ঘোষণাটো শুনিছো। মই এবুকু নদীৰ পানীত এটা নিশা কটাবলৈ সাজু আছো।" ধুবীৰ কথাত কোনো দ্বিধাবোধ নাছিল।

"ভাল কথা," সম্রাটে বিষয়াজনলৈ ঘূৰি চালে আৰু প্ৰয়োজনীয় যা-যোগাৰ কৰিবলৈ ক'লে। নৈৰ ঘাটত পহৰা দিবলৈ দুজন প্ৰহৰী বাচনি কৰা হ'ল। তেওঁলোকক কোৱা হ'ল ধুবী গোটেই নিশাটো যাতে পানীত থাকে তাক নিশ্চিত কৰিবলৈ। দুই প্ৰহৰীয়ে হুমুনিয়াহ কাঢ়িলে। ইমান এটা ঠাণ্ডাৰ নিশা তেওঁলোকৰ কোনো বিকল্প নাছিল। সম্রাটৰ আদেশ মানিবই লাগিব। সন্ধিয়া, প্ৰহৰীকেইজনে ধুবীক ঘাটলৈ লৈ গ'ল। প্ৰহৰীজনে কেইবাতৰপৰ গৰম কাপোৰ পিন্ধি আছিল। নদীৰ ঘাটৰ এঠাইত দুয়ো অৱস্থান গ্ৰহণ কৰিলে।

কঁকালত সৰু এটুকুৰা কাপোৰৰ বাহিৰে ধুবীয়ে নিজৰ বাকী কাপোৰ খুলি পেলালে। বতাহত কঁপা গছৰ পাতৰ দৰে তেওঁ কঁপি উঠিল। এক মুহূৰ্ত্তৰ বাবে তেওঁ ভাবিলে, তেওঁ নিজৰ প্ৰাণৰ লগত ধেমালি কৰা নাইতো! কিন্তু নিজৰ পৰিকল্পনা পৰিহাৰ কৰিবলৈ এতিয়া আৰু সময় নাই। "এশটা মোহৰ!" তেওঁ নিজকে নিজে ক'লে। "এৰাতি কষ্ট ভোগাৰ বাবে মই এশটা মোহৰ পাম!" এই চিন্তাই তেওঁক সাহস দিলে। তেওঁ পানীৰ মাজেদি আগবাঢ়ি গ'ল আৰু এঠাইত বুকুলৈকে ডুব যোৱা পানীত তেওঁ থিয় হৈ ৰ'ল।

প্ৰহৰীৰ তীক্ষ্ণ দৃষ্টি অব্যাহত থাকিল। সেই ৰাতি আকাশ মুকলি আছিল। লাখ লাখ তৰাই আকাশত শোভা কৰিছিল। ঠাণ্ডা বতাহজাকে হাড়লৈকে কপাই দিছিল। ৰাতি যিমানে গভীৰ হৈ আহিল, ঠাণ্ডাৰ প্ৰকোপ সিমানে বাঢ়ি আহিল। ধুবীয়ে ভাবিলে এই ৰজনী অনন্ত, "হে প্ৰভু, ৰাতি পুৱাব কেতিয়া!" তেওঁ প্ৰাৰ্থনা কৰিলে।

কিন্তু প্ৰভুৱে ইমান সোনকালে তেওঁৰ প্ৰাৰ্থনা শুনাৰ আশা নাই। এই পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ তেওঁক এটা সাৰথি লাগে যিটোৱে তেওঁৰ মনটো আনফালে ব্যস্ত কৰি ৰাখিব পাৰে। অদূৰত জ্বলি থকা এটা লেমৰ শিখাত তেওঁৰ দৃষ্টি নিবদ্ধ হ'ল। প্ৰাসাদৰ চালৰ ওপৰত সেই লেমটো জ্বলি আছিল। "আহ, দূৰৰ সেই লেমটোৰপৰাও মই উম পাইছো," তেওঁ নিজকে সান্ত্বনা দিলে। লেমটো আৰু তাৰ উমৰ কথা ভাবি ভাবি মানুহজনে নিজৰ মনোবল

বঢ়াব পাৰিলে। পানী যে ইমান ঠাণ্ডা সেই কথা তেওঁ পাহৰিয়েই গ'ল। তেওঁৰ আৰু ঠাণ্ডা নলগা হ'ল। প্ৰভাতক আদৰণি জনাই এটা কাউৰীয়ে কা কা নকৰালৈকে তেওঁ পানীত সোমাই থাকিল।

ধুবীয়ে মন কৰিলে অন্ধকাৰ আঁতৰি গৈছে। তেওঁৰ কষ্টৰ অৱসান ঘটিছে।

ঘাটত থকা প্ৰহৰীয়ে চিঞৰিলে, "হৈছে হৈছে ওলাই আঁহা। তুমি এতিয়া এশটা মোহৰ গ্ৰহণ কৰিবলৈ সাজু হোৱা।"

ধুবী পাৰলৈ উঠিল, এখন গামোছাৰে নিজৰ তিতা গাটো মোহাৰিলে, ততাতৈয়াকৈ নিজৰ উৰ্ণৰ কাপোৰবোৰ পিন্ধি ল'লে আৰু প্ৰহৰী-দুজনৰ লগত ৰাজপ্ৰাসাদলৈ আগবাঢ়িল। দলটো ৰাজসভালৈ সোমাই আহিল। বীৰবল আৰু আন কেইজনমান সভাসদ সম্ৰাটৰ লগত বহি আছিল।

"শ্বাহেনশ্বাহ, এই মানুহজন গোটেই নিশাটো এবুকু দ পানীত থিয় দি থাকিল," তেওঁলোকে ঘোষণা কৰিলে।

সম্ৰাটে কথাটো বিশ্বাস কৰিবলৈ টান পালে। তেওঁ ভাবিলে মানুহজনে নিশ্চয় কিবা বুদ্ধি কৰি ঠাণ্ডাৰপৰা গা বচাই থাকিল। তেওঁ আগবাঢ়ি আহি সুতীব্ৰ কণ্ঠেৰে সুধিলে, "কোৱা, তুমি কেনেকৈ ঠাণ্ডাৰপৰা বাচি থাকিলা?"

"শ্বাহেনশ্বাহ, প্ৰাসাদৰ চালৰ ওপৰত জ্বলি থকা এটা লেমে মোক উমাল অনুভূতি দিছিল।" ধুবীৰ সৰল উত্তৰ আহিল।

"অ', লেমটোৱে তোমাক গৰম দিছিল। তাৰমানে তুমি বাহিৰৰপৰা সহায় লৈছিলা। গতিকে তুমি পুৰস্কাৰ পোৱাৰ অযোগ্য।"

ধুবীৰ মুখ শেঁতা পৰিল। লগতে বীৰবলৰো। কিন্তু বীৰবলে এটা শব্দও উচ্চাৰণ নকৰিলে। মূৰ দোঁৱাই ৰাজসভাৰপৰা ওলাই যোৱা ধুবীক দেখি বীৰবলৰ অন্তৰে হাঁহাকাৰ কৰি উঠিল। বীৰবলে মন কৰিলে মানুহজনৰ মূৰত যেন আকাশী সৰগহে ভাগি পৰিছে। পুৰস্কাৰৰ আশাত মানুহজনে এই প্ৰবল শীত উপেক্ষা কৰিলে। কিন্তু নিষ্ঠুৰ নিয়তিয়ে তেওঁৰ আশাৰ থুনুকা ঘৰটো থানবান কৰি দিলে।

বীৰবলে অনুভৱ কৰিলে এয়া ভীষণ অন্যায় হৈছে। তেওঁ অঙ্গীকাৰ কৰিলে মানুহজনক ন্যায় প্ৰদান কৰিবলৈ সম্ৰাটক বাধ্য কৰোৱা হ'ব।

পিছদিনা বীৰবলে ৰাজসভালৈ এটা বাৰ্তা পঠিয়ালে। ঘৰত এটা জৰুৰী কামত ব্যস্ত থাকিবলগীয়া হোৱাৰ বাবে তেওঁ আজি ৰাজসভাত উপস্থিত থাকিব নোৱাৰিব।

"জৰুৰী কাম! সম্ৰাটক সেৱা কৰাতকৈ

তেওঁৰ আন কি জৰুৰী কাম থাকিব পাৰে?" সম্রাটে ভোৰভোৰালে।

বীৰবলক ঈৰ্ষা কৰা কেইজনমান সভাসদ আনন্দিত হ'ল। তেওঁলোকে ভাবিলে, "এই-বাৰ ফৰিঙৰ মৰণ ঘটিব।"

সম্রাটে বীৰবলক লৈ আনিবলৈ এজন প্ৰহৰী প্ৰেৰণ কৰিলে। প্ৰহৰীজনে দৌৰি গৈ বীৰবলক সম্রাটৰ বাৰ্তাটো দিলেগৈ।

বীৰবলে ক'লে, "অ' হ', যোৱা বাদশ্বাহক কোৱাগৈ যে মই খিচিৰি বন্ধাত ব্যস্ত আছো। সেইখিনি বন্ধা হ'লেই মই সম্রাটৰ ওচৰলৈ যাম।"

প্ৰহৰীজনে বীৰবলে কোৱা কথাখিনি হুবহু সম্রাটক ক'লেহি। "মূৰ্খ কৰবাৰ!" সম্রাট গৰজি উঠিল। হঠাতে সম্রাটৰ মনত কিবা সন্দেহ হ'ল, "এই মানুহটোৱে নিশ্চয় কিবা দুষ্টালি কৰিব খুজিছে। নিজেই গৈ তেওঁক হাতে লোটে ধৰা পেলাওঁগৈ।" সম্রাট উঠি থিয় হ'ল।

এটা ৰাজকীয় ঘোঁৰাত সম্রাট উঠি ল'লে। তেওঁৰ পাছে পাছে ঘোঁৰাত উঠি আহিল সভাসদৰ এটা দল। সোনকালেই দলটো বীৰবলৰ ঘৰ পালেহি। তেওঁলোকে ঘৰৰ চোতালতে বীৰবলক লগ পালে। তেওঁ এডাল দীঘল শকত লাঠিৰে শুকান খৰিৰ জুই একুৰা খুচি আছিল। প্ৰায় তিনি ফুট মান দূৰত তিনিডাল খুটীৰ ওপৰত উঠাই থোৱা হৈছিল এটা ডাঙৰ মাটিৰ পাত্ৰ।

বীৰবলে হাতৰ লাঠিডাল মাটিত পেলাই সম্রাটৰ ফালে আগবাঢ়ি গ'ল। মূৰ দোঁৱাই ভূমি স্পৰ্শ কৰি তেওঁ সম্রাটক শ্ৰদ্ধা জনালে। তাৰপাছত তেওঁ অপেক্ষা কৰিলে সম্রাটে কি কয় শুনিবলৈ।

ভাৰতৰ বিষয়ে জানি লোৱা

এই মাহৰ বিষয় হ'ল ক্ৰীড়া জগত

১. কেতিয়া আৰু ক'ত ভাৰতত প্ৰথমবাৰৰ বাবে আনুষ্ঠানিকভাৱে ক্ৰিকেট খেলা হৈছিল?
২. ৰঞ্জী ট্ৰফী কেতিয়াৰেপৰা আৰম্ভ হয়? প্ৰথম ৰঞ্জী টুৰ্ণামেন্টৰ চূড়ান্ত বিজয়ী কোন আছিল?
৩. 'ৱাইজদেন' পত্ৰিকাই সন্মান জনোৱা প্ৰথমজন ভাৰতীয় ক্ৰিকেটাৰ কোন আছিল?
৪. ডুৰাণ্ড কাপ জয় কৰা প্ৰথম ভাৰতীয় দলটো কোন আছিল? কেতিয়া?
৫. কোন চনত ভাৰতে এচীয় ফুটবল চেম্পিয়নশ্বিপত স্বৰ্ণ পদক লাভ কৰিছিল?
৬. কেতিয়া আৰু ক'ত এচীয়ান গেমছ আৰম্ভ হৈছিল? কোনে আগভোগ লৈছিল?
৭. কাক "হকীৰ যাদুকৰ" বোলা হয়?
৮. প্ৰথম অৰ্জুন বঁটা বিজেতাগৰাকীৰ নাম কি?

(উত্তৰ ৬৬ পৃষ্ঠাত)

চান্দমামাক নিজৰ কৰি লোৱা!

তুমি তোমাৰ বাতৰি কাকত দিয়া মানুহজনক চান্দমামা নিয়মীয়াকৈ দিবলৈ অনুৰোধ কৰা। সাধাৰণ নিউজষ্টেণ্ড বা প্ৰধান কিতাপৰ দোকানতো চান্দমামা পোৱা যায়। চান্দমামা পাবলৈ **www.chandamama.com**লগ অন কৰা বা **CSHOP** বুলি **54646** লৈ **SMS** কৰা।

"বীৰবল, তুমি কি কৰি আছা?"

"শ্বাহেনশ্বাহ, মই খিচিৰি ৰান্ধিছো। সেই তিনিটা খুটিৰ ওপৰত পাত্ৰটোতে আছে চাউল আৰু দাইল।

"কিন্তু পাত্ৰটোৰ তলততো জুই নাই," সম্ৰাটৰ মাত ডাঙৰ হৈ আহিল।

"জুই কুৰা আছে সৌ তাত," তিনি ফুটমান দূৰত জ্বলি থকা জুইকুৰালৈ আঙুলিয়াই দি বীৰবলে ক'লে।

"পাত্ৰটোৱে জুইৰ তাপ নাপালে চাউল আৰু দাইল সিজিব কেনেকৈ?" সম্ৰাটে সুধিলে।

বীৰবলে কেৱল মিচিকিয়াই হাঁহিলে।

"এটা হাঁহি মোৰ প্ৰশ্নৰ উত্তৰ হ'ব নোৱাৰে," সম্ৰাটে খঙত গৰজি উঠিল, "কোৱা মোক জুইকুৰা ইমান দূৰত থাকিলে পাত্ৰটোৰ চাউল আৰু দাইল সিজিব কেনে-কৈ?"

"শ্বাহেনশ্বাহ, আপুনিয়েই মোক শিকাই-ছিল যে জুইৰ তাপ বহুত দূৰলৈকে যাব পাৰে," বীৰবলে কথাটো কৈ মূৰ খজোৱালে।

"তুমি মোৰপৰা শিকিলা?" সম্ৰাট আচৰিত হ'ল।

"হয় আপুনিয়েই শিকাইছে, শ্বাহেনশ্বাহ। আপুনি কৈছিল যে হিমশীতল পানীত থিয় হৈ থকা ধুবীয়ে প্ৰাসাদৰ চালৰ ওপৰত জ্বলি থকা লেমৰ শলিতাৰপৰা তাপ পাইছিল।" বীৰবলেৰ ক'লে।

"অ' বুজিছো," বীৰবলে কি ক'ব খুজিছে সম্ৰাটে বুজি পালে। প্ৰহৰীৰ ফালে ঘূৰি সম্ৰাটে ক'লে, "যোৱা সেই ধুবীজনক বিচাৰি আনাগৈ। তেওঁ মই ঘোষণা কৰা পুৰস্কাৰ লাভ কৰিব।"

"শ্বাহেনশ্বাহ, এতিয়া যিহেতু ন্যায় প্ৰদান কৰা হৈছে, পাত্ৰটোৰ সৈতে তিনিটা খুটি জুইকুৰাৰ ওচৰলৈ নিয়া হ'ব," বীৰবলে হাঁহি মাৰি ক'লে। সম্ৰাট আৰু আন সকলোৱে হাঁহিলে। আনকি এইবাৰ বীৰবলক ঈৰ্ষা কৰা বিষয়াকেইজনেও নহহাঁকৈ থাকিব নোৱাৰিলে।

-আৰ কে মূৰ্ত্তি

সন্ন্যাসী-২

এই ঘটনাৰ পাছৰেপৰাই মহাজনকৰ মনত সন্ন্যাসী হোৱাৰ প্ৰবল আকাংখ্যা জাগিল। ৰাজপ্ৰাসাদত থাকিও তেওঁৰ মনৰপৰা সমস্ত আনন্দ, সুখ আদিৰ অনুভূতি নোহোৱা হৈ পৰিল। চাওঁতে চাওঁতে এইদৰে চাৰিমাহ পাৰ হ'ল।

মহাজনকে ৰাজপ্ৰাসাদৰ লিগিৰা এজনক গৈৰিকবস্ত্ৰ আৰু মাটিৰ পাত্ৰ লৈ আহিবলৈ আদেশ দিলে। তাৰ পাছত মহাজনকে তেওঁৰ একান্ত বিশ্বাসী নাপিতক মতাই অনাই মূৰৰ চুলি খুৰাই পেলালে।

আৰু পাছদিনা, গৈৰিকবস্ত্ৰ পিন্ধি, মাটিৰ পাত্ৰ সোঁ হাতত লৈ, বাওঁ হাতত লাঠি এডাল লৈ মহাজনক ওলাই যাবলৈ ধৰিলে। ৰজা মহাজনক যে সন্ন্যাসী হৈ ৰাজসুখ পৰিত্যাগ কৰি ওলাই গ'ল ৰাজপ্ৰাসাদ এৰি—তেতিয়াহে গম পালে সকলোৱে। ৰাণী শিৱালীয়ে অন্যান্য ৰাণীকো লগত লৈ সন্ন্যাসীৰূপী ৰজাক লগ ধৰি ৰাজপ্ৰাসাদলৈ উভতি আহিবলৈ অনুৰোধ কৰিলে, কিন্তু ৰাণীৰ এই প্ৰচেষ্টাৰ একো ফল নহ'ল।

ৰাণী শিৱালীয়ে সেনাপতিক মতাই অনাই ৰাজধানীৰ বিভিন্ন অঞ্চলত জুই লগাবলৈ ক'লে। সেনাপতিয়ে ৰাণীৰ আদেশ আখৰে আখৰে পালন কৰাত মিথিলা নগৰীৰ বিভিন্ন অঞ্চলত জুই জ্বলি উঠিল। তেতিয়া শিৱালী-দেৱীয়ে সন্ন্যাসীৰূপী ৰজাক ক'লেগৈ, "মহাৰাজ, আপোনাৰ পৰমপ্ৰিয় মিথিলা নগৰীৰ চাৰিও-ফালে জুই জ্বলিছে। আপুনি মিথিলাক ৰক্ষা নকৰিলে কোনেনো কৰিব?"

"ৰাণী, মোৰ এতিয়া একো নাই। যাৰ একো নাই, তাৰ হেৰুৱাবলগীয়াও একো নাথাকে?" এই বুলি কৈ মহাজনক মিথিলানগৰী অতিক্ৰম কৰি গুচি গ'ল। কিন্তু তথাপি ৰাণী শিৱালী আৰু প্ৰজাসকল মহাজনকৰ পিছে পিছে গৈয়েই থাকিল। হঠাৎ মহাজনকে ঘূৰি

জাতক কথা

থিয় হৈ প্ৰজাসকললৈ চাই সুধিলে, "এই নগৰৰ সৰ্বেসৰ্বা কোন কোৱাচোন।"

প্ৰজাবৰ্গই একেলগে একেবাক্যে কৈ উঠিল, "আপুনি, মহাৰাজ, আপুনি এই নগৰৰ সৰ্বেসৰ্বা"

"যদি সেয়ে হয়, তেনেহ'লে এই চিন পাৰ হৈ কোনো আগুৱাই নাহিবা।" এই বুলি কৈ মহাজনকে বাটত পথালিকৈ চিন অৰ্থাৎ আঁচ এটা আঁকি দি, নিজে আগুৱাই গৈ থাকিল। এজন প্ৰজায়ো এই চিন পাৰ হৈ যাবলৈ সাহস নকৰিলে। ৰজাৰ আদেশ অমান্য কৰা যায় কেনেকৈ?

ৰাণী শিৱালীয়ে তেওঁৰ স্বামীৰ চৰণত ধৰি ক'লে, "প্ৰজাসকলে যে ইমানতে দৌৰি আহিছে, আপোনাক ওভোতাই লৈ যাবলৈ যে আহাৰ নিদ্ৰা বিসৰ্জন দিছে, তথাপি আপোনাৰ প্ৰাণত তাৰ একো প্ৰতিক্ৰিয়া হোৱা নাইনে? আপোনাৰ দৰে প্ৰজাবৎসল ৰজাই এনেকুৱা কৰিব পাৰে বুলি মই সপোনতো ভাবিব পৰা নাছিলো।"

"ৰাণী, মই সকলো আৰু সকলোকে ত্যাগ কৰি আহিছোঁ। কেৱল তেওঁলোকক বা তোমাক নহয়, মই মোৰ বন্ধু, বান্ধৱ, আত্মীয় স্বজন, দেশ নগৰ—সকলো ত্যাগ কৰি গুচি যাবলৈহে ওলাইছোঁ।" মহাজনকে ক'লে।

"আপুনি মোকো পৰিত্যাগ কৰি গুচি যায় যদি—মোৰ কি অৱস্থা হ'ব? মোক কোনে ৰক্ষা কৰিব?" ৰাণীয়ে পৰম আকুলতাৰে মহাজনকক সুধিলে।

"তোমাৰ পুত্ৰৰ যোগেদি তুমি দেশ শাসন কৰি থাকাঁ। পুত্ৰই যাতে কোনোদিনে পাপ কাৰ্য্য নকৰে, তালৈ তুমি অহৰ্নিশে লক্ষ্য ৰাখিবা।" এনেবোৰ বাক্যালাপ কৰি থাকোঁতেই বেলি মাৰ গ'ল। বাধ্যত পৰি সেই অঞ্চলতে ৰাণী আৰু প্ৰজাবৰ্গয়ো ৰাতি কটালে। ৰাতিপুৱা মহাজনকে পুনৰ খোজ ল'লে। ৰাণীয়ে তেওঁৰ স্বামী মহাজনকৰ লগে লগে খোজ কাঢ়ি আছিল। আৰু এইদৰে বাটকুৰি বাই তেওঁলোকে আন এখন নগৰ পালেগৈ।

এই নগৰৰ প্ৰৱেশদ্বাৰত কেইটিমান শিশুৱে খেলি আছিল। এজনী ছোৱালীয়ে কিবা যেন কৰি আছিল। তাইৰ এহাতত আছিল দুডাল চুৰী, আৰু আন হাতখনত আছিল এডাল চুৰী। যিখন হাতত দুডাল চুৰী আছিল, সেইখন হাতৰপৰা ৰুণজুনকৈ শব্দ উঠি আছিল।

মহাজনকে আচৰিত হৈ সেই সৰু

ছোৱালীজনীক সুধিলে, "তোমাৰ ইখন হাতত শব্দ উঠা নাই; সিখন হাতত শব্দ উঠিছে কিয়?"

ছোৱালীজনীয়ে ক'লে, "এডাল চুৰী থকা হাতখনত কোনো শব্দ উঠা নাই; কিন্তু দুডাল চুৰী থকা হাতত শব্দ উঠিছে। এই শব্দ অৰ্থহীন।"

মহাজনকে শিৱালীদেৱীক ক'লে, "ছোৱালীজনীয়ে কোৱা কথাষাৰ শুনিলানে? অন্য চুৰী এডাল থকা কাৰণেহে হেনো অৰ্থহীন শব্দ উঠিছে। তুমি মোৰ লগতে থাকা যদি, তেনেহ'লে ছোৱালীজনীৰ কথাৰ অৰ্থ তুমি ধৰিব পৰা নাই বুলিহে ভাবি ল'ব লাগিব।"

ৰাণীয়ে আন একো নকৈ মহাজনকক আগবাঢ়ি যাবলৈ দিলে। কিন্তু পাছমুহূৰ্ত্ততে পুনৰ স্বামীৰ লগে লগে গৈ থাকিল। কিছুদূৰলৈ আগুৱাই যোৱাৰ অন্তত এঠাইত এখন কমাৰশালত কমাৰে এটা চকু মুদি বনাবলৈ ধৰা কাঁড় এটালৈ বাৰে বাৰে লক্ষ্য কৰি আছিল।

মহাজনকে কমাৰক সুধিলে, "হেৰাহে, তোমাৰ দুটা চকুৰেই আছে দেখোন। তেনেহ'লে--এটা চকু মুদি কাঁড়পাট চাই আছানো।কিয়? বেয়া নোপোৱা যদি তুমি মোক ইয়াৰ কাৰণটো অনুগ্ৰহ কৰি ক'বানে?

"কাঁড়পাট পোন হ'লনে নাই—সেই কথা দুটা চকুৰে চালে বুজি পাম কেনেকৈ? সঠিককৈ দেখাৰ বাবেহে এটা চকু মুদি দিব লাগে।" কমাৰে ক'লে।

তেতিয়াহে ৰাণীয়ে গভীৰভাৱে উপলব্ধি কৰিলে যে ৰজাক মিথিলালৈ ওভোতাই লৈ যোৱাৰ আশা আৰু নাই। এই কথা ভাবি ভাবি হঠাৎ ৰাণী শিৱালী শোকাবিহ্বল হৈ মূৰ্চ্ছিতা হৈ পৰিল।

অলপ সময়ৰ পাছত প্ৰজাবৰ্গই ৰাণীৰ চেতনা ঘূৰাই আনিলে। চেতনা ঘূৰাই পোৱাৰ পাছত ৰাণী শিৱালী পুনৰ মিথিলানগৰীলৈ উভতি আহিল আৰু তেওঁ তেওঁৰ পুত্ৰ দীৰ্ঘায়ুক ৰজা পাতি দেশ-শাসনৰ দায়িত্ব দিলে। ৰাণী শিৱালীয়ে নিজৰ কাৰণে উদ্যানত এটা পঁজাঘৰ সাজি সেই কুটীৰত তাপসীৰ জীৱন যাপন কৰিবলৈ ধৰিলে।

মহাজনক হিমালয়লৈ গ'ল। হিমালয়ত দীৰ্ঘকাল ধৰি কঠোৰ তপস্যা কৰি মহাজনকে সিদ্ধি লাভ কৰিছিল।



থলুৱা আমেৰিকানৰ লোককাহিনী

মহক্‌সকলৰ ওপৰত চলা বিৰাট আক্ৰমণ

বহুদিন আগেয়ে উত্তৰ আমেৰিকাৰ পেনবস্কট গাঁৱৰ ৰাবানাকি জনজাতি আৰু মহক্‌সকলৰ মাজত সঘনাই তয়াময়া সংঘৰ্ষ লাগিছিল। এবাৰ মহক্‌সকলে পেনবস্কট গাঁও আক্ৰমণ কৰি মেনাগন নামৰ এজনী ছোৱালীক অপহৰণ কৰি নিয়ে। এদিন তাই মাকৰ পথাৰেদি খৰি কটিয়াই গৈ থাকোতে মাটিত পৰি থকা এডাল বগা আৰু বেঙুনীয়া ৰঙৰ পেটী মন কৰিলে। সাধাৰণ অৱস্থাত থকা এগৰাকী মহিলাই এনেকৈ এডাল পেটী পৰি থকা দেখিলে হয়তো মুঠেই উদ্বিগ্ন নহলহেঁতেন। কিন্তু এইডাল দেখোন তাই স্বামী পুলৰক বৈ দিয়া পেটী।

মেনাগনে বুজি পালে তাইক এটা বাৰ্তা দিবলৈকে পুলৰই পেটীডাল এনেকৈ পেলাই থৈ গৈছে। হয়তো তেওঁ আশা কৰিছে যি ঠাইত পেটীডাল পোৱা গৈছে সেই ঠাইতে মেনাগনে তেওঁৰ বাবে অপেক্ষা কৰিব। মেনাগণে আনন্দতে জঁপিয়াবলৈ ধৰিলে। কিন্তু শিবিৰৰ ওচৰ পোৱাৰ লগে লগে তাই মুখখনত এটা দুখৰ ভাব দেখুৱালে যিটো ভাব এজন অসুখী কাৰাবন্দীৰ মুখত দেখা যায়। মহক্‌সকলে কিবা সন্দেহ কৰাটো তাই কামনা কৰা নাছিল।

মেনাগনে দুৱাৰমুখতে দুখ মনে বহি থাকিল। সোনকালেই আন্ধাৰ নামি আহিল আৰু মহক্‌সকলে শুবলৈ যোৱাৰ যো-জা কৰিলে। মেনাগনে ভাবিলে পলাবলৈ সহজ হ'ব কিয়নো মেহক্‌সকলে ৰাতি কেতিয়াও প্ৰহৰী নাৰাখে। ঠিক সেই সময়তে, এটা চিঞৰ বাখৰ শুনা গ'ল। মেনাগনৰ হিয়া ফাটি যোৱাৰ উপক্ৰম হ'ল যেতিয়া তাই দেখিলে ছডন মহক্ যোদ্ধাই পুলৰ আৰু তেওঁৰ ভ্ৰাতৃক টানি আনিছে। মেনাগনৰ আগেদি পাৰ হৈ যাওঁতে পুলৰই তাইক চিনি পোৱাৰ কোনো লক্ষণ নেদেখুৱালে। তাইও তেওঁক চিনি নোপোৱাৰ ভাও জুৰিলে।

মহক্‌সকলৰ অধিপতিয়ে সোনকালেই তাইক মাতি পঠিয়ালে। "এই মানুহ কেইটাই এটা ৰাবানাকি দোৱানত কথা পাতে। তুমি সিহঁতৰ লগত কথা পাতিব পাৰা। সিহঁতে ইয়াত কি কৰি আছে সোধা আৰু সিহঁতৰ লগত কোনোবা আছে নেকি সোধা।" তাইক কোৱা মতে মেনাগনে কাম কৰিলে। এটা

তাচ্ছিল্যৰ হাঁহি মাৰি পুলৱই উত্তৰ দিলে। "চাৰিদিন আগতে মহক্সকল আমাৰ গাঁৱলৈ আহিছিল। আমিও তাৰ বিনিময়ত কৃতজ্ঞতা জনাও বুলি আহিলো।" মেনাগনে কথাটো জনোৱাৰ লগে লগে মহকসকল অস্তস্তিত পৰা যেন লাগিল কিয়নো জনজাতিসকলে এনেকৈ অকোৱা পকোৱা কথা কৈ ইয়াকে বজাব খোজে যে তেওঁলোকে প্ৰতিশোধ ল'বলৈ আহিছে।

তাৰপিছত অধিপতিয়ে মেনাগনক আদেশ দিলে যে এই যোদ্ধাৰ দলত কিমানজন মানুহ আহিছে আৰু সিহঁতে ক'ত শিবিৰ পাতিছে সেই কথা সুধিব লাগে। পুলৱই তাৰ উত্তৰ দিবলৈ অস্বীকাৰ কৰিলে। অধিপতিয়ে তেওঁৰ মানুহখিনিক সিহঁত দুটাক কাঠৰ বোজাৰ লগত বান্ধি ৰাখিবলৈ আদেশ দিলে আৰু পিছদিনা পুৱা তেওঁ নিজেই কাৰাবন্দীহঁতৰ সৈতে কথা পাতিব বুলি জনালে। মহক্সকলৰ লগত ওলাই আঁহোতে মেনাগনৰ ভাব হ'ল ডিঙিত কিবা এটা লাগি ধৰিছে। পুলৱ আৰু তেওঁৰ ভায়েক অকলেই আহিছে বুলি তাই ভয় খালে। সূৰ্য উদয়ৰ আগতে যোদ্ধাৰ দলে আহি মহক্সকলৰ ওপৰত আক্ৰমণ চলাব নোৱাৰিলে সিহঁত দুটাৰ ভৱিষ্যত অন্ধকাৰ।

মেনাগন আকৌ এবাৰ দুৱাৰডলিত বহি ৰ'ল, এইবাৰ তাইৰ আঙুলিকেইটা কঁপিছে। তাইৰ সোঁকাণৰ ওচৰত এটা মহে আহি গুণগুণালেহি। মেনাগনে বাৰে বাৰে মহটো খেদি দিব খুজিলে কিন্তু এবি দিব নোখোজা মহটোৱে তাইৰ বাঁওকাণৰ ওচৰলৈ উৰি আহি ক'লে, "মেনাগন, মই তোমাক সহায় কৰিবলৈ আহিছো। মই যেনেকৈ কওঁ কৰা আৰু তোমালোক তিনিওটাই মুক্তি লাভ কৰিব পাৰিবা!" এটা মহে কথা কোৱা দেখি মেনাগন আচৰিত হ'ল, কিন্তু তাইক যেনে তেনে হ'লেও সহায় লাগে লাগিলে সেই সহায় এটা কণমানি মহৰপৰাই নাহক কিয়! মহটোৱে ক'লে, "যোৱা আৰু মহক্সকলৰ কোমল চামৰাৰ জোতাবোৰ সংগ্ৰহ কৰি লুকুৱাই থোৱাগৈ। আটাইবোৰ দুৱাৰ মুখতে তাঁৰ বান্ধি দিয়াগৈ তাৰপাছত বন্দীসকলক মুকলি কৰি দিয়াগৈ। সিহঁতক গেটৰ ওচৰলৈ যাবলৈ

তোমাৰ চান্দমামা কেনেকুৱা লাগে

আলোচনীখনৰ তুমি আটাইতকৈ ভালপোৱা কাহিনী কোনটো?

(a) পৌৰাণিক কাহিনী, (b) কমিক্‌চ (c) ধাৰাবাহিক

RYC <a/b/c> এই ৰূপক তুমি তোমাৰ এচএমএচ ৫৪৬৪৬ লৈ পঠিওৱা।

কোৱা আৰু এটা ডাঙৰ চিঞৰৰ বাখৰ কৰা। জুইবোৰত পানী ঢালি দিয়া। তাৰপাছত গৈ তেওঁলোকক লগ ধৰাগৈ।

মেনাগনে হাতত সাৰে ভৰিত সাৰে জুপুৰী-বোৰত প্ৰবেশ কৰিলে, জোতাবোৰ সংগ্ৰহ কৰিলে আৰু হৰিণাৰ ছালৰ এটা জাপৰ তলত লুকুৱাই থ'লে।

প্ৰতিখন দুৱাৰতে তাই কেঁচা চামৰাৰ ৰছী বান্ধি দিলে আৰু মজিয়াত জোঙা শিলগুটি ঢালি দিলে। তাই নিশব্দে বন্দীদুজনৰ ওচৰলৈ গ'ল আৰু কাণে কাণে তাইৰ পৰিকল্পনাৰ কথা ক'লে। তাৰপাছত তাই অলপ পানী লৈ এফালৰপৰা জুইবোৰ নুমাই গ'ল। নুমাই যোৱা জুইৰ শব্দত মহকসকল যাৰ পালে আৰু মেনাগন খৰখেদাকৈ বাহিৰলৈ ওলাই আহিল। ইফালে পুলৰ আৰু তেওঁৰ ভ্ৰাতৃয়ে খৰিৰ মুঠাৰপৰা ডাঙৰ ডাঙৰ লাঠি তুলি ল'লে আৰু সমুখত যিহকে পায় লাঠীৰে মৰিয়াই মৰিয়াই ডাঙৰকৈ চিঞৰ মাৰিলে। ভয়াৰ্ত্ত ল'ৰা ছোৱালীৰ কান্দোন আৰু কুকুৰৰ ভুক্‌ভুকনিয়ে চিঞৰ বাখৰ আৰু বঢ়াই তুলিলে। এনে লাগিল যেন সেনাৰ এটা বিৰাট দলে আক্ৰমণ কৰিছেহি।

নিজৰ জোতাবোৰ বিচাৰি মহক-সকলে ইফালে সিফালে দৌৰিলে। দুৱাৰমুখলৈ আহি আটাইবোৰ উজুতি খাই পৰিল। ইফালে মজিয়াৰ জোঙা শিলবোৰে ভৰিত বেয়াকৈ বিন্ধাত মানুহবোৰে অসহ্য বিষত নাচিবলৈ ধৰিলে। নিশাটো আছিল গভীৰ অন্ধকাৰৰ নিশা আৰু অভাৱনীয় বিভ্ৰান্তিৰ বাবে মহক্‌সকলে ইজনে সিজনক প্ৰহাৰ কৰিবলৈ ধৰিলে। বহুত মানুহে আঘাত পালে। বহুত দৌৰি গ'ল মূল জপনাৰ ফালে, কিন্তু মেনাগন আৰু বাকী দুজন সাজু হৈয়েই আছিল। ধ'ম! প্ৰতিজন মহকৰ মূৰত পৰিল একোটা কোব আৰু সিহঁতে চকুৰে সৰিয়হ ফুল দেখিলে। তাৰপাছত তিনিও সিহঁতৰ নাৱলৈ গ'ল আৰু সিহঁতৰ গাঁৱৰ ফালে বধ মাৰি আগবাঢ়িল। পিছত মহক্‌সকল কেঁকাই গেথাই উঠিল আৰু জীৱনটো কোনোমতে ৰক্ষা পৰাত সন্তোষ পালে। পেনবস্কটৰ দুৰ্ধৰ্ষ সেনাৰ লগত যুঁজি ৰক্ষা পোৱাৰ বাবে সিহঁতে ইজনে সিজনক অভিনন্দন জনালে। কোনেও নাজানিলে সেই তথাকথিত সেনাবাহিনীত আছিল মুঠেই তিনিজন সৈনিক।

এতিয়া তুমি ছাগৈ গোটেই কাহিনীটোত মহটোৱে লোৱা ভূমিকাৰ কথা লৈ সন্দেহ কৰিছা। সেই মহটো আছিল ৱাবানাকি জনজাতিৰ উপাস্য দেৱতা গ্লুচকেপ। তেওঁৰ আছিল যাদুকৰী শক্তি। এটা অকণমানি মহৰ ৰূপ লৈ তেওঁ মহক্‌সকলক বুদ্ধিৰে পৰাভূত কৰাত মেনাগনক সহায় কৰিছিল।

- ৰমা ৰমেশৰ দ্বাৰা পুনৰকথিত

ৰামায়ণ

ৰাৱণ যেতিয়া অশোকবন গৈ পালগৈ, তেতিয়া সীতা মাটিত বহি দুখমনেৰে তেওঁৰ প্ৰিয়তম ৰামৰ কথাই চিন্তা কৰি আছিল। সীতাৰ ওচৰলৈ আহি ৰাৱণে ক'লে, "তুমি যি ৰামক লৈ অহৰ্নিশে গৰ্ব কৰি থাকা, সেই ৰামে যুদ্ধক্ষেত্ৰত ইহলীলা সম্বৰণ কৰিছে। এতিয়া মোৰ পত্নী হোৱাৰ বাহিৰে তোমাৰ হাতত আন কোনো বিকল্প নাই। সেই বেচেৰা ৰাম লগত বানৰসেনা লৈ মোকা নিধন কৰিবলৈ উত্তৰৰ সমুদ্ৰপাৰলৈ আহিছিল। সকলো ভাগৰে জোগৰে শুই থাকোতে আমাৰ গুপ্তচৰসকলে গৈ সকলো চাই আহিছিল। তেতিয়া আমাৰ প্ৰহস্ত, লগত ৰাক্ষস সেনা লৈ তালৈ গ'ল আৰু বাণৰ বৰষুণ দিবলৈ ধৰিলে, আৰু নিদ্ৰাৰত অৱস্থাতে ৰামক শিৰচ্ছেদ কৰিলে। লক্ষ্মণ আৰু কেইটামান বানৰ নিজৰ প্ৰাণ কোনোমতে বচাই তাৰপৰা পলায়ন কৰিলে। সুগ্ৰীৱ, হনুমান, জাম্বৱন্ত, অংগদ আদি বানৰবীৰো মৰা পৰিছে।"

ৰাৱণে এক ৰাক্ষস স্ত্ৰীক ক'লে, "বিদ্যুজ্জিহ্বক মাতা, তেওঁ যুদ্ধক্ষেত্ৰৰপৰা ৰামৰ কটা মূৰটো লৈ আহিছে।" বিদ্যুজ্জিহ্বই ৰামৰ কটা মূৰটো আৰু বাণ লৈ আহিল। ৰাৱণৰ আজ্ঞা অনুসাৰে, মূৰটো সীতাৰ সমুখত ৰাখি, তেওঁ তৎক্ষণাৎ পিছ হুহকি আহিল।

সমুখত পৰি থকা মূৰটোত চকু, চুলি, চূড়ামণি আদি দেখি সীতাই ভাবিলে এইটো সঁচাকৈয়ে ৰামৰ মূৰ। ৰামৰ্ মৃত্যু হোৱাৰ প্ৰমাণ স্বচক্ষে দেখি সীতা দুখৰ অথাই সাগৰত পৰিল। সীতাই ৰাৱণক প্ৰাৰ্থনা কৰিলে তেওঁৰো যাতে শিৰচ্ছেদ কৰি তেওঁৰ মূৰটো ৰামৰ মূৰৰ লগত আৰু তেওঁৰ অৱশিষ্ট শৰীৰ

যুদ্ধ কাণ্ড-৫

ৰামৰ অৱশিষ্ট শৰীৰৰ লগত মিলাই দিয়া হয়।

তেনেতে দ্বাৰপালকে ৰাৱণক আহি ক'লেহি যে প্ৰহস্ত আদি মন্ত্ৰীয়ে ৰাৱণৰ দৰ্শন লাভৰ বাবে প্ৰতীক্ষা কৰিছে। ৰাৱণ ৰাজসভালৈ গ'ল, ৰাম যোৱাৰ লগে লগে ৰামৰ মূৰ আৰু বাণও অন্তৰ্দ্ধান হ'ল।

বিভীষণৰ পত্নী সৰমে সীতাৰ ওচৰলৈ আহি সাতীক এইবুলি প্ৰবোধ দিলে, "ৰাম বাণৰসেনা সহিতে সমুদ্ৰ পাৰ হৈ দক্ষিণ উপকূলত আহি উপস্থিত হৈছেহি। এই কথা গম পায়েই ৰাৱণে, মন্ত্ৰীসকলৰ লগত কথা পাতিবলৈ গৈছে। ৰাৱণৰ এই মায়া বিশ্বাস নকৰিবা।"

ৰাৱণে ইফালে ৰাজসভাৰ নিজৰ সেনাপতি-সকলৰ আগত এইদৰে কৈ আছিল, "ৰণশিঙা বজাই ৰাক্ষস সেনাসকলক সাৱধান কৰি দিয়া। তেওঁলোকক আৰু আন একো ক'ব নালাগে," ৰণশিঙাৰ ধ্বনি সীতা আৰু সৰমেও শুনিবলৈ পালে। "দেখিলানে, যুদ্ধৰ বাবে ৰাক্ষস সেনা এতিয়াহে সাজু হৈছে।" সৰমে সীতাক ক'লে। সীতাই তাকে দেখি আশ্বস্ত বোধ কৰিলে।

সৰমে সীতাক ক'লে, "তুমি যদি ইচ্ছা কৰা, তেন্তে মই এই মুহূৰ্ত্ততে গৈ ৰামক ক'বগৈ পাৰো যে তুমি কুশলে আছা। মই যাওঁ নেকি?"

"যদি তুমি মোৰ ইচ্ছাই পূৰা কৰিব খোজা তেন্তে খবৰ কৰি আহাঁগৈ ৰাৱণে কি কৰি আছে?" সীতাই ক'লে।

সৰমে সেই খবৰ আনি সীতাক ক'লেহি, "ৰাৱণক তেওঁৰ মাতৃ আৰু অবিদ্ধু নামৰ এজন বৃদ্ধ মন্ত্ৰীয়ে তোমাক এৰি দিবলৈ বহুত বুজাইছে। কিন্তু ৰাৱণে তেওঁলোকৰ কথা নুশুনিলে, তেওঁ কৈ দিলে জীয়াই থকালৈকে তেওঁ সীতাক এৰি নিদিয়ে। এতিয়া ৰাৱণে তেওঁৰ মন্ত্ৰীসকলৰ লগতে আলাপ আলোচনা চলাই আছে। মুঠৰ ওপৰত, এতিয়া ৰাৱণৰ মৃত্যু অনিবাৰ্য।"

সেই সময়তে বানৰ সেনাৰ চিঞৰ বাখৰ আৰু ওচৰলৈ অহা যেন লাগিল। সেই চিঞৰ বাখৰ শুনি ৰাক্ষসসকলৰ মুখবোৰ শেঁতা পৰি আহিল। ৰাৱণৰ ৰাজসভাৰ সভাসদ সকলেও এই চিঞৰ বাখৰ শুনা পালে।

"ৰাম সমুদ্ৰ পাৰ হৈ অহা কথা শুনি, তেওঁৰ বল-পৰাক্ৰমৰ বিষয়ে কথা শুনি, তোমালোক যে আটায়ে উদ্বিগ্ন হৈছা সেই কথা বুজাত মোৰ অলপো অসুবিধা হোৱা নাই।" ৰাৱণে তেওঁৰ ৰাজসভাৰ সভাসদসকলক ক'লে।

তেতিয়া ৰাৱণক তেওঁৰ মাকৰ ফালৰ আত্মীয় বৃদ্ধ মাল্যৱন্তই ক'লে, "ৰাজন, আচল ৰাজনীতিয়ে সদায়ে ইয়াকেই কয় যে নিজতকৈ দুৰ্বল জনৰ লগত যুদ্ধ কৰিব লাগে আৰু নিজতকৈ অধিক বলৱানজনৰ লগত সন্ধি কৰিব লাগে। তাতে আমি যিহেতু অধৰ্ম কৰিছোঁৱেই আমি আৰু বলহীন হৈ পৰিছো। সেয়েহে আমি ৰামৰ সৈতে সন্ধি কৰা আৰু সীতাক সসন্মানে ৰামৰ হাতত গতাই দিয়াই সমীচিন হ'ব। আমাৰ যুদ্ধৰ কাৰণ সীতাই নহয় জানো? যুদ্ধ আমাৰ বাবেও লাভজনক নহ'ব। তুমি বহুত লোকৰপৰা বৰ লাভ কৰিছা যে আমাৰ মৃত্যু নাই, কিন্তু এতিয়া ইয়ালৈ অহা মনুষ্য, বানৰ, লংগুৰ আৰু ভালুক আদিৰ হাততো তোমাৰ মৃত্যু নহ'ব বুলি কোনেও বৰ দিয়া নাই। আজি ইমানদিনে ইটোৰ পিছত সিটোকৈ অহা অশুভ লক্ষণে আমাৰ চিন্তা আৰু বেছি বঢ়াই তুলিছে।"

এই পৰামৰ্শ শুনি ৰাৱণ খঙত অগ্নিশৰ্মা হ'ল। তেওঁ ক'লে, "বানৰৰ লগত অহা ৰাম মোতকৈ বেছি শক্তিশালী সেই কথা তুমি কি ভিত্তিক ক'ব পাৰিলা? এই ক্ষুদ্ৰ সমুদ্ৰ পাৰ কৰিলে বুলিয়েই ৰাম মহাবলী হৈ উঠিবনে? মই বহুত ভাবি চিন্তি সীতাক অপহৰণ কৰি আনিছিলো—এতিয়া ৰামৰ ভয়তে মই সীতাক এৰি দিমনে? তৰ্কৰ খাটিৰত ধৰি ল'লো ৰাম মোতকৈ শক্তিশালী, তেন্তে তেওঁ মোৰ শিৰচ্ছেদ কৰক, তথাপি মই ৰামৰ আগত আঁঠু নলওঁ।

ই মোৰ স্বভাৱবিৰুদ্ধ কথা হ'ব। কেৱল জীয়াই থকাৰ বাসনাতে মই ৰামলৈ কিয় ভয় কৰিম?"

ৰাৱণৰ এই কথা শুনি মাল্যৱন্তই লাজতে মূৰ তললৈ কৰিলে। ৰাৱণে নিজৰ মন্ত্ৰীসকলৰ লগত আলাপ আলোচনা কৰি নগৰৰ যথাযথ প্ৰতিৰক্ষাৰ ব্যৱস্থা কৰিলে, দক্ষিণৰ দ্বাৰত মহোদৰ আৰু মহাপাৰ্শ্বত নিযুক্তি দিয়া হ'ল। পশ্চিমৰ দ্বাৰত নিযুক্তি দিয়া হ'ল ইন্দ্ৰজিতক। উত্তৰ দ্বাৰলৈ শুক চাৰণৰ লগত স্বয়ং ৰাৱণ গ'ল। পূবফালে অতন্দ্ৰ প্ৰহৰী হিচাপে থাকিবলৈ কোৱা হ'ল প্ৰহস্তক। লগত অনেক ৰাক্ষস বীৰ লৈ বিৰুপাক্ষ থাকি গ'ল নগৰৰ মধ্যভাগত।

লংকা নগৰৰ এই প্ৰতিৰক্ষাৰ ব্যৱস্থা, বিভীষণৰ চাৰিজন মন্ত্ৰীয়ে পক্ষীৰূপত আহি চাই গ'লহি আৰু ঘূৰি গৈ তেওঁলোকে বিভীষণক সকলো কথা আতিগুৰি মাৰি ক'লেগৈ। কালবিলম্ব নকৰি বিভীষণে এই বাতৰি ৰামক দিলেগৈ। ৰামে লক্ষ্মণ, সুগ্ৰীৱ, হনুমান, জাম্বৱন্ত



আদি বীৰসকলৰ লগত মত বিনিময় কৰিলে আৰু লংকা নগৰীৰ ওপৰত কিদৰে আক্ৰমণ চলোৱা হয় তাক নিৰ্দ্ধাৰণ কৰিলে। নীলক কোৱা হ'ল তেওঁ যাতে লগত কিছু বানৰসেনা লৈ পূব দ্বাৰত থকা প্ৰহস্তৰ লগত যুদ্ধ কৰেগৈ। অংগদক কোৱা হ'ল দক্ষিণ দ্বাৰত প্ৰহৰী হিচাপে থকা মহোদৰ আৰু মহাপাৰ্শ্বক ভালকৈ এসেকা দিবলৈ। হনুমান পশ্চিম দ্বাৰলৈ যাব বুলি সৰ্বসন্মতিক্ৰমে ঠিক কৰা হ'ল। উত্তৰ দ্বাৰত ৰাৱণ যিহেতু নিজেই আছিল গতিকে ৰাম আৰু লক্ষ্মণে সেইফালে যাবলৈ ঠিক কৰিলে। নগৰৰ মাজভাগত থকা সেনাৰ মোকাবিলা কৰাৰ দায়িত্ব দিয়া হ'ল সুগ্ৰীৱ, জাম্বৱন্ত, আৰু বিভীষণক। ৰামে আৰু এটা নিয়ম ৰচনা কৰিলে যে যুদ্ধ কৰাৰ সময়ত ৰাম, লক্ষ্মণ, অংগদ, হনুমান, সুগ্ৰীৱ, আৰু বিভীষণৰ বাহিৰে কোনেও যাতে নৰৰূপ ধাৰণ কৰি নাথাকে। সকলো বানৰ ৰূপতে থাকিব যাতে সহজতে চিনাক্ত কৰিব পৰা যায়।

এই সিদ্ধান্ত হোৱাৰ লগে লগে ৰাম সুবল পৰ্বতৰ ফালে যাবলৈ ধৰিলে। তেওঁৰ লগতে লক্ষ্মণ, সুগ্ৰীৱ, আৰু অন্য বানৰ প্ৰমুখ পাহাৰ বগাবলৈ ধৰিলে। তেওঁলোক যেতিয়া সুবেল পৰ্বতৰ ওপৰলৈ উঠি গ'ল তেতিয়া সমুখত তেওঁলোকে লংকা নগৰী দেখা পালে। প্ৰচীৰৰ ওপৰত দ্বাৰৰ ওচৰে পাজৰে ক'লা ৰাক্ষসে অস্ত্ৰ শস্ত্ৰ লৈ যুদ্ধৰ বাবে সাজু হৈ আছিল ৰাক্ষসহঁতক দেখি বানৰবোৰে গৰজি উঠিল। সেই সময়তে সূৰ্য উদয় হ'ল আৰু আকাশত পূৰ্ণ চন্দ্ৰমা উদয় হোৱা দেখা গ'ল।

ৰাম আৰু আন বানৰসকলে সেইদিনা ৰাতি সুবেল পৰ্বততে বিশ্ৰাম কৰিবলৈ ঠিক কৰিলে।

পাছদিনা বানৰবোৰে সুবেল পৰ্বতৰ উদ্যানসমূহত ঘূৰি ফুৰিবলৈ ধৰিলে। সুবেল পৰ্বতৰপৰা ত্ৰিকূট পৰ্বতৰ ওপৰত থকা লংকাৰ সৌন্দৰ্য উপভোগ কৰিব পৰা যায়। সেই নগৰীৰ ডাঙৰ ডাঙৰ প্ৰাসাদ, প্ৰাণীৰ তোৰণ আদি দেখি সকলো আচৰিত হ'ল।

তেনেতে তেওঁলোকে ৰাৱণক দেখা পালে। তেওঁৰ ওপৰত শ্বেত ছত্ৰ আছিল, তেওঁক বিচনীৰে বা দি থকা হৈছিল আৰু তেওঁৰ শৰীৰত আছিল অমূল্য আভূষণ। পিন্ধনত আছিল তেওঁৰ অমূল্য বস্ত্ৰ।

সকলোৰে লগতে সুগ্ৰীৱেও ৰাৱণৰ ফালে চাই আছিল। হঠাতে সুগ্ৰীৱৰ খুব খং উঠিল। তেওঁ এটা জাঁপ মাৰি সুবেল পৰ্বতৰ শীৰ্ষৰপৰা গোপুৰলৈ গ'ল। ৰাৱণক তধালাগি চালেগৈ। বতাহত উৰা মাৰিলে আৰু ৰাৱণৰ মুকুটটো

গোৰমাৰি পেলাই নিজে মাটিৰ ওপৰত থিয় হ'লহি। ৰাৱণে খঙতে সুগ্রীৱক নিজৰ হাতেৰে মাৰি তলত পেলাই দিলে। সুগ্রীৱ বলৰ দৰে উঠিল আৰু তেওঁ ৰাৱণক পেলাই দিলে। দুয়োৰে মাজত যুদ্ধ হ'ল। বহুত সময়লৈকে দুয়োৰে মাজত যুদ্ধ চলি থাকিল। শেষত ৰাৱণ অতীষ্ঠ হৈ মায়াযুদ্ধ কৰিবলৈ ওলোৱাত সুগ্রীৱে তাৰপৰা আকাশলৈ উৰা মাৰিলে। ৰাৱণে ভাবিলে এই বানৰ আকৌ আহিব, কিন্তু সুগ্রীৱ ৰামৰ ফালে উৰা মাৰিলে।

ৰামে সুগ্রীৱক আলিঙ্গন কৰি ক'লে, "সুগ্রীৱ, তুমি হ'লা বানৰসকলৰ ৰজা। এইধৰণৰ খৰখেদা কৰা কাম তুমি কৰাটো উচিত নহয়। আমি বৰ উদ্বিগ্ন হৈ আছিলো। যদি তোমাৰ কিবা বিপদ হলহেঁতেন তেন্তে আমাৰ আটাইৰে কি অৱস্থা হ'লহেঁতেন এবাৰ তুমি নিজেই ভাবি চোৱাচোন।"

"আপোনাৰ পত্নীক অপহৰণ কৰি নিয়া সেই দুষ্ট ৰাক্ষসক সমুখত দেখি মই একো নকৰাকৈ চাই থাকিব নোৱাৰিলো।"

তেওঁলোক তৎক্ষণাৎ সুবেল পৰ্বতৰপৰা নামিল আৰু বানৰসেনাৰ লগত ত্রিকূট পৰ্বতলৈ যাবলৈ ধৰিলে। ৰামৰ আজ্ঞানুসাৰে যিখন দ্বাৰত যিসকল যুদ্ধাই যুদ্ধ কৰাৰ কথা আছিল, সেই সকলোৱে নিজৰ নিজৰ অৱস্থান গ্রহণ কৰিলে।



তেতিয়া ৰামে অংগদক মতাই আনি ক'লে, "অংগদক মতাই আনি ক'লে, "অংগদ তুমি নির্ভয়ে লংকাৰ প্রাচীৰ পাৰ হৈ যোৱা। য'ত ৰাৱণ আছে তালৈকে যোৱা। তেওঁক কোৱাগৈ।" ৰাৱণ, তুমি মোৰ পত্নীক অপহৰণ কৰিছা আৰু সেয়েহে তোমাক দণ্ড দিবলৈ মই যমৰ দৰে আহিছো। তুমি যি বলেৰে বলিয়ন হৈ সীতাক অপহৰণ কৰিলা, এতিয়া তুমি সেই বল প্রদর্শন কৰা। যদি সীতাক মোৰ হাতত গতাই দি তুমি মোৰ শৰণাপন্ন নোহোৱা তোমাক আৰু তোমাৰ বংশক নাশ কৰি বিভীষণক লংকাৰ ৰাজসিংহাসনত অধিষ্ঠিত কৰিম। তুমি মূৰ্খ-

চান্দমামাৰ ঘৰৰ টুৱেন্টি ২০ ক্রিকেটৰ উত্তৰ:

১.ষ্টিফেন ফ্লেমিঙ; ২. ৮ ৰপৰা ১০; ৩. মুম্বাই ইণ্ডিয়ান্‌ছ; ৪. চেন্নাই চুপাৰ কিঙছ, ৰাজস্থান ৰয়েল্‌ছ আৰু ডেক্কান চাৰ্জাৰছ; ৫. হুগ লী; ৬. পিচিএ ষ্টেডিয়াম; ৭. ৰয়েল চেলেঞ্জাৰ্ছ, বাংগালোৰ; ৮. কলকাতা নাইট ৰাইডাৰ্ছ; ৯. মুম্বাই ইণ্ডিয়ান্‌ছ; ১০.দিল্লী ডেয়াৰ ডেভিল্‌ছ; ১১. পুমা; ১২. ছোহেইল তানভীৰ।

সকলৰ ওপৰত ভৰসা কৰি আছা গতিকে এতিয়া তোমাৰ ৰাজ্য পৰিচালনাৰ যোগ্যতা আৰু নোহোৱা হৈছে। যদি তুমি মোৰ শৰণাপন্ন হ'ব নোখোজা তেন্তে তুমি মোৰ সৈতে যুদ্ধ কৰি আৰু মোৰ হাতত প্ৰাণ বিসৰ্জন দি পবিত্ৰ হোৱা।

অংগদে এই বাৰ্ত্তা লৈ আকাশলৈ উৰা মাৰিলে আৰু লংকা নগৰীলৈ গ'ল। ৰাৱণে য'ত নিজৰ ঘৰত নিজৰ পত্নীসকলৰ লগত আলাপ আলোচনা কৰি আছিল, অংগদ তালৈকে গ'ল আৰু ৰাৱণৰ ওচৰতে থিয় হ'ল। অংগদে ৰাৱণক নিজৰ পৰিচয় দিলে আৰু ৰামে ৰাৱণক যিখিনি কথা ক'বলৈ কৈছিল সেইখিনি কথাকে হুবহু ক'লে।

চান্দমামা ৰামায়ণ কুইজ

অশোকবনত সীতাক প্ৰবোধ দিয়া বিভীষণৰ পত্নী কোন আছিল:
a) তাৰা, b) চাৰামা, c) মন্দোদৰী
CRQ <a/b/c> এই ৰূপত তুমি তোমাৰ এচএমএচ ৫৪৬৪৬ লৈ পঠিওৱা যাদুচ্ছিকভাৱে বাচনি কৰা এজন পাঠকে পাব চান্দমামাৰ কমিক কম্ব' পেক্।

এই কথাখিনি শুনি ৰাৱণে নিজৰ ক্ৰোধ সম্বৰণ কৰিব নোৱাৰিলে। তেওঁ বাৰে বাৰে চিঞৰিলে, "এই অংগদক হত্যা কৰা।" চাৰিটা ৰাক্ষস অংগদক ধৰিবলৈ আহিল। অংগদে সিহঁতক ওচৰলৈ আহিবলৈ দিলে। তাৰপাছত অংগদে সিহঁতক হেঁচা মাৰি লগতে লৈ ৰাৱণৰ ঘৰৰ প্ৰাচীৰত থিয় হ'লগৈ। সেই প্ৰাচীৰ পৰ্বতৰ দৰে আছিল। অংগদ উৰিবলৈ লোৱাত সেই চাৰিও ৰাক্ষস তলত আহি পৰিলহি।

অংগদে জোৰেৰে নিজৰ নাম এনেকৈ চিঞৰিলে যাতে সকলোৱে তাক শুনা পায়। তাৰপাছত অংগদ ৰামৰ অভিমুখে উৰি আহি থাকিল।

তেনেতে কেইটামান ৰাক্ষস আহি জনালেহি যে বানৰে লংকা ঘেৰি ধৰিছে, ৰাৱণ ক্ৰোধান্বিত হ'ল। তেওঁৰ নগৰ ঘেৰি ধৰা বানৰ সেনা চাবলৈ ৰাৱণ নিজৰ প্ৰাসাদৰ ছাদৰ ওপৰলৈ গ'ল। সমগ্ৰ ভূমিত বানৰসেনা দেখি ৰাৱণৰ আশ্চৰ্যৰ সীমা নোহোৱা হ'ল।

সুসজ্জিত হাতী

হাজাৰ হাজাৰ বছৰৰ আগৰ কথা। চিৰিপুৰ ৰাজ্যত অশোকবাৰ্মাই ৰাজত্ব কৰিছিল। তেওঁৰ ৰাজ্যত প্ৰতি বছৰে যুদ্ধবিদ্যাৰ প্ৰতিযোগিতা চলিছিল। ইয়াত বিভিন্ন ৰাজ্যৰপৰা অহা বীৰ ৰাজকুমাৰসকলে নিজৰ নিজৰ সমৰকৌশল প্ৰদৰ্শিত কৰিছিল।

সেইবোৰ বিদ্যাত যি নিজৰ নিপুণতা দেখুৱাব পাৰিছিল, অশোকবাৰ্মাই তেওঁক নিজৰ ৰাজসভাত নিযুক্তি দিছিল। এইদৰে ৰজাৰ আদৰ প্ৰাপ্ত কৰি ৰাজসভাত প্ৰৱেশ লাভ কৰা এজন আছিল ৰবিবাৰ্মা।

ৰজা অশোকবাৰ্মা নিসন্তান আছিল। হঠাতে তেওঁৰ মৃত্যু হ'ল। মৃত্যুৰ আগতে তেওঁৰ উত্তৰাধিকাৰী কোন হ'ব সেই কথা ৰজাই কৈ যাব পৰা নাছিল। তেওঁৰ ৰাজসভাত ৰজা হোৱাৰ যোগ্যতা থকা বহুত ব্যক্তি আছিল। কিন্তু মন্ত্ৰী সুমন্তই তেওঁলোকৰ কাকোৱেই ৰজা পতাৰ পক্ষপাতী নাছিল। তেওঁৰ ভয় আছিল ইয়াৰে এজনক ৰজা পাতিলে বাকীসকল তেওঁৰ শত্ৰু হৈ উঠিব।

সেয়েহে মন্ত্ৰীয়ে এই বিষয়ে ৰাজগুৰুৰপৰা পৰামৰ্শ বিচাৰিলে। ৰাজগুৰুৱে ক'লে, "মন্ত্ৰীবৰ, আপুনি এই সমস্যাৰ সমাধান উলিয়াব নোৱাৰিব। আমাৰ দীৰ্ঘদিনীয়া ৰীতি অনুসাৰে এটা সুসজ্জিত হাতীয়ে যাৰ ডিঙিতে পুষ্পমাল্য অৰ্পণ কৰিব তেওঁৱেই ৰজা হ'ব, সেয়েহে আমি এই পুৰণা ৰীতিকেই পালন কৰিম।" ৰাজগুৰুৰ কথা শুনি মন্ত্ৰী সুমন্তই বৰ সকাহ পালে। মন্ত্ৰীয়ে ৰাজগুৰুক এক শুভমুহূৰ্ত্ত নিৰ্দ্ধাৰণ কৰিবলৈ অনুৰোধ কৰিলে। ৰাজগুৰুৱে ক'লে যে দুসপ্তাহৰ পাছত এটা ভাল মুহূৰ্ত্ত আছে। মন্ত্ৰীয়ে গোটেই ৰাজ্যতে ঢোলপিতি শুনাই দিলে যে এটা সুসজ্জিত হাতীয়ে যাৰ কণ্ঠতে পুষ্পমাল্য অৰ্পণ কৰিব তেওঁৱেই চিৰিপুৰ ৰাজ্যৰ ৰজা হ'ব।

মন্ত্ৰীৰ এই ঘোষণা শুনি কোনো ব্যক্তি যদি

২৫ বছৰৰ পূৰ্বে চান্দমামাত প্ৰকাশিত কাহিনী



নিৰাশ হ'ল, আন কাৰোবাৰ মনত লোভ উৎপন্ন হ'ল।

নিৰাশ হোৱা এজন ব্যক্তি আছিল ৰবিবাৰ্মা। তেওঁ মৃত ৰজাৰ কিমান বিশ্বাসভাজন আছিল, সেই কথা ৰাজসভাৰ কোনো ব্যক্তিয়ে নাজানিছিল। ৰজা অশোকবাৰ্মাই তেওঁৰ জীৱন কালত ৰবিবাৰ্মাৰ লগত গুপ্ত মন্ত্ৰণা কৰিছিল। ৰাজ্যৰ হিত, প্ৰজাৰ হিত এই আটাইবোৰ ক্ষেত্ৰৰ গুৰুত্বপূৰ্ণ বিষয়ত ৰবিবাৰ্মাই ৰজাক পথদৰ্শন দিছিল। শাসনকাৰ্যৰ বাবে সকলো ফালৰপৰা তেওঁৱেই আছিল উপযুক্ত।দীৰ্ঘদিন ধৰি থকা ৰাজসভাৰ কৰ্মচাৰীয়ে যাতে তেওঁক ঈৰ্ষা নকৰে সেই উদ্দেশ্যে ৰবিবাৰ্মাই সদায় এজন সৰু সুৰা কৰ্মচাৰীৰ দৰে আচাৰ আচৰণ কৰিছিল। অশোকবাৰ্মাই যদি তেওঁৰ আসন্ন মৃত্যুৰ কথা আগতেই জানিলেহেঁতেন তেন্তে তেওঁ মন্ত্ৰীক আদেশ দিলেহেঁতেন যে তেওঁৰ মৃত্যুৰ পাছত যেন ৰবিবাৰ্মাক ৰজা পতা হয়। এই কথাত ৰবিবাৰ্মাৰ অলপো সন্দেহ নাছিল কিন্তু সুসজ্জিত হাতীয়ে এই কথা জানিব কেনেকৈ? সিতো যাৰ কণ্ঠতে পুষ্পমাল্য অৰ্পণ কৰে তেওঁৱেই ৰজা হ'ব। এই কথা ভাবি ৰবিবাৰ্মা বৰ দুখী হ'ল।

ইফালে কাৰোবাৰ কণ্ঠত মাল্যদান কৰাৰ দায়িত্ব পাবলগীয়া হাতীৰ মাউত মহাৰতৰ লোভ হ'ল। তেওঁৰ মনত এই ভাব আহিল যে যিকোনো উপায়েৰে হাতীটোক যদি তেওঁৰ কণ্ঠত মালা পিন্ধোৱাৰ অভ্যাস কৰোৱা হয় তেন্তে তেওঁ নিজে ৰজা হ'ব পাৰিব কিয়নো নিৰ্দিষ্ট দিনত হাতীটোৱে তেওঁৰ কণ্ঠত আহি পুষ্পমাল্য পিন্ধাবহি। তেওঁ নিজৰ পৰিকল্পনা-মতে কাম আৰম্ভ কৰিলে। তেওঁ ভাবিলে যে ৰজা নিৰ্বাচনলৈ এতিয়াও দুসপ্তাহ সময় আছে, ইয়াৰ মাজতে হাতীটোৰ এই অভাস কৰোৱাৰ

লাগিব তেওঁৰ কণ্ঠতে যেন সি মালা পিন্ধাইহি। সুসজ্জিত হাতীটোৰ শালৰ ওচৰতে এটা মহল আছিল, তাৰ চাৰি সীমাৰ প্ৰাচীৰৰ লগতে লাগি আছিল এখন ফুলনি। মহাৱতে সেই প্ৰাচীৰ বগাই বাগিচাত প্ৰবেশ কৰিলে আৰু তাৰপৰা ফুল ছিঙি এডাল আকৰ্ষণীয় মালা গুথিলে। আৰু সেইডাল হাতীৰ শুঁড়ৰ আগত দি হাতীটোৰ-দ্বাৰা মালাডাল তেওঁক পিন্ধোৱাবলৈ ধৰিলে।

হাতীশালৰ লগতে লাগি থকা মহলটো আছিল ৰবিবাৰ্মাৰ। তেওঁ নিজৰ বাগিচাৰ ফুল পূজা আৰু গৃহসজ্জাৰ কামত লগাইছিল। তেওঁ দেখিলে তেওঁৰ বাগিচাৰ ফুল দিনে দিনে কমি আহিছে। সেয়েহে চোৰ ধৰিবলৈ এদিন ৰাতি তেওঁ বাগিচাত লুকাই থাকিল।

আঁচনি অনুসাৰে মহাৱত ৰাতিৰ সময়ত প্ৰাচীৰ বগাই বাগিচালৈ আহিল আৰু ফুল ছিঙি গুচি গ'ল। ৰবিবাৰ্মাই প্ৰাচীৰৰ ওচৰলৈ আহি দেখিলে যে মহাৱতে হাতীশালাৰ ওচৰলৈ গৈ মালা গুথিবলৈ ধৰিছে। তেওঁ বৰ আচৰিত হ'ল। মহাৱতে ফুল চুৰ কৰিবহি এই কথা তেওঁ সপোনতো ভাবিব পৰা নাছিল। মালাডালে-ৰেনো মহাৱতে কি কৰে তাকে চাবলৈ ৰবিবাৰ্মা প্ৰাচীৰৰ ওপৰত উঠি থিয় হ'ল।

মালা গুথাৰ পাছত মহাৱতে হাতীৰ আগত থিয় হৈ তাৰদ্বাৰা মালা পিন্ধোৱাবলৈ সাজু হ'ল। মহাৱতে প্ৰাচীৰৰ ফালে পিঠি দি আছিল, হাতীয়ে ৰবিবাৰ্মাক দেখিলে আৰু চিঞৰ মাৰি তেওঁৰ ফালে শুঁড় আগবঢ়াই দিলে। কিন্তু মহাৱতে পিছলৈ ঘূৰি চোৱাৰ আগতে ৰবিবাৰ্মা প্ৰাচীৰৰপৰা নামি গুচি গ'লগৈ। মহাৱতে এই কথা ভাবি বহুত ভয় খালে তেওঁৰ এই ৰহস্যৰ কথা আন কোনোবাই গম পাইছে। মানুহজন কোন আছিল তাক জানিবলৈ মহাৱতে বহুত চেষ্টা কৰিলে কিন্তু সেই প্ৰচেষ্টাত তেওঁ সফল



নহ’ল। ইয়াৰ পাছত তেওঁ হাতীৰদ্বাৰা মালা পিন্ধোৱাৰ অনুশীলনো বাদ দিলে।

ইফালে ৰজা নিৰ্বাচনৰ নিৰ্দিষ্ট দিনটো আহিল। হাতীৰ শুঁড়ত মালা দি মহাৰত ৰাজ-প্ৰাসাদলৈ আহিল। কিবা নহয় কিবা অজুহাতত মহাৰত হাতীৰ সমুখলৈ আহি থাকিল কিন্তু হাতীয়ে তেওঁৰ কণ্ঠত মালা নিপিন্ধালে। এনে লাগিল হাতীটোৱে যেন কাৰোবাৰ অপেক্ষাহে কৰিছে। তেনেতে ৰবিবৰ্মা তালৈ আহিল। ৰবিবৰ্মাক দেখাৰ লগে লগে হাতীটোৱে ডাঙৰকৈ চিঞৰিলে আৰু তেওঁৰ কণ্ঠত মালা পিন্ধাই দিলে। লগে লগে ৰাইজে আনন্দত হাতচাপৰি বজালে আৰু খুব ধুমধামেৰে ৰবিবৰ্মাৰ ৰাজ্যাভিষেক সম্পন্ন কৰা হ’ল।

ইয়াৰ পাছত এদিন মহাৰতে একান্তভাৱে ৰবিবৰ্মাৰ ওচৰলৈ গৈ সুধিলে, “মহাৰাজ মোক ক্ষমা কৰিব যদি মই আপোনাক এটা কথা সুধিব পাৰোনে?”

“সোধা!” ৰবিবৰ্মাই উত্তৰ দিলে।

“মই বেয়া অভিপ্ৰায়েৰে সুসজ্জিত হাতী-টোক মোৰ কণ্ঠতে মালা পিন্ধোৱাৰ অভ্যাস কৰাইছিলো যাতে মই ৰজা হ’ব পাৰো। কিন্তু শেষ মুহূৰ্তত হাতীটোৱে মোৰ কণ্ঠত মালা নিপিন্ধাই আপোনাৰ কণ্ঠতহে কিয় পিন্ধালে?” মহাৰতে সুধিলে।

মিচিকিয়া হাঁহি এটা মাৰি ৰবিবৰ্মাই উত্তৰ দিলে, “তুমি হাতীক বহুত বিদ্যা শিকালা কিন্তু সেইবোৰ বিদ্যা তোমাৰ বাবে নাছিল। যেতিয়া তুমি মালা পিন্ধি হাতীটোৰ সমুখলৈ যোৱা তেতিয়া হাতীটোৱে তোমাক আন কোনো ব্যক্তিৰ ৰূপত চাইছিল। তোমাৰ বাবেই হাতীটোৱে কণ্ঠত মালা পিন্ধোৱাৰ বিদ্যা শিকি ল’লে ঠিকেই কিন্তু তাৰ মগজুত এই কথা নোসোমালে যে তোমাৰ কণ্ঠতেই মালাডাল পিন্ধাব লাগে। এদিন ৰাতি হাতীটোৱে তোমাৰ কণ্ঠত মালা পিন্ধোৱাৰ সময়ত মোক দেখিছিল। মোৰ কণ্ঠত সদায় মালা থাকেই। সেয়েহে সি ভাবিলে যে মোৰ বাবেই মালা সাধাৰণ কথা, সেয়েহে হাতী-টোৱে শুঁড়েৰে ধৰি থকা মালা মোৰ ফালে আগবঢ়াই দিলে। সেই ৰাতিয়েই মই তোমাৰ কুঅভিপ্ৰায়ৰ কথা জানিব পাৰিলো। সেই ৰাতিৰপৰা হাতীটোৰ মগজুত মোকেই মালা পিন্ধোৱাৰ কথাটো খেলাই থাকিল ছাগে।”



আৰ্য
ৰঙা মণিৰ সন্ধানত
2
চিত্ৰ: গান্ধী অৰ্যা
শান্তিপুৰৰ ৰজা আৰ্য উদ্বিগ্ন আছিল, ৰাণীয়ে সদায় ভয়ানক সপোন দেখিছিল। এই কথা শুনি তেওঁ নিজেও চিন্তিত হৈছিল যে পূব ক্ষেত্ৰত শিশু নিৰুদ্দেশ হৈ আছে। যেতিয়া সাধুৱে ক'লে যে এই দুয়োটা ঘটনাৰ মাজত সম্পৰ্ক আছে তেতিয়া তেওঁ এই বিষয়ে আৰু অধিক জানিবলৈ উৎসুক হৈ পৰিল।
বহুদিন আগেয়ে যেতিয়া শান্তিপুৰত এই পাহাৰবোৰ নাছিল, এই ভূমিত দুটা শক্তিশালী বংশ বাস কৰিছিল।
মাবেক আৰু ভদ্ৰ একেঠাইতে জন্ম হৈছিল কিন্তু দুয়োৰে মাজত ইমান পাৰ্থক্য আছিল যেন জুই আৰু বৰফহে। মাবেকৰ দৃষ্টিত যি পূজ্য আছিল তেওঁ ভদ্ৰৰ দৃষ্টিত তুচ্ছ আছিল।পৰস্পৰবিৰোধী দৃষ্টিভংগীৰ বাবে দুয়োৰে মাজত প্ৰায়ে কাজিয়া হৈছিল।
মাবেকৰ ওচৰত থকা এটা বিশেষ সুবিধা ভদ্ৰৰ নাছিল। তেওঁৰ লগত আছিল মাৰীধা।
মাৰীধা এগৰাকী যাদুকৰণী আছিল। তেওঁৰ আছিল ভৱিষ্যত জনাৰ শক্তি, সুবৰ্ণ দ্বীপৰ ৰঙা মণিৰদ্বাৰা।

সুবৰ্ণদ্বীপ? সেইটো এটা পৌৰাণিক দ্বীপ নহয় জানো?
হে ৰাজন! পুৰাণও সত্যৰ গভীৰতাৰপৰাই ওপজিছে।
সুবৰ্ণদ্বীপ পৃথিৱীৰ এই অংশৰ সবাতোকৈ সমৃদ্ধিশালী ৰাষ্ট্ৰ আছিল। মাণিক আৰু ৰত্ন সহিতে ইয়াৰ সম্পত্তি আহিছিল ভাগ্যশালী ভূৰিপৰা।
কথিত আছে এসময়ত আনকি দেৱতাও স্বৰ্গৰপৰা নামি আহি এইঠাইত আৰাম কৰিছিল।
আৰু ৰঙা মণি?
মাৰীধাই জীৱনৰ পণ ৰাখি ৰঙা মণিক সুৰক্ষা দিছিল, কিন্তু এদিন ৰাতি ৰঙা মণি অন্তৰ্দ্ধান হ'ল।
মাৰীধা ব্যাকুল হ'ল। তেওঁ জানিছিল যে এই লোকচানৰ বাবে মাৱেকসকলে ব্যাপক মূল্য দিব লাগিব। তেওঁ নিজৰ আদিবাসী মানুহ-বোৰক সকলো দিশে পঠিয়ালে কিন্তু ৰঙা মণিৰ কোনো খবৰ পোৱা নগ'ল।

ভদ্ৰই যথাশীঘ্ৰেই ইয়াৰ লাভ আদায় কৰিব খুজিলে। তেওঁ লোকৰ মুখিয়াল জোয়াই আঁচনিৰ ৰূপ দিবলৈ আৰম্ভ কৰিলে।
হে প্ৰমুখ! এতিয়া সময় আহিছে, আমি মাৰেক সকলৰ বিৰুদ্ধে প্ৰতিশোধ লোৱা উচিত।
এইটো চুৰ কৰিবলৈ সাহস কৰা চোৰ বাৰু কোন হ'ব পাৰে?
তেওঁলোকে কয় ৰঙা মণি বেয়া মানুহৰ হাতত পৰিছে। ই তেওঁৰ ওচৰলৈ যায় যি ইয়াত লাভ কৰিবলৈ লোভ কৰে, কিন্তু ই তেওঁক সৰ্বস্বান্ত কৰি দিয়ে।
মোৰ সম্পূৰ্ণ বিশ্বাস এইবোৰ কেৱল উৰাবাতৰি। এনে ৰঙা মণিয়ে কেৱল সহায়হে কৰিব পাৰে।
সেইটো ৰঙা মণিৰ কাম নহয়। সেইটো জন্মৰেপৰা থকা অভিশাপ যিটো অৱস্থা প্ৰতিজন মাৰেকৰ।
মাৰীধাৰ অভিশাপ গম পাইয়ো তুমি এনেকৈয়া ক'বানে?
জোয়াই সিদ্ধান্ত ল'লে তেওঁ মাৰেকসকলৰ ওপৰত আক্ৰমণ কৰি সিহঁতক নিজৰ গোলাম কৰিব। কিন্তু তেওঁৰ সবাতোকৈ ডাঙৰ স্বপ্ন তেওঁৰ মনতে থাকি গ'ল, সেইটো হ'ল সুবৰ্ণদ্বীপৰ ৰঙা মণি প্ৰাপ্ত কৰা।

মাৰীধাৰ অভিশাপ?
প্ৰতি পূৰ্ণিমাত মাৰীধাই কুকুৰনেচীয়া বাঘৰ ৰূপ লয়। তেওঁৰ শৰীৰ বিষৰত জুকলা হয় আৰু তেওঁৰ আৰ্ত্তনাদত ধৰিত্ৰী কঁপি উঠে।
মাৰীধাৰ সন্দেহ হ'ল ভদ্ৰসকলেই ৰঙা মণি চুৰ কৰিছে।
মাবেক আৰু ভদ্ৰসকলৰ মাজত তিনি বছৰ ধৰি নিৰন্তৰ যুদ্ধ চলিল। দুয়ো পক্ষৰ অশেষ লোকচান হ'ল।
মাৰীধাৰ চৰম ব্যথা হ'ল। তেওঁ ৰঙা মণি হেৰুৱাৰ বাবে নিজকে দোষী বুলি ভাবিবলৈ ল'লে।
তেওঁ নিজৰ আদিবাসীসকলে আৰু কষ্ট পোৱাটো চাই থাকিব নোৱাৰিলে আৰু তেওঁ চিৰদিনৰ বাবে শান্তিপুৰ এৰি গুচি যাবলৈ ঠিক কৰিলে।
তেওঁ গ'ল ক'লৈ?
আগলৈ

Avail the loyalty bonus!

Chandamama Subscribers will get flat 20% off on subscription renewals! (All Editions)

Chandamama!

Because stories make the world go round...

Choose your Chandamama!
Go to www.chandamama.com or SMS CSHOP to 54646 & we'll get in touch with you!
Subscribe Now!!

Chandamama is available in English and 12 regional languages. Junior Chandamama for children below 9 years is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Santali ☐ Malayalam ☐ Assamese ☐ Junior

Name: ....

Date of Birth: .... Sex: ....

Address: ....

....

....

.... City: ....

State: .... Pin: ....

Telephone: ....

Mobile: ....

Email: ....

Subscription Number 9for renewals): ....

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees..............................

Cheque/DD No ....

favouring Chandamama India Ltd on..............................

..............................bank.

*Add Rs.60 for non-Chennai cheques. Your subscription will commence in 4 weeks.

Please mail the subscription form to:
Chandamama India Limited,
New 2/513 (Old 3/396) Sundeep Avenue East,
2nd Main Road, Chinna Neelankarai,
Chennai - 600041. Phone: (044) 43992828, Fax: (044) 43992829
Email: subscription@chandamama.com
You can also subscribe online at: www.chandamama.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
ENGLISH (Rs. 25/- per copy)	Rs. 300	Rs. 540	Rs. 765	Rs. 960	Rs. 1125
You Save		**Rs. 60**	**Rs. 135**	**Rs. 240**	**Rs. 375**
REGIONAL (Rs. 20/- per copy)	Rs. 240	Rs. 430	Rs. 610	Rs. 770	Rs. 900
You Save		**Rs. 50**	**Rs. 110**	**Rs. 190**	**Rs. 300**
JUNIOR (Rs. 15/- per copy)	Rs. 180	Rs. 325	Rs. 460	Rs. 575	Rs. 675
You Save		**Rs. 35**	**Rs. 80**	**Rs. 145**	**Rs. 225**

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

MAHANTESH C. MORABAD

MAHANTESH C. MORABAD



সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা তলৰ ঠিকনাত:
ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা ইণ্ডিয়া লিমিটেড, নতুন ২/৫১২ (পুৰণি ৩/৩৯৬, সন্দীপ এভিনিউ ইষ্ট, দ্বিতীয় মূল পথ, চিন্না নীলাংকাৰাই, চেন্নাই-৬০০০৪১
এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব । পুৰস্কাৰ পাওঁতা জনৰ নাম জুলাই সংখ্যাত প্ৰকাশ কৰা হ'ব।

মাৰ্চ সংখ্যাৰ পুৰস্কাৰ বিজেতা:

অনন্ত বৰুৱা
গাঁও: মাহধোৱা
ডাক: গন্ধীয়া তিনিআলি
জিলা: লখিমপুৰ,
পিন: ৭৮৭০৫৪

বিজয়ী প্ৰৱিষ্টি

শৈশৱৰ সুখৰ পল।
আদবয়সৰ দুখৰ পল।।

ভাৰতৰ বিষয়ে জানি লোৱাৰ উত্তৰসমূহ:

১.বম্বেত, ১৯২১ চনত; ২. ১৯৩৪-৩৫, বম্বেই উত্তৰ ভাৰতক পৰাভূত কৰে; ৩. মহাৰাজা কে.এচ. ৰঞ্জী সিঙজী ১৮৯৬-৯৭ চনত; ৪. কলিকতা মহমেদান স্পটিঙে ১৯৪০ চনত ৰয়েল ৱাৰউইকশ্বায়াৰক পৰাভূত কৰে; ৫. দিল্লীত ১৯৫১ চনত; ৬. ১৯৫১ চনত, নতুন দিল্লীত, প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু; ৭. ভাৰতৰ ধ্যানচান্দ; ৮. ফুটবলাৰ পি.কে. বেনাৰ্জী, ১৯৬১ চনত।

Printed and Published by L. Subramanyan at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501), Anna Salai, Teynampet, Chennai - 600 018. Editor : L. Subramanyan

IPL 2009 Schedule

Date	Matches
April 18	Rajasthan Royals vs Bangalore Royal Challengers Mumbai Indians vs Chennai Super Kings
April 19	Kolkata Knight Riders vs Deccan Chargers; Delhi Daredevils vs Kings XI Punjab
April 20	Bangalore Royal Challengers vs Chennai Super Kings
April 21	Rajasthan Royals vs Mumbai Indians; Kolkata Knight Riders v Kings XI Punjab
April 22	Delhi Daredevils vs Chennai Super Kings; Bangalore Royal Challengers vs Deccan Chargers
April 23	Kolkata Knight Riders vs Rajasthan Royals
April 24	Kings XI Punjab vs Bangalore Royal Challengers
April 25	Kolkata Knight Riders vs Chennai Super Kings; Deccan Chargers vs Mumbai Indians
April 26	Rajasthan Royals vs Kings XI Punjab; Bangalore Royal Challengers vs Delhi Daredevils
April 27	Kolkata Knight Riders vs Mumbai Indians; Chennai Super Kings vs Deccan Chargers
April 28	Delhi Daredevils vs Rajasthan Royals
April 29	Mumbai Indians vs Kings XI Punjab; Kolkata Knight Riders vs Bangalore Royal Challengers
April 30	Delhi Daredevils vs Deccan Chargers; Rajasthan Royals vs Chennai Super Kings
May 1	Bangalore Royal Challengers vs Kings XI Punjab; Mumbai Indians vs Kolkata Knight Riders
May 2	Rajasthan Royals vs Deccan Chargers; Chennai Super Kings vs Delhi Daredevils
May 3	Mumbai Indians vs Bangalore Royal Challengers; Kings XI Punjab vs Kolkata Knight Riders
May 4	Deccan Chargers vs Chennai Super Kings
May 5	Delhi Daredevils vs Kolkata Knight Riders; Kings XI Punjab vs Rajasthan Royals
May 6	Mumbai Indians vs Deccan Chargers
May 7	Kings XI Punjab vs Chennai Super Kings; Bangalore Royal Challengers vs Rajasthan Royals
May 8	Delhi Daredevils vs Mumbai Indians
May 9	Deccan Chargers vs Kings XI Punjab; Chennai Super Kings vs Rajasthan Royals
May 10	Kolkata Knight Riders vs Delhi Daredevils; Bangalore Royal Challengers vs Mumbai Indians
May 11	Bloemfontein Deccan Chargers vs Rajasthan Royals
May 12	Bangalore Royal Challengers vs Kolkata Knight Riders; Kings XI Punjab vs Mumbai Indians
May 13	Deccan Chargers vs Delhi Daredevils
May 14	Mumbai Indians vs Rajasthan Royals; Chennai Super Kings vs Bangalore Royal Challengers
May 15	Kimberley Kings XI Punjab vs Delhi Daredevils
May 16	Chennai Super Kings vs Mumbai Indians; Deccan Chargers vs Kolkata Knight Riders
May 17	Rajasthan Royals vs Delhi Daredevils; Kings XI Punjab vs Deccan Chargers
May 18	Chennai Super Kings vs Kolkata Knight Riders
May 19	Delhi Daredevils vs Bangalore Royal Challengers
May 20	Chennai Super Kings vs Kings XI Punjab; Rajasthan Royals vs Kolkata Knight Riders
May 21	Deccan Chargers vs Bangalore Royal Challengers; Mumbai Indians vs Delhi Daredevils
May 22	Semifinal 1: ____________ vs ____________
May 23	Semifinal 2: ____________ vs ____________
May 24	Finals: ____________ vs ____________

নিয়মাৱলী

এটা মুদ্ৰা টচ কৰি ঠিক কৰা কোনে প্ৰথমে ডাই থ্ৰ’ কৰিব।

তুমি যদি থ্ৰ’ কৰা	
১ বা ৩	১টা বা ৩টা ঘৰ (ডাইত যি ওলায়) আগবাঢ়া। ষ্টাইক সলনি কৰা, মানে ডাইটো পাছৰজন খেলুৱৈক থ্ৰ’ কৰিবলৈ দিয়া।
২, ৪ বা ৬	২ টা, ৪ টা বা ৬ টা ঘৰ (ডাইত যি ওলায়) আগবাঢ়া। ষ্টাইক তোমাৰ হাতত ৰাখা, মানে আকৌ ডাইটো থ্ৰ’ কৰা
৫	কামত নহা থ্ৰ’
তোমাৰ মুদ্ৰাটো যদি পৰে	
আউট বক্সত	ৰঙা বৰ্গৰদ্বাৰা দেখুওৱা ঘৰটোলৈ আগবাঢ়া।
ডিষ্টাৰ্বেন্স বক্সত	নিয়মাৱলীৰ বাবে ছাবিবোৰ চোৱা
কুৱেচ্চন বক্সত	তোমাৰ প্ৰতিদ্বন্দ্বীয়ে ৰঙা বৰ্গত থকা প্ৰশ্ন সংখ্যাটো চোৱা উচিত আৰু সেই সংখ্যাত থকা প্ৰশ্নটো (তলত দিয়া হৈছে) তোমাক সুধিব। শুদ্ধ উত্তৰ দিলে ৬টা ঘৰ আগলৈ যোৱা আৰু ভুল উত্তৰ দিলে ৬টা ঘৰ পিছলৈ যোৱা।
আউট বক্সত ১১ বাৰতকৈ বেছি পৰিলে	তুমি খেলৰপৰা বাহিৰ হ’বা।

ন্দমামাৰ ঘৰৰ
ন্টি ২০ ক্রিকেট

To download the boardgame, go to www.chandamama.com/cricket



ইউৰেকা

সৌৰ জল বিশুদ্ধিকাৰক

তোমাৰ নিজৰ সৌৰ জল বিশুদ্ধিকাৰক সাজি লোৱা!

তোমাক কি লাগিব: এটা ডাঙৰ বাতি; এটা সৰু পৰিষ্কাৰ গিলাচ কাপ (বাতিৰ মুখৰ পৰিধিতকৈ চুটি হোৱা উচিত); প্লাষ্টিকৰ ফইল; চেল'ফেন টেপ; টেবুল চল্ট্, পানী, এটা শিলগুটি বা মুদ্ৰা।

কেনেকৈ কৰিবা:

- দুগিলাচ পানীত এচামোচ নিমখ মিহলাই ভালকৈ গোলা
- এই নিমখীয়া পানীখিনি বাতিটোত বাকি দিয়া আৰু সৰু কাপটো বাতিটোৰ সোঁমাজত স্থাপন কৰা (কাপটো বাতিটোত থকা নিমখীয়া পানীৰ পৃষ্ঠতকৈ ওখ হ'ব লাগে)
- প্লাষ্টিকৰ ফইলখন ব্যৱহাৰ কৰি বাতিটো সম্পূৰ্ণৰূপে মেৰিয়াই তাক টেপ দি শ্বীল্ড্ কৰি দিয়া। শ্বীল্ডটো নিকপকপীয়া হোৱাটো খুবেই জৰুৰী।
- এটা শিলগুটি বা এটা মুদ্ৰাৰ দৰে এটা ওজন প্লাষ্টিকৰ ফইলখনৰ ওপৰত থোৱা যাতে তাৰ ঠিক তলতে থাকে সৰু কাপটো। ই বাষ্পীভূত পানী সংগ্ৰহ কৰাত সহায় কৰিব।
- এই যতনটো সূৰ্যৰ তাপত কেইবা ঘণ্টাৰ বাবে থৈ দিয়া, পাৰিলে গোটেই দিনটো।
- পিছত দেখিবা কাপটোত পানী গোট খাইছে।
- পানীখিনি খাই চোৱা...সতেজনে? সাগৰৰ উপকূলৰপৰা সংগ্ৰহ কৰা পানীৰেও পৰীক্ষাটো কৰিব পাৰি।

অৱধাৰণা:

এই সৌৰ বিশুদ্ধিকাৰকৰ মূল অৱধাৰণাটো হ'ল বাষ্পীভৱন আৰু ঘনীভৱন। নিমখীয়া পানীখিনি সূৰ্যৰ তাপত ৰাখিলে বাষ্পীভৱন সংঘটিত হয়। পানীখিনি ভাপ হয় আৰু তাত থকা নিমখ অধঃ-ক্ষেপন হিচাপে ৰৈ যায়। ভাপখিনি ওপৰলৈ উঠি প্লাষ্টিকৰ ফইলখন স্পৰ্শ কৰাৰ লগে লগে ভাপখিনি ঘনীভূত হৈ পানীৰ কণিকাত পৰিণত হয়। পানীৰ কণিকাবোৰ ওজনৰ ফালে বাগৰি আহে আৰু লাহে লাহে গিলাচ কাপটোত জমা হয়।

ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান

মহাবোধি মন্দিৰ চৌহদ

বিহাৰৰ মহাবোধি (বুদ্ধত্বপ্ৰাপ্তি) বা বোধগয়া মন্দিৰ হ'ল ইটাৰে তৈয়াৰী অন্যতম প্ৰাচীন বৌদ্ধ মন্দিৰ। প্ৰথম মন্দিৰটো নিৰ্মাণ কৰিছিল সম্ৰাট অশোকে খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাত আৰু এতিয়াৰ মন্দিৰটো নিৰ্মাণ কৰা হৈছিল পঞ্চম বা ষষ্ঠ শতিকাত। বৌদ্ধ তীৰ্থযাত্ৰীসকলৰ বাবে ই অন্যতম জনপ্ৰিয় লক্ষ্যস্থান কাৰণ ইয়াতেই ভগৱান বুদ্ধই চূড়ান্ত প্ৰজ্ঞা লাভ কৰিছিল।

মন্দিৰটোৰ ভূতল পৃষ্ঠৰ কালি হ'ল ৪৫ বৰ্গমিটাৰ। ই পিৰামিডৰ আকৃতিত ওপৰলৈ উঠি গৈছে আৰু এখন সৰু বৰ্গাকৃতিৰ প্লেটফৰ্মত শেষ হৈছে। মন্দিৰৰ বাহিৰত বুদ্ধৰ জীৱনৰ দৃশ্য ইটাৰ ওপৰত সুন্দৰভাৱে চিত্ৰিত কৰা আছে। মন্দিৰৰ ভিতৰত আছে, সোঁহাতেৰে ভূমি স্পৰ্শ কৰি বহি থকা অৱস্থাত ভগৱান বুদ্ধৰ এক বিশাল মূৰ্ত্তি। বিশ্বাস কৰা হয় যে বুদ্ধই এই অৱস্থাতে চূড়ান্ত প্ৰজ্ঞা লাভ কৰিছিল। প্ৰতিমূৰ্ত্তিটো কলা শিলেৰে তৈয়াৰী কিন্তু ইয়াত সোণপাত চৰোৱা আছে আৰু পিন্ধনত আছে উজ্জ্বল সুমথিৰা ৰঙৰ পোছাক।

মন্দিৰৰ চোতালত আছে বহুতো সৰু সৰু স্তূপ আৰু বুদ্ধৰ প্ৰতিমূৰ্ত্তি আৰু ইয়াৰে কিছুমান শ শ বছৰ পুৰণি। মহাবোধি মন্দিৰৰ ঠিক পাছতে আছে বোধিবৃক্ষ, ভগৱান বুদ্ধই চূড়ান্ত প্ৰজ্ঞা লাভ কৰা মূল গছজোপাৰে এটা উত্তৰাধিকাৰী। আৰু আছে ৰত্ন পদাপত্ৰা, ইয়াতে প্ৰজ্ঞা লাভৰ পাছত বুদ্ধই সাতদিন ধৰি ধ্যানৰ অনুশীলন কৰা ঠাইটুকুৰা চিন দি থোৱা আছে।

২০০২ চনত ইউনেস্কই মহাবোধি মন্দিৰক বিশ্বৰ ঐতিহ্যমণ্ডিত স্থানৰ তালিকাত অন্তৰ্ভুক্ত কৰে।

মহবোধি মন্দিৰলৈ কেনেকৈ যাব পাৰি:

আকাশী পথেৰে: নিকটতম বিমান বন্দৰ হৈছে গয়া (৭কি.মি.) আৰু পাটনা (১৩৫ কি.মি.)

ৰেল পথেৰে: নিকটতম ৰেল ষ্টেছন হৈছে গয়া (১৭ কি.মি.)

স্থলপথেৰে: গয়া, পাটনা আৰু বাৰাণসীৰপৰা নিয়মীয়া বাচ সেৱা আছে।

তাজমহল ক'ত আছে?
a. দিল্লী, b. আগ্ৰা
CIHQ <space>
<a/b> বুলি লিখি 54646 লৈ SMS কৰা আৰু তোমাৰ ম'বাইলত চান্দমামা ইণ্ডিয়া হেৰিটেজ কুইজ খেলা।



of the Publishers. Copying or adapting it in any manner/medium will be dealt with according to law.

ট্ৰফীটোত প্ৰথমে উপনীত হোৱা খেলুৱৈজনেই জিকিব।

প্ৰশ্নাৱলী:

১. চেন্নাই চুপাৰ কিঙচৰ মুখ্য প্ৰশিক্ষক কোন?
২. আইপিএল ২০০৯ত এটা দলত খেলিবলৈ অনুমতি পোৱা বিদেশী খেলুৱৈৰ সংখ্যা বৃদ্ধি কৰা হৈছে--জনৰপৰা--জনলৈ
৩. কোনটো দলৰ লগ'ত সুদৰ্শন চক্ৰ আছে?
৪. আইকন প্লেয়াৰ্চ নথকা তিনিটা দলৰ নাম কি?
৫. কলকাতা নাইট ৰাইডাৰ্চৰ প্ৰতীকচিহ্ন হ'ল এটা বেংগল টাইগাৰ যাৰ নাম হ'ল---
৬. কিংচ্ ইলেভেন পাঞ্জাৱ একাদশৰ ঘৰুৱা খেলপথাৰখন আছে--ত।
৭. কোনটো দলৰ থীম চঙ হ'ল "থাক্কাট গীতে"
৮. টেলিভিছনত এটা টেলেন্ট্ শ্ব'ৰদ্বাৰা চিয়েৰলীডাৰ বাচনি কৰা প্ৰথম আইপিএলৰ দলটোৰ নাম কি?
৯. কোনটো দলে অষ্ট্ৰেলিয়াৰ ঘৰুৱা ক্ৰিকেট প্ৰতিযোগিতালৈ গৈ সম্ভাৱনাপূৰ্ণ খেলুৱৈক চহী কৰোৱাইছিল?
১০. ৰিলায়েঞ্চ ইণ্ডাষ্ট্ৰীজ কোনটো দলৰ গৰাকী?
১১. ৰাজস্থান ৰয়েল্চৰ আনুষ্ঠানিক ক্ৰীড়া পৃষ্ঠপোষক কোন?
১২. কোনজন খেলুৱৈয়ে আইপিএল ২০০৮ ত জিকিবলৈ লগা শেষৰ ৰাণ সংগ্ৰহ কৰিছিল?

(উত্তৰ ৫৫ পৃষ্ঠাত)

ছাবি:

এটা পাল হেৰুওৱা


ৰঙা বৰ্গত দেখুওৱা সংখ্যাৰ ঘৰটোলৈ আগবাঢ়া

© This board game is the exclusive property

ক্ৰীড়া

জেনিফাৰ ফিজেটে

সাঁতোৰ

জেনিফাৰ ফিজেটে (৫৬ বছৰ) মাত্ৰ ২৪ দিনত আটলাণ্টিক মহাসাগৰ সাঁতুৰি অতিক্ৰম কৰা প্ৰথমগৰাকী মহিলাৰ সন্মান লাভ কৰিছে। পশ্চিম আফ্ৰিকাৰ কেপ ভাৰ্ডেত তেওঁ ৯ জানুৱাৰীত পানীত নামিছিল। সেই সময়ত সাগৰৰ ঢৌ ৯ মিটাৰ ওপৰলৈকে উঠিছিল। ৩০০০ কিলোমিটাৰৰো অধিক দূৰত্ব সাঁতোৰাৰ পাছত ত্ৰিনিদাদ স্পৰ্শ কৰি তেওঁ নিজৰ এই দুঃসাহসিক অভিযানৰ সমাপ্তি ঘটায়। তেওঁৰ মূল লক্ষ্য আছিল বাহামাছ (৩৩৮৯ কিলোমিটাৰ)। বিপদজনক শ্বাৰ্কৰপৰা গা বচাবলৈ জেনিফাৰে এটা সজাৰ ভিতৰৰ পৰা সাঁতুৰিছিল যিটোক চলাই নিছিল তেওঁৰ লগত যোৱা এখন নাৱে। তেওঁৰ সাঁতোৰত ব্যাঘ্যাত নজন্মাকৈ নাওখনৰপৰা তেওঁক খাদ্য আৰু পানীয় দি থকা হৈছিল। প্ৰতিদিনে তেওঁ আঠ ঘণ্টাকৈ সাঁতুৰিছিল।

ডবাখেল

হেতুল শ্বাহ

আন্তঃৰাষ্ট্ৰীয় ডবাখেল ফেডাৰেছনে (ফিডে) এই কথা নিশ্চিত কৰিছে যে এজন গ্ৰেণ্ডমাষ্টাৰক পৰাভূত কৰা সৰ্বকনিষ্ঠ খেলুৱৈজন হৈছে ভাৰতৰ ন বছৰীয়া হেতুল শ্বাহ। যোৱা জানুৱাৰীত নতুন দিল্লীত অনুষ্ঠিত পাৰ্শ্বনাথ আন্তঃৰাষ্ট্ৰীয় ডবাখেল প্ৰতিযোগিতাত হেতুলে কাজাখাস্তানৰ নুৰলান ইব্ৰায়েভক ৪৪টা ম'ভত পৰাভূত কৰি এই বিৰল সন্মান লাভ কৰে। সেই সময়ত হেতুলৰ বাচনিক্ৰম আছিল ১৮১৭, আৰু ইব্ৰায়েভ তেওঁতকৈ ৬০০টা স্থান ওপৰত আছিল। এই বিজয়েৰে হেতুলে দিল্লীৰ পৰিমাৰ্জন নেগীয়ে ২০০৪ চনত গ্ৰেণ্ডমাষ্টাৰ চুইজাৰলেণ্ডৰ ইভান কোমেটক পৰাভূত কৰি স্থাপন কৰা অভিলেখ ভংগ কৰে। সেই সময়ত পৰিমাৰ্জনৰ বয়স আছিল ১১ বছৰ।

Log onto www.chandamama.com

Your Chandamama is available in many avatars!

Regional Chandamama (9+ age group):
Read your favourite stories in your own language! Chandamama takes you closer home even as your imagination soars!

Rs.20/-

Your Language, Your Chandamama.

* Ramayana * Vikram-Vetal * Jataka * Akbar-Birbal

Available in 12 Languages:
Telugu, Hindi, Marathi, Oriya, Kannada, Bengali, Tamil, Malayalam, Gujarati, Assamese, Sanskrit, Santali



Rs.15/-

Junior Chandamama
(4+ age group):
A magazine for the little ones peppered with activities,
pictures, and stories that will grip their imagination.

Make friends with **Mintoo, Gooba,** and a host of other whacky characters!

* **Picture story**
* **Puzzles & Crosswords**
* **Colouring**
* **Rebus**

You name it and it's got it!

Chandamama English
(9+ age group):
A children's magazine that has adapted itself to the changing needs of children across decades, Chandamama English offers you a delectable mix of the classic and the contemporary in 72 pages that value fun!

* **Sports**
* **Technology**
* **Contemporary stories**
* **Classics**

Rs.25/-

Revamped.
Redesigned.
Relevant. Read it!

SMS CSHOP to 54646 & we'll get in touch with you! Subscribe Now!

CHANDAMAMA (Assamese) May 2009 Registrar of Newspapers of India No. 30278/76. Regd No. TN/CH(C)/218/09-11
Licensed to post WPP - Inland No.TN/CC(S)Dn/80/09-11, Foreign No. 81/09-11